CONTENTS

BUDGET SESSION

No. 1

Dated, the 10th July, 2006

		Page
1.	QUESTIONS AND ANSWERS	1–102
2.	DISCUSSION ON ZERO HOUR MATTER	102–109
3.	REPORT OF THE BUSINESS ADVISORY COMMITTEE	109–110
4.	PANEL OF CHAIRMEN	110–111
5.	CALL ATTENTION NOTICE	111–117
6.	MATTER UNDER RULE 377	118–121
7.	LAYING OF REPORT	121–122
8.	ANNOUNCEMENT FROM THE CHAIR	123–124
9.	PRESENTATION OF ANNUAL FINANCIAL STATEMENT	124–128
10.	INTRODUCTION OF GOVERNMENT BILL	129–130
11.	CONSTITUENCY REFERENDUM	130–132
12.	ADJOURNMENT	132
13.	ANNEXURE – I TO XIX	133–178

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, the 10th July, 2006

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS
(To which oral replies were given)

Mr. Speaker : Starred Question No. 1, Hon'ble Member, Shri Abdul Khaleque.

বিষয় ঃ বিকল্প ৰাষ্ট্ৰীয় ঘাই পথ।

শ্ৰীআব্দুল খালেকে সুধিছে ঃ

★ ১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম বিধান সভাৰ ২০০৬ চনৰ নিৰ্বাচনত বৰ্ত্তমানৰ শাসনাধিষ্ঠ দলে উত্তৰ শালমাৰাৰ পৰা জনীয়া ববপেটা হাজো হৈ আমিনগাওঁলৈ বিকল্প ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰিবলৈ নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়াটো সঁচানে ?

(খ) উক্ত বিকল্প ৰাষ্ট্রীয় ঘাই পথ নির্মাণৰ বাবে কেন্দ্রীয় চৰকাৰৰ সৈতে যোগাযোগ কৰা হৈছেনে?

(গ) যদি হৈছে, বিষয়টো কি পর্য্যায়ত আছে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) সঁচা হয়।

(খ) হয়, কৰা হৈছিল।

(গ) উক্ত পথটো ৰাষ্ট্রীয় ঘাই পথ হিচাপে নির্মাণৰ বাবে কেন্দ্রীয় চৰকাৰৰ ওচৰত ৪২৫.০০ কোটি টকাৰ প্রকল্প প্রস্তুত কৰি পঠোৱা হৈছিল। পিছে মন্ত্রালয়ে চিঠি নং NH-14012/2/2006-P&M. dtd. 06-03-06 যোগে জনাই পঠাই যে পথটো ৰাষ্ট্রীয় ঘাই পথ হিচাপে নির্মাণৰ বাবে কোনো প্রস্তাৱ নাই। সেই মর্মে পথটো ৰাজ্যিক পথ (State Road) হিচাপে এছিয়ান ডেভেলপমেন্ট বেংকৰ অধীনত নির্মাণৰ বাবে লোৱা হৈছে।

★ **শ্রীআব্দুল খালেক** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰাষ্টাটোৰ নির্মাণৰ কাম কেতিয়া আৰম্ভ হ'ব?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী)ঃ অধ্যক্ষ মহোদয়, উক্ত পথটোৰ বাবে কেন্দ্রীয় চৰকাৰৰ ওচৰত প্রস্তাৱ দাখিল কৰা হৈছে। কিন্তু এই পথটো ষ্টেট Highway হিচাবে এছিয়ান ডেভেলপমেন্ট বেংকৰ অধীনতহে নির্মাণৰ কাম হাতত লোৱা হ'ব। পুঁজি পালেই কাম আৰম্ভ কৰিব পৰা হ'ব।

Mr. Speaker : Starred Question No. 2, Hon'ble Member, Shri Abdul Aziz.

★ Speech not corrected.

বিষয় ঃ MPNA/AP আঁচনি।

শ্রীআব্দুল আজিজে সুধিছেঃ

★ ২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলাৰ সোণাই ছাইদৰিয়া PWD ৰাস্তাটো MPNA আৰু AP আঁচনিৰ অধীনত কৰা Black Topping হৈছেনে?

(খ) যদি হৈছে, এই ৰাস্তাটোৰ মাজৰ কমেও ১$\frac{১}{২}$ কিঃ মিঃ দৈর্ঘ্য Black Topping নকৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, কিয় এই অংশখিনি Black Topping কৰা হোৱা নাই?

(ঘ) ৰাইজৰ স্বার্থত এই অংশখিনি Black Toppingৰ ব্যৱস্থা কৰিবনে?

(ঙ) যদি কৰে, কিমানদিনৰ ভিতৰত সম্পূর্ণ কৰিব?

মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ মহোদয়ৰ হৈ শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) উল্লেখ কৰা পথটোৰ ১.১২৭ কিঃমিঃ দৈর্ঘ্যৰ এটা অংশ আৰু ২.০০ কিঃমিঃ আন এটা অংশ যথাক্রমে MPNA আৰু বার্ষিক পৰিকল্পনা ২০০৫-০৬ অধীনত কৰা হৈছে।

(খ) এই বিষয়ে গড়কাপ্তানী বিভাগ জ্ঞাত।

(গ) বর্ত্তমানলৈকে কোনো আঁচনিভূক্ত নোহোৱা বাবে পকীকৰণ হোৱা নাই।

(ঘ) আৱশ্যকীয় পুঁজিৰ ব্যৱস্থা হ'লে পকীকৰণ কৰা হ'ব।

(ঙ) পুঁজিৰ আৱন্টনত বৰ্ষৰ ভিতৰতে কাম সম্পূৰ্ণ কৰা হ'ব।

★ **শ্ৰীআব্দুল আজিজ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটোৰ পূৱ আৰু পশ্চিম ফালে হ'ল, কিন্তু মাজৰখিনি বাকী থাকিল। এই অংশটো কেতিয়া কৰা হ'ব জনাবনে?

শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সোণতৰীৰ পৰা জুবীয়ালৈকে চাৰি কিলোমিটাৰ কেচা ৰাস্তা আছে। এইখিনিৰ কাৰণে আমি ইতিমধ্যে দ্বাদশ বিত্তীয় আয়োগলৈ আঁচনি পঠাইছো। পুঁজিৰ আবন্টন পালেই কাম আৰম্ভ কৰিব পৰা হ'ব।

Mr. Speaker : Now, Starred Question No. 3, Hon'ble Member, Shri Girindra Kumar Baruah.

বিষয়ঃ পথৰ দূৰৱস্থা।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

★ ৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ-দক্ষিণপাট-বৰকলা, দক্ষিণপাট-ননৈ (তুলসীমুখ) হৈ আৰু নগাওঁ দেওঁধৰ চাৰিআলি পুকীমৰীয়া ননৈ গড়কাপ্তানী পথ দুটাৰ দূৰৱস্থাৰ বিষয়ে বিভাগ অৱগতনে?

(খ) নগাওঁ-দক্ষিণপাট বৰকলা-ননৈ পথটোৰ মেৰামতিৰ বাবে যোৱা ২০০৩-০৪, ২০০৪-০৫ বিত্তীয় বৰ্ষত আৰ্থিক অনুদান দিয়া হৈছিল নেকি?

(গ) যদিহে আৰ্থিক অনুদান দিয়া হৈছিল, পথটোৰ মেৰামতিৰ কাম কৰা হ'লনে?

★ Speech not corrected.

মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ মহোদয়ৰ হৈ শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) উক্ত পথটোৰ মেৰামতিৰ বাবে যোৱা ২০০৩-০৪ আৰু ২০০৪-০৫ বিত্তীয় বৰ্ষত কোনো শিতানত আৰ্থিক অনুদান দিয়া হোৱা নাই।

(গ) যিহেতু কোনো আৰ্থিক অনুদান পোৱা নাই গতিকে মেৰামতিৰ কাম কৰিব পৰা নাই।

★ **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নত উল্লেখ কৰা পথ দুটাৰ অৱস্থা যে বেয়া সেই কথা মাননীয়া মন্ত্রী মহোদয়াই স্বীকাৰ কৰিছে। গতিকে উক্ত ৰাস্তাটো সোনকালে মেৰামতি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিবনে আৰু মোৰ দ্বিতীয় প্রশ্নটো হৈছে যে গড়কাপ্তানী বিভাগৰ শ্রমিকসকলক আঁতৰাই পঠোৱাৰ কাৰণে ৰাস্তা মেৰামতিৰ বাবে প্রধান সমস্যা হৈ পৰা কথাটো মন্ত্রী মহোদয়াই জানেনে ?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কজনে যি দুটা পথৰ মেৰামতিৰ কথা কৈছে তাৰ উত্তৰত কওঁ যে ইয়াৰ বাবে আমি দ্বাদশ বিত্তীয় আয়োগত আঁচনি ধার্য্য কৰিছো। পুঁজি পোৱাৰ পিছত চিন্তা কৰা হ'ব। দ্বিতীয় প্রশ্নটোৰ উত্তৰত কওঁ যে ৰাজ্য চৰকাৰৰ ৰ'ড মেন্টেনেন্স যি পলিচি আছে সেইমতে পথ মেৰামতি কৰিবলৈ আমাক টকা দিছে আৰু গোটেই ৰাজ্যখনৰ যিবিলাক বেয়া ৰাস্তা আছে সেই পলিচিৰ অধীনত মেৰামতি কৰা হৈছে আৰু শ্রমিকৰ অভাৱৰ বাবে ৰাস্তা মেৰামতি কৰাত অসুবিধা হোৱা কথাটো সত্য নহয়।

★ **শ্রীপৰিমল শুক্লবৈদ্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্রী মহোদয়াই দ্বাদশ বিত্তীয় আয়োগৰ কথা কৈছে। মই মন্ত্রী মহোদয়াৰ পৰা জানিব

★ Speech not corrected.

বিচাৰিছো যে এই পুঁজিৰ আবন্টন হ'লে সমষ্টি ওৱাইজ হ'বনে?

শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, পুঁজি পোৱাৰ পিছত সমষ্টিবিলাকৰ গ্ৰ'উথ আৰু লেংথ হিচাবে বিবেচনা কৰি ব্যৱস্থা লোৱা হ'ব।

Mr. Speaker : Now, Starred Question No. 4, Hon'ble Member, Shri Jyoti Prasad Das.

বিষয়ঃ ছমৰীয়া সংহত শিশু উন্নয়ন প্ৰকল্প।

শ্ৰীজ্যোতি প্ৰসাদ দাসে সুধিছেঃ

★ ৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াইঅনুগ্ৰহকৰি জনাবনেঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ছমৰীয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্য্যালয়টো বৰ্ত্তমান ভাড়া ঘৰত চলি আছে নে প্ৰকল্পটোৰ নিজা ঘৰ মাটিত চলি আছে?

(খ) উক্ত প্ৰকল্পটোৰ কাৰ্য্যালয়টো যদি নিজা ঘৰ মাটিত চলি আছে, তেনেহ'লে কিমান পৰিমাণৰ মাটি আৰু কি কি চৰকাৰে ধন খৰছ কৰি নিৰ্মাণ কৰি উলিওৱা হৈছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) বিগত ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ যিসমূহ বৃদ্ধ পেঞ্চন দিয়া হৈছিল সেইসমূহ বৰ্ত্তমানলৈ চলি আছেনে? যদি উক্ত বৃদ্ধ পেঞ্চনসমূহ চলি থকা নাই, তেনেহ'লে কি ভিত্তিত সেইবোৰ আদায় দিয়া হোৱা নাই?

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ছমৰীয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্য্যালয়টো খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় চৌহদত চৰকাৰে নিৰ্মাণ কৰা গৃহত চলি আছে। কাৰ্য্যালয়টো চৰকাৰী মাটিত অৱস্থিত।

(খ) তথ্য বিচৰা হৈছে।

(গ) বৰ্ত্তমান বৃদ্ধ পেঞ্চন আঁচনি সমাজ কল্যাণ বিভাগৰ অধীনত নাই। এই আঁচনি বৰ্ত্তমান পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগে ৰূপায়ন কৰি আছে।

★ **শ্ৰীজ্যোতি প্ৰসাদ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই তিনিটা প্ৰশ্নৰ উত্তৰ বিচাৰিছিলো, তাৰে 'খ'টোৰ উত্তৰ নাপালো। কেতিয়া পাম ?

★ **শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি বিভাগৰ পৰা তথ্য বিচাৰিছো। আহি পোৱা নাই। পালেই জনাম।

★ **শ্ৰীহিৰেণ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ যিসমূহ বৃদ্ধ পেঞ্চন দিয়া হৈছিল সেইসমূহ কেনে অৱস্থাত আছে?

মাননীয় অধ্যক্ষ ঃ ইয়াত বৃদ্ধ পেঞ্চনৰ কথা নাহে।

★ **শ্ৰীআব্দুল খালেক** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাড়া ঘৰৰ আঁচনি আছেনে নাই জনাব লাগে।

Mr. Speaker : Now, Starred Question No. 5, Hon'ble Member, Shri Durga Bhumij.

বিষয়ঃ আৰক্ষী চকী বন্ধ।

শ্ৰীদূর্গা ভূমিজে সুধিছে ঃ

★ ৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

★ Speech not corrected.

(ক) ডুমডুমা সমষ্টিৰ ডুমডুমা থানাৰ অন্তৰ্গত ফিলবাৰীত থকা আৰক্ষী চকীটো আজি বহু দিন ধৰি বন্ধ হৈ থকাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে উক্ত আৰক্ষী চকীটো খোলাৰ বাবে কেনে পদক্ষেপ গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰীৰ হৈ উত্তৰ দিছেঃ

(ক) ফিলবাৰীত কোনো মঞ্জুৰীকৃত আৰক্ষী চকী নাই। পৰিস্থিতিৰ তাগিদাত অস্থায়ীভাবে পুলিচ চকী এটা চলাই থকা হৈছিল যদিও পিচত উঠাই দিয়া হয়।

(খ) ফিলবাৰীত এটা পুলিচ চকী স্থাপনৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

★ **শ্ৰীদূর্গা ভূমিজ** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ উত্তৰত অৱশ্যে কৈছে কিন্তু ফিলবাৰীত এটা আটকধুনীয়া আৰ চি চি ঘৰ নিৰ্মাণ কৰা হৈছে যদি আৰক্ষী চকীৰ ব্যৱস্থা নাছিলেই কিয় ঘৰটো নিৰ্মাণ কৰা হ'ল?

★ **শ্ৰীৰকিবুল হুছেইন** (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, ঘৰ বনাইছে যদিও আচলতে মঞ্জুৰীকৃত আৰক্ষী চকীৰ ব্যৱস্থা তাত নাছিল। এতিয়াও পুঁজিৰ ব্যৱস্থা হ'লে আৰক্ষী চকীটো কৰা হ'ব।

Sub: Amount of Govt. Debt.

Dr. Alaka Sarma asked :

★ 6. Will the Minister of Finance be pleased to state :

(a) What is the total amount of Government borrowing during 2001-2006?

★ Speech not corrected.

(b) Which are the sources of Government borrowing?

(c) What is the total interest burden on the loan taken during 2001-2006, to be paid in current financial year?

(d) How does the Government propose to repay the loan & interest?

(e) By which time (Date, month, year) the total loan taken during 2001-2006, will be cleared alongwith interest?

Shri Himanta Biswa Sarma (Minister, Health and Family Welfare) replied on behalf of Hon'ble Chief Minister, Shri Tarun Gogoi :

(a) Total amount of Government borrowing during 2001-2006 is about Rs.12, 727.35 crore.

(b) The sources of Government borrowing are given below:

(i) SLR based Open Market borrowing.

(ii) Borrowing from the Banks and Financial Institutions .

(iii) Borrowing from the centre.

(iv) Borrowing from the National Small Savings

Fund (NSSF) for the small savings loans.

(iv) Borrowing from the State Provident Fund.

(c) Total interest burden on the loan taken during 2001-2006, to be paid in current financial year (2006-07) is about Rs. 1179.37 crore.

(d) The Government generally repays the loans and pays the interest as per repayment schedule out of the budget provision made for every year.

(e) By 31st March, 2031.

★ ডঃ অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই 'বি' প্রশ্নত লোনৰ উৎস জানিব বিচাৰিছিলো। বহুত ক্ষেত্রত দেখিবলৈ পাইছো লোন আবন্টন হোৱাৰ পাছতো ঘূৰাই দিবলগীয়া হয়। লোনবিলাক যাতে ভালকৈ ব্যৱহাৰ হয় তাৰ এটা আশ্বাস চৰকাৰৰ পৰা বিচাৰিছো।

★ শ্রীহিমন্ত বিশ্ব শর্মা (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, লোনৰ উৎস উত্তৰত কোৱা হৈছে। বিশেষ বিশেষ কাৰণত লোন লোৱা হয়। লোনৰ টকা যাতে প্রকৃতার্থত ব্যৱহাৰ হয় তাৰ ব্যৱস্থাও কৰা হৈছে। মাননীয়া সদস্যগৰাকীক জনাব বিচাৰিছিলো লোন লৈ টকা ঘূৰাই দিয়া উদাহৰণ আমাৰ চৰকাৰৰ নাই।

★ শ্রীবৃন্দাবন গোস্বামী ঃ ১২ হাজাৰ কোটিৰ বেছি টকা লোন লোৱা হৈছে বুলি কৈছে আৰু প্রতি বিত্তীয় বছৰতে লোনবিলাক ৰিপে কৰি

★ Speech not corrected.

থাকিবলগীয়া হৈছে। ৫ টা চোৰ্চৰ পৰা লোন লোৱা বুলি কোৱা হৈছে। দিটেইলচ্ বিচৰা নাই। কি কি আঁচনিত ব্যৱহাৰ হ'ব আৰু মনিটৰিঙৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি?

শ্রীহিমন্ত বিশ্ব শর্মা (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, কোনো এটা নির্দ্দিষ্ট আঁচনিৰ বিপৰীতে লোন লোৱা হোৱা নাই। লোনসমূহ ৰাজ্যৰ কন্সোলিদেটেড ফাণ্ডত জমা হয়। আজিকালি প্লেনিং কমিচনে যি ৯০ শতাংশ ধন দিয়ে তাৰ কাৰণে ১০ শতাংশ চৰকাৰে বেংকৰ পৰা ধাৰ লৈ জমা দিব লাগিব আৰু গোটেইখিনি কন্সোলিদেটেড ফাণ্ডত জমা হ'ব। তাৰ পৰা বিভিন্ন বিভাগৰ আঁচনিৰ বিপৰীতে খৰচ হ'ব। সেইমতে বিভিন্ন বিভাগে আঁচনি দিব। এই ১২ হেজাৰ কোটি টকাৰ ৭০০ কোটি পৰিশোধ কৰা হৈছে। ২০০৪-২০০৫ চনত ৩,৩০০ কোটি টকা দিয়া হৈছে আৰু ২,৩০০ কোটিমান বাকী আছে। লোনৰ ধন যাতে সৎ কামত ব্যৱহাৰ হয় তাৰ কাৰণে চৰকাৰ সদায় সচেষ্ট।

শ্রীবৃন্দাবন গোস্বামী ঃ অসম বিদ্যুৎ পৰিষদে বহুত ঋণ লৈছে আঁচনিৰ বিপৰীতে। সেইবিলাক কন্সোলিদেটেড ফাণ্ডৰ পৰা যাব। আমাৰ কথা হ'ল এইবিলাকৰ মনিটৰিঙৰ ব্যৱস্থা হ'বনে নাই? এ এচ ই বিত দেখিছো এজন মানুহ তিনিমাহ পাছত অৱসৰ লব তেওঁৰ কাৰণেও ৫০ হাজাৰ টকা খৰছ কৰা হৈছে। গতিকে লোনৰ টকা ঠিক কামত ব্যৱহাৰ হৈছেনে নাই তাৰ কাৰণে মনিটৰিঙৰ ব্যৱস্থা কৰিব লাগে। যাৰ কাৰণে টকা ঠিক কামত খৰছ হব।

শ্রীহিমন্ত বিশ্ব শর্মা (মন্ত্রী)ঃ প্রায় আঁচনিৰ বিপৰীতে শতকৰা ১০ভাগ লোন লবই লাগিব। এই সকলোবিলাক বিভাগকে মনিটৰিং কৰিব পৰিকল্পনা বিভাগে, বিত্ত বিভাগ আঁচনিবিলাক পুঙ্খানুপুঙ্খৰূপে পৰীক্ষা কৰে, তাৰ

পিছতহে মঞ্জুৰী দিয়ে। তাৰোপৰি বিভাগটো মনিটৰিং কৰাৰ ব্যৱস্থা আছে। লোনৰ উৎস জানেই। নাবার্ডৰ টকাৰে আৰু আই ডি এফৰ যোগেদি মাননীয় সদস্যসকলৰ সমষ্টিত ৰাস্তা পকী কৰা হৈছে। কৃষি বিভাগত কোল্ড ষ্টোৰেজ কৰা হৈছে। লোনবিলাক হৈছে ইনষ্টিটিউচনেল।

★ **শ্রীদ্রুপদ বুঢ়াগোহাঁই** ঃ আমি জনাত ইতিমধ্যে বছৰে বছৰে বহুত ধাৰ হৈ গৈছে। এই ধাৰবিলাকৰ কাৰণে আমি বছৰি বছৰি কিমান টকাৰ সুত দিব লাগে যাৰ কাৰণে আঁচনিবিলাকে চাফাৰ কৰে ?

শ্রীহিমন্ত বিশ্ব শর্মা (মন্ত্রী)ঃ চৰকাৰ এখনে ধাৰ লোৱাটো এটা নিত্য নৈমিত্তিক কথা। ধাৰ লোৱাটো কন্টিনিউৱাচ প্রচেচ, টকা ধাৰে লব লাগিব, Consolidated Fundত জমা থব লাগিব আৰু তাৰ পৰা বিভিন্ন বিভাগক খৰছ কৰিব দিব লাগিব। যিমান টকা লোৱা হৈছে, সিমান পৰিশোধ কৰা হৈছে, কিমান টকা সূদ দিয়া হৈছে এইবিলাক বাজেটত আহিব। বাজেট প্লেচ নোহোৱাতে এইখিনি কৈ দিয়াটো ভাল নহ'ব।

Mr. Speaker : Now, Starred Question No. 7, Hon'ble Member, Shri Phani Bhusan Choudhury, Hon'ble Minister, Smti. Ajanta Neog will reply:

বিষয়ঃ আর্থিক সাহায্য।

শ্রীফণিভূষণ চৌধুৰীয়ে সুধিছে ঃ

★ ৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

★ Speech not corrected.

(ক) অসমৰ বিভিন্ন জিলাত গড়কাপ্তানী বিভাগৰ ৰাস্তা নির্মাণৰ বাবে বিশ্ব বেংক, নাবার্ড, এছিয়ান ডেভেলপমেন্ট বেংক আৰু PMS Packageৰ আর্থিক সাহায্য লোৱাটো সত্যনে? (সর্বমুঠ টকাৰ পৰিমাণ কিমান?

(খ) যদি সত্য হয়, তেনেহ'লে ২০০১ চনৰ জুন মাহৰ পৰা ২০০৬ চনৰ এপ্রিল মাহলৈ ওপৰত উল্লেখিত বিভিন্ন বিত্তীয় অনুষ্ঠানসমূহৰ পৰা কিমান টকা লোৱা হৈছে? (প্রতিটো বিত্তীয় অনুষ্ঠানৰ পৰা পোৱা টকা বেলেগ বেলেগকৈ উল্লেখ কৰিব) উক্ত টকাখিনি ঋণ হিচাবে লোৱা হৈছে নে Free grant হিচাবে লোৱা হৈছে? যদি ঋণ হিচাবে লোৱা হৈছে তেনেহ'লে কিমান বছৰৰ পিছত পৰিশোধ কৰিব লাগিব আৰু পৰিশোধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা কৰিছে?

(গ) উক্ত টকাৰে অসমৰ প্রতিখন জিলাত কিমানটাকৈ ৰাস্তা ২০০১ চনৰ পৰা ২০০৬ চনৰ মে' মাহলৈ নির্মাণ কৰিবলৈ লোৱা হৈছে? (তালিকা দাখিল কৰিব) উক্ত ৰাস্তাসমূহ নির্মাণৰ বাবে নির্বাচিত কৰাৰ ক্ষেত্রত কি কি নিয়মৰ আধাৰত নির্বাচিত কৰা হৈছিল?

(ঘ) জিলাভিত্তিত উক্ত ৰাস্তাসমূহ নির্মাণ কৰিবলৈ আটাইতকৈ বেছি ধন আৱন্টন পোৱা জিলা দুখনৰ নাম কি?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে:

(ক) সত্য। সর্বমুঠ টকাৰ পৰিমাণ তলত দিয়া ধৰণৰ –

(১) বিশ্ব বেংকৰ অধীনত –

(ক) ARIASPৰ বাবে - ৩৩৭.৫২ কোটি টকা।

(খ) AACPৰ বাবে - ৫১৮.৯৭ কোটি টকা।

(২) PMS Packageৰ অধীনত -

(ক) PMGSYৰ বাবে - ১৬০১.১৫ কোটি টকা।

(৩) NABARDৰ অধীনত - ৩৩,৬৭৯.৪০ কোটি টকা।

মুঠ - ২৭৯৪.৪৩ কোটি টকা।

(খ) ২০০১ চনৰ পৰা ২০০৬ চনৰ এপ্ৰিল মাহলৈ লোৱা টকাৰ পৰিমাণ তলত দেখুওৱা হ'ল ঃ

(১) বিশ্ব বেংকৰ পৰা - ২৮.০২৬ কোটি টকা।

(২) PMS Packageৰ পৰা - ১৬০১.১৫ কোটি টকা।

(৩) NABARDৰ পৰা - ২৪৫.১৫৬৮ কোটি টকা।

(৪) ADBৰ পৰা - ৫০১.৪২ কোটি টকা।

মুঠ - ২৩৭৫.৭৫২৮ কোটি টকা।

ইয়াৰে ADBআৰু PMS Packageৰ পৰা পোৱা টকাখিনি Free grant হিচাবে লোৱা হৈছে। বিশ্ব বেংকৰ টকাখিনি ৯০% Grant আৰু ১০% ঋণ হিচাবে কেন্দ্ৰীয় চৰকাৰে লৈ ৰাজ্য চৰকাৰক ৰাজ্যিক পৰিকল্পনাত অনুদান হিচাবে দিছে। আনহাতে NABARDৰ টকাখিনি কিছু Trancheএ ৯০% ঋণ আৰু ১০% ৰাজ্যিক অংশ আৰু কিছু Tranche ত ৮০% ঋণ আৰু ২০% ৰাজ্যিক অংশ হিচাবে লোৱা হৈছে। এই ঋণসমূহ পৰিশোধৰ সময়সীমা বিভিন্ন Trancheতবিভিন্ন ধৰণৰ আৰু ঋণ সময়ে সময়ে পৰিশোধ কৰি থকা হৈছে।

(গ) উক্ত টকাৰে অসমৰ প্ৰতিখন জিলাত ২০০১ চনৰ পৰা ২০০৬ চনৰ মে' মাহলৈ নিৰ্মাণ কৰিব লোৱা ৰাস্তা আৰু দলঙৰ হিচাব তলত দিয়া ধৰণৰ ঃ

জিলাৰ নাম	বিশ্ব বেংকৰ অধীনত		NABARDৰ অধীনত		PMGSYৰ অধীনত	মুঠ	
	ৰাস্তা	দলং	ৰাস্তা	দলং	ৰাস্তা	ৰাস্তা	দলং
ববপেটা	৯	—	৫	২৭	৬৬	৮০	২৭
বঙাইগাওঁ	—	—	১	৯	৪৭	৪৮	৯
কাছাৰ	১১	৩০	৬	১৪	৫০	৬৭	৪৪
ধেমাজী	—	—	—	৪	৪৬	৪৬	৮
ধুবুৰী	১৪	—	৫	১০	৭৮	৯৭	১০
ডিব্রুগড়	—	—	১১	২	৬৪	৭৫	২
গোৱালপাৰা	১০	—	৪	৪	৪৪	৫৮	৪
গোলাঘাট	—	—	১০	৮	৩৯	৪৯	৮
হাইলাকান্দি	৪	—	১	৯	২৬	৩১	৯
যোৰহাট	১১	—	১১	১০	৫৭	৭৯	১০
কামৰূপ	১৪	৪৪	১৩	৩৯	৯০	১১৭	৮৩
কাৰ্বি আংলং	—	—	—	৪	৫৭	৫৭	৪
কৰিমগঞ্জ	৭	—	৩	৬	৩৭	৪৭	৬
কোকৰাঝাৰ	—	—	১	৪	২৭	২৮	৪
লক্ষিমপুৰ	১৪	৩৯	৭	৮	৩৮	৫৯	৪৭
দৰং	১২	৩০	১	১৮	৪৫	৫৮	৩৮
মৰিগাওঁ	৭	—	৫	৩৩	৪৫	৫৭	৩৩
উত্তৰ কাছাৰ	১১	৩০	১	৬	৪৪	৫৬	৩৬
নগাওঁ	২২	৩১	৮	২৬	১৩৩	১৬৩	৫৭
নলবাৰী	১৪	—	৫	২৪	৬৮	৮৭	২৪
শিৱসাগৰ	১৯	৩৫	৫	১৯	৭৪	৯৮	৫৪
শোণিতপুৰ	২২	—	৬	১৮	৭৭	৯৫	১৮
তিনিচুকীয়া	—	—	৪	৪	৪২	৪৬	৪
					মুঠ=	১৫৯৮	৫৩৫

বিতং তালিকা অনুৰদ্ধ 'ক' (বিশ্ব বেংকৰ), অনুবদ্ধ 'খ' (NABARD)ৰ অনুবদ্ধ 'গ' (PMGSY)ত দেখুৱাই সদনৰ মজিয়াত দাখিল কৰা হ'ল। (See Annexure-I)

উক্ত আঁচনিসমূহত তলত উল্লেখ কৰা নিয়মৰ আধাৰত নির্বাচন কৰা হৈছিল ঃ

NABARDৰ ক্ষেত্রত ঃ

(১) যান-বাহনৰ পৰিসংখ্যা।

(২) সংযোজিত গাওঁৰ সংখ্যা।

(৩) গ্রামীণ অর্থনৈতিক বিকাশত বৰঙণি যোগাব পৰা পথ আৰু দলং।

(৪) প্রতি বিধান সভা সমষ্টিত অতি কমেও একোখনকৈ দলং ও পথৰ অন্তর্ভূক্তি।

বিশ্ব বেংকৰ আঁচনিৰ ক্ষেত্রত ঃ

ARIASPৰ বাবে পথসমূহৰ জিলাভিত্তিত তালিকা প্রস্তুত কৰি বিশ্ব বেংকৰ নিয়ম অনুযায়ী নির্বাচন কৰা হৈছিল। এ এ চি পিৰ অধীনত পথসমূহ জিলাধিপতিৰ পৰিচালনাত গঠিত সমিতিয়ে প্রস্তুত কৰা তালিকা বিশ্ব বেংকৰ নিয়মানুসৰি মাননীয় মুখ্যমন্ত্রীৰ অনুমোদন সাপেক্ষে নির্বাচিত কৰা হয়।

PMGSYৰ ক্ষেত্রত ঃ

কেন্দ্রীয় চৰকাৰৰ PMGSY Guidelineৰ ভিত্তিত জিলা পৰিষদসমূহৰ ও অসম চৰকাৰৰ State Level Standing Committee (SLSC)ৰ অনুমোদন সাপেক্ষে নির্বাচিত কৰা হয়।

(ঘ) আটাইতকৈ বেছি ধন আৱন্টন পোৱা জিলা দুখনৰ নাম তলত উল্লেখ কৰা ধৰণৰ ঃ

নাবার্ড	বিশ্ব বেংক	পি এম জি এচ ৰাই
কামৰূপ জিলা	কামৰূপ জিলা	কামৰূপ জিলা
নলবাৰী জিলা	নগাওঁ জিলা	লক্ষিমপুৰ জিলা

★ **শ্রীফণীভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেংকৰ অধীনত কিছুমান জিলাৰ ৰাস্তা নির্মাণৰ কাম কৰা হোৱা নাই। যিসমূহ জিলা বিশ্ব বেংকৰ অধীনত সামৰি লোৱা নাছিল সেইসমূহ জিলাৰ ৰাস্তা নির্মাণৰ কাৰণে বিশ্ব বেংকৰ অধীনত সামৰি লোৱা হ'ব নেকি? কি ভিত্তিত জিলাসমূহ বাচনি কৰা হৈছে?

★ **শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যান-বাহনৰ পৰিসংখ্যা, সংযোজিত গাওঁৰ সংখ্যা, গ্রামীণ অর্থনৈতিক বিকাশত বৰঙণি যোগাব পৰা পথ আৰু দলং, প্রতি বিধান সভা সমষ্টিত অতি কমেও একোখনকৈ দলং ও পথৰ অন্তর্ভূক্তি আদিৰ ভিত্তিত নির্বাচন কৰা হৈছে।

★ **শ্রীফণীভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিসমূহ জিলাৰ ৰাস্তা আৰু দলং নির্মাণৰ কাৰণে বিশ্ব বেংকৰ অধীনত সামৰি লোৱা নাই, সেইসমূহ জিলা অদূৰ ভৱিষ্যতে সামৰি লোৱা হ'ব নেকি?

★ **শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেংকৰ অন্তর্ভূক্ত অন্য দুখন জিলা সামৰি লোৱা নাই।

★ **শ্রীমহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ৰাস্তা আৰু দলং নির্মাণৰ যি হিচাব দেখুওৱা হৈছে সেইমতে ধুবুৰী জিলাত ৰাস্তা নির্মাণ কৰাহে দেখুৱাইছে। কিন্তু দলং নির্মাণ কৰা দেখুওৱা নাই। বিশ্ববেংকৰ অধীনত ৩৩৭.৫২ কোটি টকা আৰু ৫১৮.৯৭ কোটি টকা খৰছ কৰা দেখুৱাইছে।

★ Speech not corrected.

কি কাৰণত ধুবুৰী জিলাত এখনো দলং নির্মাণ কৰা হোৱা নাই?

★ **শ্রীমতী অজন্তা নেওঁগ** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেংকৰ টকাৰে অকল ৰাস্তাহে ল'ব। সেইকাৰণে ৰাস্তা ধৰা হৈছে। নাবার্ডৰ অধীনত দলং নির্মাণ কৰা হৈছে।

★ **শ্রীমহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেংকৰ অধীনত কামৰূপ আৰু কাছাৰ জিলাত ৰাস্তা নির্মাণ কৰা হৈছে।

মাননীয় অধ্যক্ষ ঃ আপুনি এটা পৰিপূৰক প্রশ্ন সুধিছে, গতিকে হ'ব।

বিষয়ঃ পকী পথৰ অৱস্থা।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

★ ৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়াইঅনুগ্রহ কৰি জনাবনে ঃ

(ক) সমগ্র নগাওঁ জিলাত চৰকাৰৰ বিভিন্ন আঁচনি অনুসৰি কৰা পকী পথৰ (Black Topping) দৈর্ঘ্য কিমান? ইয়াৰ কিমান অংশ নষ্ট নোহোৱাকৈ আছে আৰু কিমান অংশ নষ্ট হৈছে?

(খ) নগাওঁ জিলাৰ বঢ়মপুৰ বিধান সভা সমষ্টিৰ কিমান কিলোমিটাৰ গড়কাপ্তানী পথ পকীকৰণ হৈছে আৰু কিমান কিলোমিটাৰ পকীকৰণ নোহোৱাকৈ আছে?

(গ) পকীকৰণ নোহোৱা পথসমূহ পকীকৰণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লবনে? পকীকৰণ কৰা কিন্তু ভাঙি ছিণ্ডি যোৱা পথসমূহ মেৰামতিৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

★ Speech not corrected.

(ক) সমগ্র নগাওঁ জিলাত চৰকাৰৰ বিভিন্ন আঁচনি অনুসৰি বৰ্ত্তমানলৈ সৰ্বমুঠ ১০০৯.৭৫২ কিঃ মিঃ পথ পকীকৰণ (Black Topping) কৰা হৈছে। ইয়াৰ ভিতৰত নষ্ট নোহোৱাকৈ মুঠ ৬৮২.৮০৩ কিঃ মিঃ পথ আছে আৰু নষ্ট হোৱা পথৰ মুঠ দৈর্ঘ্য ৩২৬.৯৪৯ কিঃ মিঃ।

(খ) নগাওঁ জিলাৰ বঢ়মপুৰ বিধান সভা সমষ্টিত গড়কাপ্তানী বিভাগৰ অধীনত মুঠ ১৪৩.৭০৮ কিঃ মিঃ পথ পকীকৰণ হৈছে আৰু মুঠ ১৪৪.৮৯২ কিঃ মিঃ পথ পকীকৰণ নোহোৱাকৈ আছে।

(গ) পকীকৰণ নোহোৱা পথসমূহৰ ভিতৰত ১২.০০ কিঃ মিঃ Assam State Road Boardৰ মেৰামতি শিতানত পকীকৰণ আৰু ১০.৭০ কিঃ মিঃ পথ বার্ষিক পৰিকল্পনা শিতানত পকীকৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। ভাঙি ছিণ্ডি যোৱা পথসমূহ মেৰামতিৰ বাবে পর্য্যায়ক্রমে দ্বাদশ वित्तीय আয়োগ আৰু অসম ৰাজ্যিক পথ পৰিষদ পুঁজিৰে মেৰামতিৰ ব্যৱস্থা হাতত লোৱা হৈছে।

★ **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়াই মোৰ 'খ' প্রশ্নৰ উত্তৰত নগাওঁ জিলাৰ বঢ়মপুৰ বিধান সভা সমষ্টিত গড়কাপ্তানী বিভাগৰ অধীনত মুঠ ১৪৩.৭০৮ কিঃ মিঃ পথ পকীকৰণ হৈছে আৰু মুঠ ১৪৪.৮৯২ কিঃ মিঃ পকীকৰণ নোহোৱাকৈ আছে বুলি কৈছে। তেখেতে 'গ' প্রশ্নৰ উত্তৰত ভাঙি ছিণ্ডি যোৱা পথসমূহ মেৰামতিৰ বাবে পর্য্যায়ক্রমে দ্বাদশ वित्तीय আয়োগ আৰু অসম ৰাজ্যিক পথ পৰিষদ পুঁজিৰে মেৰামতিৰ ব্যৱস্থা হাতত লৈছে বুলি কৈছে। এই পথসমূহ কেতিয়াৰ পৰা মেৰামতি কৰিব আৰু ইয়াৰ কাৰণে কিমান টকা লাগিব মন্ত্রী মহোদয়াই জনাব নেকি?

★ Speech not corrected.

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কৈছোৱেই যে তেখেতৰ সমষ্টিত শতকৰা ৫০ ভাগ পথ পকীকৰণ কৰা হৈছে। বাকী পথখিনিও পৰ্য্যায়ক্ৰমে কৰা হ'ব। ইতিমধ্যে পকীকৰণ নোহোৱা পথসমূহৰ ভিতৰত ১২.০০ কিঃ মিঃ পথ আসাম ষ্টেট ৰোড বোৰ্ডৰ মেৰামতি শিতানত পকীকৰণ আৰু ১০.৭০ কিঃ মিঃ পথ বাৰ্ষিক পৰিকল্পনা শিতানত পকীকৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। এই গোটেইখিনি কামৰ কাৰণে বিত্তীয় বিভাগৰ পৰা পুঁজি পালে আমি কামখিনি কৰিব পাৰিম।

★ **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই পথসমূহ মেৰামতি ও পকীকৰণ কৰাৰ কাৰণে বিত্ত বিভাগৰ পৰা কিমান কোটি টকা বিচাৰিছে সেই কথাটো মন্ত্রী মহোদয়াই জনাব নেকি?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, দ্বাদশ বিত্তীয় আয়োগে গড়কাপ্তানী বিভাগৰ কাৰণে পুঁজি আৱন্টন কৰিব। কিমান কোটি টকা আৱন্টন কৰিব সেইটো জানিব পৰা হোৱা নাই।

★ **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সুধিছো গড়কাপ্তানী বিভাগে বিত্ত বিভাগৰ পৰা কিমান কোটি টকা বিচাৰিছে?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নটোৰ উত্তৰ মোৰ হাতত নাই, পিছত দিম।

Sub: Angonwadi worker.

Dr. Rumi Nath asked :

★ 9. Will the Minister of Social Welfare be pleased to state :

★ Speech not corrected.

(a) When the vacant posts of Angonwadi workers or Helpers of L.A.14 Borkhola constituency will be filled up?

(b) Has the Government any proposal for opening of new Centres in L.A. 14 Borkhola constituency ? If so, when the process is likely to be completed and appointment made?

Smti. Ajanta Neog (Minister, Social Welfare) replied :

(a) After getting the sanction and concurrence from the Finance Department for setting up Angonwadi centre, the post of Angonwadi Worker and Helpers could be filled up.

(b) Yes, as stated at 'A' above.

★**Dr. Rumi Nath** : My question was when the vacant posts of Angonwadi Workers or Helpers of L.A.14 Borkhola Constituency will be filled up?

Has the Govermnent any proposal for opening of new centres in L.A.14 Borkhola Constituency ? If so, when the process is

★ Speech not corrected.

likely to be completed and appointment made?

★ **Smti. Ajanta Neog** (Minister): After getting the sanction of Finance Department it will be filled up shortly. For 92 Nos. of Angonwadi centres, the proposals have already been sent to Finance Department for concurrence.

★ ড° অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, কিমানটা আই. চি. ডি. এচ. প্রজেক্টৰ কাৰণে চেনচন বিচৰা হৈছে?

★ শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে অসমত ২৩ টা আই. চি. ডি. এচৰ কাৰণে অনুমোদন বিচৰা হৈছে।

★ ড° অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক-বিধায়িকাসকলৰ এই ক্ষেত্রত ভূমিকা কি হ'ব?

★ শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়া সদস্যা অলকা শর্মাৰ কথাটো সমর্থন কৰিছো। ২৩ টা আই. চি. ডি. এচ. অনুমোদন পোৱাৰ পিছত বিধায়ক মন্ত্রীসকলৰ ভূমিকা কি হ'ব? কাৰণ যিবিলাক সমষ্টিত আই. চি. ডি. এচসমূহ কৰিব সেই সমষ্টিৰ বিধায়কসকলৰ তাত দায়িত্ব থাকিব নেকি?

★ শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তাত বিধায়ক সকলৰো দায়িত্ব থাকিব।

Mr. Speaker : Starred Question No. 10, Hon'ble Member, Maulana Ataur Rahman Mazarbhuyan .

★ Speech not corrected.

Sub: Number of appointing constables.

Maulana Ataur Rahman Mazarbhuyan asked:

★ 10. Will the Minister of Home be pleased to state :

(a) How many constables (A/B, U/B) were selected in the district of Cachar for appointment in the year 2005-2006 interview held in Katal?

(b) Please furnish the names of the selected candidate with their permanent address?

Shri Tarun Gogoi (Chief Minister) replied:

(a) No candidates (A/B, U/B) were selected in the district of Cachar for appoinment in the year 2005-2006.

(b) Does not arise.

Mr. Speaker : Now, Starred Question No. 11, Hon'ble Member, Shri Brindaban Goswami.

বিষয়ঃ আততায়ীৰ দ্বাৰা আহত।

শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছেঃ

★ ১১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত নিৰ্বাচনৰ সময়ত তেজপুৰ সমষ্টিত দুজন যুৱক ক্ৰমে শ্ৰীচন্দন বৰা আৰু মহম্মদ জুলহাস আততায়ীৰ হাতত গুৰুতৰভাবে আহত হৈ প্ৰথমে তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয় আৰু তাৰ পিছত জি.এম .চি.ত চিকিৎসাধীন হৈ শেষত পাটনাত চিকিৎসাধীন হ'বলগা হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) এই বিষয়ত অনুসন্ধান কৰি আৰক্ষীয়ে কিমান জনক আতক কৰিলে আৰু গোচৰটো বৰ্ত্তমান কি অৱস্থাত আছে?

শ্ৰীৰকিবুল হুছেইন (বন, পৰিবেশ ও পৰ্য্যটন বিভাগৰ মন্ত্ৰী)য়ে গৃহমন্ত্ৰীৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত। বিগত নিৰ্বাচনৰ সময়ত তেজপুৰ সমষ্টিত দুজন যুৱক ক্ৰমে শ্ৰীচন্দন বৰা আৰু মহম্মদ জুলহাস আততায়ীৰ হাতত অচিনাক্ত দুৰ্বৃত্তৰ হাতত গুৰুতৰভাবে আহত হৈ তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হয় আৰু তাৰ পিচত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী জি.এম .চি. হস্পিতাললৈ স্থানান্তৰ কৰা হয়।

(খ) এতিয়ালৈকে কোনো লোকক আটক কৰিব পৰা নাই যদিও ঘটনা-স্থলীৰ আশে-পাশে থকা বহু কেইজন লোকক ইতিমধ্যে সোধপোচ কৰা হৈছিল। তদন্ত অব্যাহত আছে।

★ **শ্ৰীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিগত নিৰ্বাচনৰ সময়ত তেজপুৰ সমষ্টিত দুজন যুৱক ক্ৰমে শ্ৰীচন্দন বৰা আৰু মহম্মদ জুলহাস আততায়ীৰ হাতত গুৰুতৰভাবে আহত হৈ প্ৰথমে তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয় আৰু তাৰ পিচত জি.এম.চি.ত চিকিৎসাধীন

★ Speech not corrected.

হৈ শেষত গৈ পাটনাত চিকিৎসাধীন হবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। এই গোটেই কামবিলাক উদ্দেশ্য প্ৰণোদিতভাবে কৰা হৈছে। ইয়াক ৰাজনৈতিকভাবে কৰা হৈছে বুলি আমি অনুমান কৰিবলৈ আজি বাধ্য হৈছো। অধ্যক্ষ মহাশয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ। মই মাননীয় অধ্যক্ষৰ জড়িয়তে মাননীয় মন্ত্ৰী মহাশয়ক এই বিষয়ে উচ্চ পৰ্য্যায়ৰ তদন্তৰ বাবে অনুৰোধ কৰিছো আৰু এক উচ্চ পৰ্য্যায়ৰ তদন্ত হোৱাটো আমি বিচাৰো। মই নিজেই ৰাতি তাত ১.৩০ বজালৈ আছিলো আৰু থানাত থকাৰ সময়ত ৰাজবংশী নামৰ অ'চিজনৰ যি মইমতালি ভাব দেখিবলৈ পাইছিলো সেইটো সঁচাকৈয়ে অতি দূৰ্ভাগ্যৰ কথা। মই সেইকাৰণে এইটোৰ এটা উচিত তদন্ত হোৱাটো বিচাৰিছো আৰু তাত যাতে কোনো ধৰণৰ গাফিলতি কৰা নহয় তাৰ ওপৰত নজৰ ৰখাটো ভাল হ'ব। অধ্যক্ষ মহাশয়, এই বিষয়টো অতি জৰুৰী আৰু এটা উচিত তদন্ত হোৱাটো বিচাৰিছো। ইয়াত ৰাজনৈতিকভাবে অভিসন্ধি চলি থকাটো আজি আমাৰ দৃষ্টিগোচৰ হৈছে।

শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াৰ উত্তৰত ক'ব বিচাৰিছো যে বিষয়টো অতি গুৰুত্বপূৰ্ণ বুলি আমি উপলব্ধি কৰিছো। ইয়াত কোনো ৰাজনৈতিক অভিসন্ধি চলি থকা কথাষাৰ সত্য নহয়। যদিহে মাননীয় সদস্য গোস্বামী ডাঙৰীয়াৰ হাতত কিবা প্ৰমাণ আছে তেন্তে সেইয়া আমাৰ হাতত দিলে আমি নিশ্চয় ব্যৱস্থা লম। কোনো আৰক্ষী বিষয়াৰ বিৰুদ্ধে নিৰ্দ্দিষ্ট অভিযোগ থাকিলে আমি নিশ্চয় সেই বিষয়ে তদন্ত কৰিম। নিৰ্দ্দিষ্ট তথ্য প্ৰমাণ অবিহনে সকলো আৰক্ষীকে অভিযুক্ত কৰিলে আৰক্ষী বাহিনীৰ মনোবল হ্ৰাস পায় যি আমাৰ আটাইৰে বাবে ক্ষতিকাৰক।

★ **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চৰকাৰ নিশ্চয় অৱগত আৰু ইয়াৰ এটা উচিত তদন্ত হোৱাটো আমি বিচাৰিছো। নির্বাচনৰ সময়ত যিখন থানাৰ অঁচি ৰাজবংশী আছিল তেওঁ আমাৰ ওজৰ আপত্তি আৰু আমাৰ কথা শুনিবলৈও তেওঁৰ আহৰি নাছিল। মই সেইকাৰণে এই বিষয়ে এটা উচ্চ পর্য্যায়ৰ বিষয়াৰ দ্বাৰা তদন্ত হোৱাটো বিচাৰিছো।

শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি তদন্ত কৰিবলৈ যাওঁতে আমাৰ হাতত কিবা নহয় কিবা উপযুক্ত প্রমাণ আমাক লাগিবই। যদিহে মাননীয় সদস্যজনৰ হাতত তেনেকুৱা কিবা প্রমাণ আছে আমাৰ হাতত দিয়ক আৰু সেইবিলাক চাই আমি তদন্ত কৰাৰ ব্যৱস্থা নিশ্চয় হাতত লম।

★ **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহাশয়, বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি এটা তদন্ত হোৱাটো আমি বিচাৰিছো।

শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহাশয়, ৰাজবংশী নামৰ পুলিচ বিষয়াজনৰ বিৰুদ্ধে কিবা থাকিলে আমাক দিয়ক। আমি নিশ্চয় এটা তদন্ত কৰাৰ ব্যৱস্থা হাতত লম।

★ **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহাশয়, এই গোটেই বিষয়টো ৰাজনৈতিক উদ্দেশ্য প্রণোদিতভাবে কৰা হৈছে। মোকো হত্যা কৰাৰ বাবে ষড়যন্ত্র ৰচনা কৰা হৈছে। গতিকে বিষয়টোৰ এটা উচিত তদন্ত হোৱাটো আমি বিচাৰিছো। অপৰাধীবিলাকক যাতে ৰক্ষণাবেক্ষণ দিয়া নহয় তাৰ ওপৰত চৰকাৰে নজৰ ৰখাটো ভাল। সেই কাৰণেই মই এটা উচ্চ পর্য্যায়ৰ তদন্ত হোৱাটো বিচাৰিছো।

★ Speech not corrected.

শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যদি কিবা প্রমাণ দিব পাৰে দিয়ক। আমি এই সন্দর্ভত নিশ্চয় ব্যৱস্থা গ্রহণ কৰিম। আমি কবলৈ পাই সুখী হৈছো যে আজি ৰাজ্যখনৰ আইন-শৃঙ্খলাৰ যথেষ্ট উন্নতি হৈছে আৰু আশা কৰিছো অদূৰ ভৱিষ্যতে আৰু অধিক উন্নতি হ'ব।

★ **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহাশয়, বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি চৰকাৰে এটা তদন্তৰ ব্যৱস্থা কৰিবনে ?

★ **শ্রীৰকিবুল হুছেইন** (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহাশয়, ক্রিমিনেল বুলি কাক বুজাইছে মই মাননীয় সদস্যজনৰ পৰা জানিব বিচাৰিছো। দ্বিতীয়তে আমি কোনো দোষী ব্যক্তিকে সাৰি যাব দিব নিবিচাৰো। উপযুক্ত প্রমাণ পালে আমি নিশ্চয় বিহিত ব্যৱস্থা হাতত লম।

★ **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহাশয়, পুলিচৰ বহুতো হেমাহিৰ কাৰণে কিছুমান ঘটনা হোৱাটো আমাৰ দৃষ্টিগোচৰ হৈছে। এই হেমাহিবিলাক দূৰ কৰাৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিব লাগে।

★ **শ্রীপদ্ম হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহাশয়, শোণিতপুৰ জিলাৰ পৰা মেঘ গোস্বামীক অপহৰণ কৰি লুকুৰাই ৰাখি হত্যা কৰা হৈছিল আৰু আজি পর্য্যন্ত তদন্ত কৰা নহ'ল। গতিকে দেখা গৈছে যে পুলিচ বিষয়াৰ দ্বাৰা উচ্চ পর্য্যায়ৰ তদন্ত হোৱাটো আমি বিচাৰো যদিও সেইটো সময়ত হৈ নুঠে।

★ **শ্রীৰকিবুল হুছেইন** (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহাশয়, আমি কোনো দিনে কোনো কাৰণতে হেমাহি কৰা নাই আৰু নকৰোও।

Mr. Speaker : Now, Starred Question No. 12, Hon'ble Member, Shri Ramendra Narayan Kalita.

★ Speech not corrected.

বিষয়ঃ নিহত আৰু আহতৰ সংখ্যা।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছেঃ

★ ১২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০১ চনৰ পৰা এতিয়ালৈকে উগ্ৰপন্থীৰ বোমা বিস্ফোৰণত কিমানজন ব্যক্তি নিহত আৰু আহত হ'ল?

(খ) চৰকাৰে বোমা বিস্ফোৰণত নিহত আৰু আহতসকললৈ কিমান টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱাৰ নীতি ঘোষণা কৰিছে?

(গ) ২০০১ চনৰ পৰা এতিয়ালৈকে কিমান নিহতৰ পৰিয়ালবৰ্গলৈ আৰু আহত ব্যক্তিলৈ আৰ্থিক সাহায্য আগবঢ়ালে? (নিহত ও আহত ব্যক্তিসকললৈ আৰ্থিক সাহায্য আগবঢ়োৱা নামৰ তালিকা এখন সদনৰ মেজত দাখিল কৰিব)

(ঘ) যোৱা ১৬-১২-০৪ ইং তাৰিখে গুৱাহাটীৰ পল্টন বজাৰৰ বোমা বিস্ফোৰণত আহত হোৱা শিকাৰহাটী গাওঁৰ শ্ৰীযদুমণি দাসক চৰকাৰে ঘোষণা কৰা নীতি অনুযায়ী আৰ্থিক সাহায্য দিয়া হ'লনে? যদি দিয়া হোৱা নাই কিয়?

শ্ৰীৰকিবুল হুছেইন (বন, পৰিবেশ ও পৰ্য্যটন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰীৰ হৈ উত্তৰ দিছেঃ

(ক) যোৱা ইং ২০০১ চনৰ পৰা ৩০-৬-২০০১ চনলৈ অসমত বিভিন্ন উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত হোৱা বোমা বিস্ফোৰণত মুঠ ১৯১ জন লোকৰ মৃত্যু আৰু মুঠ ১২৭৬ জন লোক আহত হয়।

(খ) অসম চৰকাৰৰ সাহায্য ও পুনঃসংস্থাপন বিভাগৰ স্মাৰক পত্ৰ নং

★ Speech not corrected.

আৰ. আৰ. ৬৯/৯৫/২১৬ তাং- ১৮/৩/২০০০ অনুসৰি মৃত ব্যক্তিৰ নিকট আত্মীয়লৈ ১(এক) লাখ টকাকৈ আর্থিক সাহায্য আগবঢ়োৱা নীতি ধার্য্য কৰিছিল যদিও স্মাৰক নং- আৰ. আৰ. ৬৯/২০০৪/১৬ তাং- ১৪/১২/২০০৪ মর্মে এই সাহায্য ৩ (তিনি) লাখ টকাকৈ ২২/৬/২০০৪ চনৰ পৰা কার্য্যকৰী হোৱাকৈ বৃদ্ধি কৰা হৈছে।

বোমা বিস্ফোৰণ/উগ্রপন্থীৰ দ্বাৰা গুৰুতৰভাবে আহত ব্যক্তিসকলক ১০(দহ) হাজাৰ টকাকৈ আৰু সামান্যভাবে আঘাতপ্রাপ্ত ব্যক্তিসকলক ৩(তিনি) হাজাৰ টকাকৈ স্মাৰক নং- আৰ. আৰ. ৮২/৯০/৬ তাং- ২৫/৪/৯১ যোগে অধিসূচনা জাৰি কৰা হয়।

(গ) অসম চৰকাৰৰ সাহায্য ও পুনঃ সংস্থাপন বিভাগৰ পৰা প্রাপ্ত তথ্যমতে ২০০১ চনৰ পৰা এতিয়ালৈকে মুঠ ১০৪ জন নিহত লোকৰ নিকটাত্মীয়ক আৰু ৬২৮ জন আহত ব্যক্তিক আর্থিক সাহায্য আগবঢ়োৱা হয়। (আহত আৰু নিহতৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল) (See Annexure-IA)

(ঘ) পল্টন বজাৰৰ ১৬/১২/২০০৪ চনত বোমা বিস্ফোৰণত আহত হোৱা শ্রীযদুমণি দাস আৰু অন্যান্য ব্যক্তিসকলক আর্থিক সাহায্য দিবৰ বাবে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

★ **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহাশয়, মাননীয় মন্ত্রী মহাশয়ে কৈছে যে যোৱা ইংৰাজী ২০০১ চনৰ পৰা ৩০/৬/২০০৬ লৈ অসমত বিভিন্ন উগ্রপন্থীৰ দ্বাৰা সংঘটিত হোৱা বোমা বিস্ফোৰণত মুঠ ১৯১ জন লোকৰ মৃত্যু আৰু মুঠ ১২৭৬ জন লোক আহত হয়।

★ Speech not corrected.

মাননীয় অধ্যক্ষ মহাশয়, মোৰ সমষ্টিত যদুমণি দাস নামৰ যুৱক এজনে পল্টন বজাৰৰ বোমা বিস্ফোৰণত গুৰুতৰভাবে আহত হৈ আজি মৃত্যুৰ সৈতে যুঁজি আছে। চৰকাৰৰ ফালৰ পৰা পাবলগীয়া এটকাও আজি পর্য্যন্ত নোপোৱাৰ কাৰণে পৰিয়ালটো পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। এতিয়া ডাক্তৰে কৈছে অতি কম দিনৰ ভিতৰতে চেন্নাইলৈ লৈ যাব লাগে। কিন্তু দুখীয়া পৰিয়ালটোৰ অৱস্থা ইমানেই বেয়া যে ৰাইজৰ পইচা তুলি বর্ত্তমানলৈকে গুৱাহাটী চিকিৎসালয়ত চিকিৎসা কৰি থকা হৈছে। কিন্তু সুফল আজি পর্য্যন্ত পোৱা নাই। অধ্যক্ষ মহাশয়, মই মাননীয় মন্ত্রী মহাশয়ক অনুৰোধ কৰিব বিচাৰিছো যে দুই চাৰিদিনৰ ভিতৰতে সেই লোকজনক চৰকাৰীভাবে প্রাপ্য ধন মোকলাই দিয়াৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহাশয়, বোমা বিস্ফোৰণত আহত আৰু নিহতসকলৰ বাবে যিটো ধন মঞ্জুৰী কৰা হয় সেয়া উপায়ুক্তৰ জড়িয়তে গৃহ বিভাগলৈ তাৰ পিছত সাহায্য আৰু পুনৰ সংস্থাপন বিভাগলৈ অহাৰ পিছতহে সেই ধন মোকলাই দিয়া হয়। সেই কামখিনি কৰোতে অলপ সময় লয় আৰু আমি সেইকাৰণে মাননীয় মুখ্যমন্ত্রী মহাশয়ৰ লগত আলোচনা কৰি যাতে এই প্রক্রিয়াটো চমু কৰি কম দিনৰ ভিতৰতে উপায়ুক্তৰ জড়িয়তে এই ধন মোকলাই দিব পাৰি তাৰ কাৰণে আমি চিন্তা-চর্চ্চা কৰি আছো।

★ **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহাশয়, যদুমণি দাসৰ পইচাখিনি দুই চাৰিদিনৰ ভিতৰতে মাননীয় মন্ত্রী মহাশয়ে মোকলাই দিয়াৰ ব্যৱস্থা কৰিবনে?

★ Speech not corrected.

শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহাশয়, এই গোটেই কামখিনি কৰোতে অলপ সময় লয়। এই প্রক্রিয়াটো অলপ দিঘলীয়া। জিলা উপায়ুক্ত আৰু অন্যান্য বিভাগৰ পৰা প্রস্তাৱ আদি আহোতে যথেষ্ট সময় লয়। সেইকাৰণেই আমি প্রক্রিয়াটো সৰল কৰাৰ কাৰণে যত্ন কৰি আছো। যাতে কামখিনি খৰতকীয়াকৈ কৰিব পৰা যায়। যদুমণি দাসৰ সাহায্যৰ ধন বিধি অনুযায়ী পাঁচদিনৰ ভিতৰত দিয়াৰ ব্যৱস্থা কৰা হ'ব।

Mr. Speaker : Now, Starred Question No. 13, Hon'ble Member, Shri Ranjit Dutta.

বিষয়ঃ মানুহৰ মৃত্যু।

শ্রীৰঞ্জিৎ দত্তই সুধিছেঃ

★ ১৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০৬ চনৰ ১/১/২০০৬ৰ পৰা ২৬/৬/২০০৬ চনলৈকে অসমত কিমান বোমা বিস্ফোৰণ, হত্যা, ডকাইটি, নাৰী ও শিশু হত্যা, বলাৎকাৰ, পুলিচ আৰু উগ্রপন্থীৰ গুলীত কিমান মানুহৰ মৃত্যু হ'ল? (তথ্যভিত্তিত জনাব)

(খ) এই ঘটনাবোৰৰ পিছত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্রীৰকিবুল হুছেইন (বন, পৰিবেশ ও পর্য্যটন বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রীৰ হৈ উত্তৰ দিছেঃ

(ক) চলিত ২০০৬ বর্ষৰ পহিলা জানুৱাৰীৰ পৰা ২৬/৬/০৬ তাৰিখলৈ অসমত

(১) বোমা বিস্ফোৰণ = ৫৭ টা।

(২) হত্যা = ৫৩৬ টা।

(৩) ডকাইটি = ১৪৮ টা।

(৪) নাৰী ও শিশু হত্যা = ১১৯ টা।

(৫) বলাৎকাৰ = ৮৮৩ টা সংঘটিত হয়।

পুলিচৰ গুলী চালনাত ১৫ জন সাধাৰণ নাগৰিকৰ আৰু উগ্রপন্থীৰ গুলী চালনাত ২৭ জন সাধাৰণ নাগৰিক আৰু ৮ জন নিৰাপত্তাৰক্ষীৰ মৃত্যু হৈছিল।

(খ) যোৱা ১৯৯৭ চনৰ পৰা "ইউনিফাইড কামাণ্ড"ৰ অধীনত সন্ত্রাসবাদ দমন কৰাৰ অর্থে বিভিন্ন অভিযান চলাই থকা হৈছে। এই অভিযানত পুলিচ সামৰিক আৰু অর্দ্ধসামৰিক বাহিনীয়ে যৌথভাবে কাম কৰি আছে আৰু ইয়াৰ পৰা সন্ত্রাসবাদ দমনত যথেষ্ট সুফল পোৱা গৈছে। ৰাজ্যিক আৰু জিলা ভিত্তিত চোৰাংচোৱাৰ বিভিন্ন তথ্যৰ সম্যক অধ্যয়ন কৰি সন্ত্রাস বিৰোধী অভিযানৰ অংশীদাৰ নিৰাপত্তাবাহিনী সমূহক বিভিন্ন নির্দ্দেশ উপদেশ দি থকা হৈছে। স্পর্শকাতৰ প্রতিষ্ঠান/ঠাইসমূহত বিশেষ পহৰাৰ ব্যৱস্থা কৰা হৈছে। উগ্রপন্থীৰ পৰা ভাবুকি অহা ব্যক্তিসকলৰ লগত নিৰাপত্তাৰক্ষী মোটায়েন কৰা হৈছে।

ইয়াৰ উপৰিও হত্যা, ডকাইটি, বলাৎকাৰ, নাৰী ও শিশু হত্যাৰ সন্দর্ভত ভাৰতীয় দণ্ড বিধি আইনৰ ধাৰা অনুসাৰে মোকর্দ্দমা ৰুজু কৰা হৈছে আৰু তদন্তক্রমে যথাবিহিত ব্যৱস্থা লোৱা হৈছে।

★ **শ্রীৰঞ্জিত দত্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি? কেনেকৈ মহিলা আৰু শিশু হত্যা বন্ধ কৰিব পাৰি?

★ Speech not corrected.

শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহাশয়, অকলে চৰকাৰে এই বিষয়ে ব্যৱস্থা ললে নহ'ব। ৰাইজৰ সজাগতা লাগিব। নির্বাচিত প্রতিনিধি সকলে নিজৰ নিজৰ অঞ্চলত এটা জনজাগৰণ সৃষ্টি কৰিব লাগিব। যদি আমি সকলোৱে একমত হৈ নিজৰ নিজৰ এলেকাৰ দায়িত্ব লও তেতিয়াহ'লে এই সমস্যাবোৰ নাইকীয়া হ'ব। মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে কোনো আপোচ নকৰো।

★ শ্রীৰঞ্জিত দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন ধৰণৰ মহিলা সমিতি আছে। বিভিন্ন ধৰণৰ এন. জি. অ' আছে। এই মহিলা সমিতি আৰু এন. জি.অ' বিলাকক এই দায়িত্ব দিব লাগে।

★ শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো বিভিন্ন সামাজিক অনুষ্ঠান-প্রতিষ্ঠান আছে। এই সকলোবিলাক লগ হৈ আলোচনা কৰি ব্যৱস্থা লব লাগে।

Mr. Speaker : Now, Starred Question No. 14, Hon'ble Member, Shri Raju Sahu.

বিষয়ঃ চাহ বাগিছা শ্রমিকৰ দূৰৱস্থা।

শ্রীৰাজু চাহুৰে সুধিছেঃ

★ ১৪। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমৰ বিভিন্ন চাহ বাগিছাসমূহৰ ৰুগ্ন অৱস্থাৰ বাবে মালিক পক্ষই প্রায়ে বাগিছাসমূহ এৰি আঁতৰি যোৱাৰ ফলত বাগিছাৰ সেইসকল শ্রমিকৰ পানীত হাঁহ নচৰা অৱস্থা হয়, এই সম্পর্কে চৰকাৰ

★ Speech not corrected.

অৱগতনে?

(খ) যদি অৱগত, এইসকল শ্রমিকৰ সুৰক্ষাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) ৰাজ্য চৰকাৰে এক বিশেষ আইন প্ৰণয়ন কৰি শ্রমিকসকলক কৰা এনে অৱহেলা ৰোধ কৰাত বাধা প্ৰদান কৰিবলৈ প্ৰচেষ্টা হাতত লবনে?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) ত্রিপাক্ষিক আলোচনাৰ জড়িয়তে প্রয়োজন বিশেষে শ্রমিকৰ জীৱন ৰক্ষাৰ বাবে শ্রমিকসকলৰ প্রতিনিধি তদর্থ পৰিচালনা সমিতি পাতি এনে পৰিত্যক্ত বাগিছা চলোৱাৰ ব্যৱস্থা কৰা হয়।

(গ) এই বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব?

শ্রীৰাজু চাহু ঃ মাননীয় অধ্যক্ষ মহাশয়, অসমৰ বেচিভাগ চাহ বাগিছাত মালিকে চাহপাত চিঙাৰ পিছত শ্রমিকসকলক বাগিছাসমূহত এৰি থৈ যায়। ফলত শ্রমিকসকলৰ পানীত হাঁহ নচৰা অৱস্থা হয়। এই বিষয়ে ৰাজ্য চৰকাৰে বিশেষ কিবা আইন প্ৰণয়ন কৰিছে নেকি?

শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহাশয়, কিছুমান বাগিছাত মালিক পক্ষ গুছি যোৱাটো সত্য। কেতিয়াবা মালিকসকল বিভিন্ন কাৰণত যাবলগা হয়। কেতিয়াবা মালিকসকলৰ অর্থনৈতিক দূৰৱস্থাৰ বাবেও বাগান এৰি যাব লগা হয়। কেতিয়াবা অকল পাত ছিঙাৰ ছিজিনত আহে আৰু অফ ছিজিন হ'লে গুছি যায়। এই ক্ষেত্রত আমি বাগিছাসমূহ কেনেকৈ ভালকৈ চলাব পাৰে সেইটো ভালদৰে চাব লাগিব। একাদশ বিত্ত আয়োগৰ পৰিকল্পনাত দাবী কৰা হৈছে যে- বাগিছাবিলাক যাতে

ভালকৈ চলে তাৰ বাবে আর্থিক সাহায্য আগবঢ়াবলৈ ব্যৱস্থা কৰিব লাগিব। মই অহাৰ পিছত কেবাখনো বাগিছাৰ সমস্যা সমাধান কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। টঙনা গাওঁত চাহ বাগিছাৰ সমস্যা সমাধান হৈছে। সোণাজুলি, চিচিঘাট, হাতীগৰা আদি বাগিছাৰ সমস্যা সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

★ **শ্ৰীৰাজু চাহু ঃ** মাননীয় অধ্যক্ষ মহাশয়, কিমান দিনৰ ভিতৰত এই ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহাশয়, চৰকাৰে চিন্তা-চৰ্চ্চা কৰি আছে। যিমান পৰা যায় সোনকালে ব্যৱস্থা লোৱা হব। এই বিষয়ত এখন বিল উত্থাপন কৰাৰ বিষয়ে বিবেচনা কৰি থকা হৈছে।

★ **শ্ৰীদ্ৰুপদ বুঢ়াগোহাঁই ঃ** মাননীয় অধ্যক্ষ মহাশয়, মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা এটা কথা জানিব বিচাৰিছো। তেখেতে কৈছে যে এই ছিজিনত এই সম্পৰ্কত এখন বিল উত্থাপন কৰা হ'ব। এই বিল উত্থাপন কৰোতে সকলোবিলাক চাহ বাগিছা সামৰি লবনে নাই ? নাজিৰা সমষ্টিৰ চৰাইদেউ চাহ বাগিছা এতিয়াও বন্ধ হৈ আছে আৰু ভৱিষ্যনিধিৰ বৰঙণি এতিয়াও জমা দিয়া নাই।

শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহাশয়, ভৱিষ্যনিধি দিয়া হোৱা নাই বুলি চৰকাৰ অৱগত। এই বিষয়ে নিশ্চয় এটা ব্যৱস্থা গ্ৰহণ কৰা হ'ব আৰু ভৱিষ্যনিধিৰ ধন দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

★ **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহাশয়, মই মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা জানিব বিচাৰিছো যে যিবিলাক ৰুগ্ন চাহ বাগিছা আছে সেই চাহ বাগিছাবিলাকৰ মালিকবিলাকৰ চৰকাৰৰ তৰফৰ পৰা কিবা ব্যৱস্থা হাতত লোৱা হৈছে নেকি ? মোৰ দ্বিতীয় কথা হৈছে যে ৰুগ্ন চাহ

★ Speech not corrected.

বাগিছাৰ মালিকবিলাকৰ শ্ৰমিকক সময়মতে বোনাচ আৰু অন্যান্য সা-সুবিধা দিয়াৰ পৰা বিৰত থাকে। আজি চাহ বাগিছাবিলাকৰ শ্ৰমিকসকলৰ যিটো অৱস্থা সেইটোৰ কাৰণে অকল মালিক পক্ষক দোষাৰোপ কৰিলেই নহ'ব। চৰকাৰৰ ফালৰ পৰাও কিবা ব্যৱস্থা হাতত লোৱা হৈছে নেকি? মই মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা এটা স্পষ্ট উত্তৰ বিচাৰিছো।

Mr. Speaker : Now, Starred Question No. 15, Hon'ble Member, Shri Rameswar Teli.

বিষয়ঃ FDR আঁচনিৰ টকা।

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছেঃ

★ ১৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০১ চনৰ পৰা ২০০৫ চনলৈকে FDR আঁচনিৰ অধীনত ডিব্ৰুগড় গড়কাপ্তানী সংমণ্ডলত কিমান টকা মঞ্জুৰী দিয়া হৈছে?

(খ) উক্ত টকা কোন কোন ৰাস্তা মেৰামতিৰ বাবে খৰছ কৰা হ'ল? (ৰাস্তাৰ বিপৰীতে কিমান টকা খৰছ হ'ল তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্ৰী) য়ে মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) ২০০১ চনৰ পৰা ২০০৫ চনলৈকে FDR আঁচনিৰ অধীনত ডিব্ৰুগড় গড়কাপ্তানী সংমণ্ডলত মুঠ ৫৫৮.৫১৬ লাখ টকা মঞ্জুৰী দিয়া হৈছিল। বিত্তীয় বৰ্ষ অনুযায়ী মঞ্জুৰীকৃত ধন "অনুবন্ধক-ক"ত দেখুওৱা হ'ল। (See Annexure-II)

(খ) উক্ত টকাৰে মেৰামতি কৰা ৰাস্তাসমূহ আৰু আঁচনিৰ বিপৰীতে জিলা উপায়ুক্তৰ কার্য্যালয়ত দাখিল কৰা বিলৰ পৰিমাণ "অনুবন্ধক-খ"ত দেখুওৱা হ'ল। (See Annexure-III)

★ **শ্রীৰামেশ্বৰ তেলী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিব্রুগড় জিলাৰ মোৰ সমষ্টিত ২০০১ চনৰ পৰা ২০০৫ চনলৈকে কম কাম হৈছে। মন্ত্রী মহোদয়ে জনাবনে এই ক্ষেত্রত কিবা ফাণ্ড দিছে নেকি ? ২০০৬ চনত যথেষ্ট টকা দিয়া হৈছে। কিন্তু মোৰ সমষ্টিত পোৱা নাই। গতিকে মই মন্ত্রী মহোদয়ক জনাইছো এফ. ডি. আৰ. আঁচনিৰ অধীনত মোৰ সমষ্টিত টকা দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

★ **শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চেন্ট্রেল স্কিমৰ যি ফাণ্ড আছে, তেওঁলোকৰ পৰা ধন আৱন্টন পোৱাৰ পিছতহে বিভাগে ব্যৱস্থা লয়। মাননীয় সদস্যই যিটো কথা উত্থাপন কৰিছে তেখেতৰ কথাটো নিশ্চয় চাম।

★ **শ্রীঅনুপ ফুকন** ঃ মাননীয় অধ্যক্ষ মহোদয়, জয়পুৰ পথটো এক কিলো মিটাৰৰ পৰা তিনি কিলোমিটাৰ পর্য্যন্ত বন্ধ হৈ আছে। ২০০৪ চনৰ চৰকাৰৰ এই ক্ষেত্রত আঁচনি আছে। আঁচনি আছে যদিও প্রকৃততে কাম হোৱা নাই। এই বিষয়ে মন্ত্রী মহোদয়াই জনাবনে ?

★ **শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আঁচনিৰ কামখিনি চালিজাৰি চোৱাৰ পিছতহে কাম আৰম্ভ কৰিবলৈ দিয়া হয়। মাননীয় সদস্যৰ যদি কোনো কাম আধৰুৱা হৈ আছে চোৱা হ'ব।

Mr. Speaker : Now, Starred Question No. 16, Hon'ble Member, Shri Mission Ranjan Das.

Sub: Insurgent Groups.

Shri Mission Ranjan Das asked:

★ 16. Will the Minister of Home & Political be pleased to state :

(a) What are the insurgent groups still active in Assam and how many members of these groups were killed in encounter/Apprehended during 2001-2005?

(b) Whether any discussion in any form is going on with any of these groups for the interest of peace and order in Assam? If so, with whom and what stage? (Please give it in detail)

Shri Rockybul Hussain (Minister of Environment and Forests etc.) replied on behalf of Hon'ble Home Minister :

(a) The following insurgent groups are active and including in the terrorist activities in the State of Assam.

(i) United Liberation Front of Asom. (ULFA)

(ii) Karbi Longri N. C. Hills Liberation

Front (KLNLF), the break-way faction of UPDS (under cease-fire).

(iii) Dima Halam Daogah (Jewel) (DHD-J), the break-way faction of DHD (under cease-fire).

(iv) United Liberation Front of Barak Valley (ULFBV).

(v) Harkat-Ul-Mujahideen (HUM).

(vi) Muslim United Liberation Tigers of Assam (MULTA).

(vii) Kuki Revolutionary Army (KRA)

(viii) Hmar Peoples Convention (Democratic) (HPC-D).

(ix) All Adivashi National Liberation Army (AANLA).

During the period from 1st January, 2001 to 31st December, 2005, all total 1047 militants of different insurgent groups died during encounters and 4557 militants of different militants groups were apprehended by the security forces in the State. Insurgent groupwise militants killed/apprehended are given below :

Militants Killed :

i)	ULFA	-	516
ii)	NDFB	-	370
iii)	UPDS	-	34
iv)	DHD	-	20
v)	HPC(D)	-	18
vi)	KRA	-	14
vii)	DHD(J)	-	2
viii)	Others	-	73
	Total	-	1047

Militants apprehended :

i)	ULFA	-	2884
ii)	NDFB	-	657
iii)	UPDS	-	100
iv)	KLNLF	-	46
v)	DHD	-	138
vi)	KRA	-	43
vii)	MULTA-		122
viii)	HUM	-	14
ix)	HPC (D)	-	49
x)	NSCN (IM&K)	-	135
xi)	DHD (J)-		8
xii)	Others	-	361
	Total	-	4557

(b) For the interest of peace and order in the State, three insurgent groups of the State have signed their suspension of operations with Government of India and Government of Assam. These three insurgent groups are :

i) United Peoples' Democratic Solidarity (UPDS)

ii) Dima Halam Daogah (DHD) and

iii) National Democratic Front of Bodoland (NDFB).

The UPDS and the DHD signed their suspension of operations with Government of India and Government of Assam on 1-8-2002 and 01-01-2003, while NDFB signed the suspension of operations on 01-06-2005. Another two insurgent groups of the State namely (i) Adivashi Cobra Militant of Assam (ACMA) and (ii) Adivashi Birsa Commando Force (ABCF) also signed the susupension of operations with Government of Assam on 01-07-2002 and 15-08-2004.

The negotiations between the leaders of these insurgent groups and the Government of India and Government of Assam are continuing.

Lastly, the major extremist outfit, namely, United Liberation Front of Asom (ULFA) has also shown their positive attitude for dialogue and for the purpose, the outfit formed a "Peoples Consultative Groups" (PCG) in September, 2005 to pave the way for discussion between the Government of India and ULFA. Three rounds of talks had already taken place between the PCG and the Government of India. The first meeting of PMO with PCG was attended by the Hon'ble Chief Minister of Assam.

★ **শ্রীমিশ্বন ৰঞ্জন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, তিনিটা উগ্রপন্থী সংগঠনৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা হাতত লব নেকি ? আলফাৰ লগত কেন্দ্রীয় চৰকাৰৰ আলোচনা হৈছিল যদি পিছত আৰু আলোচনা হোৱা নাই। এই বিষয়ে মন্ত্রী মহোদয়ে জনাবনে ?

★ **শ্রীৰকিবুল হুছেইন** (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে উগ্রপন্থী সংগঠনৰ বিষয়ে যিটো কথা উত্থাপন কৰিছে তাৰ উত্তৰত মই

★ Speech not corrected.

জনাওঁ যে যোৱা চৰকাৰৰ দিনত আলফাৰ লগত কেবাটাও আলোচনা হৈছে।

Mr. Speaker : Question Hour is over.

(Starred Question No. 17 to 20 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয়ঃ চাহ বাগিছা শ্রমিকৰ প্রাপ্য মজুৰি।

শ্রীকুশল দুৱৰীয়ে সুধিছেঃ

★ ১৭। মাননীয় চাহ জনগোষ্ঠী কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহকৰি জনাবনেঃ

(ক) চাহ জনগোষ্ঠীক জনজাতিকৰণ কৰিবৰ বাবে আটাছাই বহুদিনৰে পৰা দাবী উত্থাপন কৰি থকাটো সত্যনে? চৰকাৰৰ তৰফৰ পৰা এই ক্ষেত্রত কি ধনাত্মক পদক্ষেপ গ্রহণ কৰিছে?

(খ) চাহ শ্রমিকসকলক প্রাপ্য মজুৰিৰ পৰা বঞ্চিত কৰি অহা হৈছে বুলি সঘনে অভিযোগ উত্থাপিত হৈ আহিছে, চৰকাৰ অৱগতনে? থাওবা সমষ্টিৰ অন্তর্গত চাহ বাগিছাবিলাকত শ্রমিকসকলক দিনে ৫১.১০ টকাকৈ মজুৰি দিয়াটো সত্যনে?

(গ) শ্রমিকৰ মজুৰি ক্ষেত্রত থকা চৰকাৰী নীতি-নির্দ্দেশনা এই চাহ বাগিছাসমূহৰ কর্ত্তৃপক্ষই মানি চলিছেনে?

(ঘ) যদি মানি চলা নাই তাৰ বাবে চাহ বাগিছাসমূহৰ কৰ্ত্তৃপক্ষৰ বিৰুদ্ধে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব ?

শ্ৰীপৃথিৱী মাঝি (চাহ জনগোষ্ঠী কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰৰ তৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী বিভাগে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে।

(খ) হয়, অৱগত। ৫১.১০ টকা মজুৰি দিয়াটো সত্য।

(গ) হয়, মানি চলিছে।

(ঘ) 'গ' নং প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

বিষয়ঃ অঙ্গনবাদী কেন্দ্ৰৰ সংখ্যা।

শ্ৰীহিৰেন কুমাৰ দাসে সুধিছে ঃ

★ ১৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙ্গলদৈ বিধান সভা সমষ্টিত কিমানটা অঙ্গনবাদী কেন্দ্ৰ আছে? (পূৱ মঙ্গলদৈ উন্নয়ন খণ্ড আৰু পশ্চিম মঙ্গলদৈ উন্নয়ন খণ্ডৰ অন্তৰ্গত তালিকা সদনত দাখিল কৰিব)

(খ) ২০০৫-২০০৬ বৰ্ষত নতুনকৈ অঙ্গনবাদী কেন্দ্ৰ দিয়াৰ ব্যৱস্থা কৰিছে নেকি ? যদি কৰিছে কিমানটা ? (উন্নয়ন খণ্ড অনুযায়ী)

(গ) এই কেন্দ্ৰসমূহ বাছনি কাৰ দ্বাৰা হয় আৰু সহায়িকা আৰু কৰ্ম্মী সকলক কোনে নিযুক্তি দিয়ে ?

(ঘ) মঙ্গলদৈ সমষ্টিত এতিয়ালৈকে কিমানটা কেন্দ্ৰ নিৰ্মাণ সম্পূৰ্ণ হ'ল ? কিমানটাৰ নিৰ্মাণৰ কাম বাকী আছে? এই কেন্দ্ৰসমূহৰ নিৰ্মাণৰ কাম কাৰ দ্বাৰা কৰোৱা হৈছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) অঙ্গনবাদী কেন্দ্রসমূহ বিধানসভা সমষ্টি অনুযায়ী স্থাপন কৰা নহয়। পূব মঙ্গলদৈ উন্নয়ন খণ্ডৰ অন্তর্গত ১২৮ টা অঙ্গনবাদী কেন্দ্রৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (See Annexure- IV) পশ্চিম মঙ্গলদৈ উন্নয়ন খণ্ডৰ অধীনত ৭৩ টা কেন্দ্র স্থাপনৰ কাৰণে বিত্ত বিভাগৰ অনুমোদনৰ বাবে যোগাযোগ কৰি থকা হৈছে।

(খ) হয়, কৰা হৈছে। সর্বমুঠ ২৩ টা উন্নয়ন খণ্ডৰ বিপৰীতে ১৬৫৯টা অঙ্গনবাদী কেন্দ্র স্থাপনৰ বিবেচনা কৰি থকা হৈছে। উন্নয়ন খণ্ডৰ অনুযায়ী প্রত্যেকটা উন্নয়ন খণ্ডৰ বিপৰীতে অঙ্গনবাদী কেন্দ্রৰ সংখ্যাৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (See Annexure- V)

(গ) কেন্দ্রীয় চৰকাৰৰ নীতিৰ আধাৰত তথা ৰাজ্যিক চৰকাৰে প্রস্তুত কৰা বাচনি কমিটিৰ অনুমোদন মর্মে কেন্দ্রসমূহ বাচনি কৰা হয় আৰু কর্মী আৰু সহায়িকাসকলক চৰকাৰৰ বাচনি কমিটিৰ অনুমোদন মর্মে প্রকল্প বিষয়াই অন্তর্ভূক্ত কৰে।

(ঘ) মঙ্গলদৈ সমষ্টিত বর্ত্তমানলৈ ৪৯ টা অঙ্গনবাদী কেন্দ্রৰ নির্মাণৰ কাম সম্পূর্ণ কৰা হৈছে আৰু ২৫ টা কেন্দ্রৰ নির্মাণৰ কাম চলি আছে। এই কেন্দ্রসমূহৰ গৃহ নির্মাণৰ কাম প্রথম পর্য্যায়ত হাউচফেদৰ দ্বাৰা নির্মাণ কৰা হৈছিল। পৰৱর্ত্তী পর্য্যায়ত চৰকাৰে গৃহীত নীতি আৰু সিদ্ধান্ত অনুযায়ী সমাজ কল্যাণ বিভাগৰ প্রতিস্থিত অভিযান্ত্রিক কোষৰ জড়িয়তে স্বীকৃতিপ্রাপ্ত ঠিকাদাৰৰ দ্বাৰা নির্মাণৰ কাম কৰা হয়।

ঠিকাদাৰৰ নামসমূহ যথাক্ৰমে উল্লেখ কৰা হ'ল –

১) শ্ৰীদীপক ডেকা,

২) শ্ৰীশৈলেন কুমাৰ শৰ্মা,

৩) শ্ৰীভূপেন ডেকা,

৪) শ্ৰীনৃপেন দাস আৰু

৫) শ্ৰীমিন্টু দাস।

বিষয়ঃ অসংগঠিত শ্ৰমিক।

শ্ৰীউদ্ধৱ বৰ্মনে সুধিছেঃ

★ ১৯। মাননীয় শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই কথা সঁচানে যে অসমত দ্ৰুতগতিত অসংগঠিত শ্ৰমিকৰ সংখ্যা বৃদ্ধি পাইছে আৰু তেওঁলোকৰ ওপৰত অত্যাচাৰ, উৎপীড়ন বাঢ়িছে?

(খ) যদি কথাটো সঁচা হয়, তেনেহ'লে কিবোৰ কাৰকৰ বাবে এই সংখ্যা বৃদ্ধি পাইছে?

(গ) এইসকল অসংগঠিত শ্ৰমিকৰ অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰে কি ধৰণৰ আইনগত ব্যৱস্থা লৈছে?

শ্ৰীপৃথিৱী মাঝি (শ্ৰম ও নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অৱগত নহয়।

(খ) ওপৰৰ প্ৰশ্নোত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্নই নুঠে।

(গ) এইসকল অসংগঠিত শ্ৰমিকৰ অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে নিম্নলিখিত আইনগত ব্যৱস্থাসমূহ বৰ্ত্তমান প্ৰচলিত হৈ আছে।

(১) সূচীভূক্ত নিয়োগৰ ক্ষেত্ৰত ন্যুনতম্ মজুৰি কৰ্ম সময় আদি নিশ্চিত কৰিবৰ বাবে The Minimum Wages Act, 1948 আছে।

(২) নিয়োগকৰ্ত্তাৰ পৰা সময়মতে প্ৰয়োজনীয় মজুৰি আদায় পাবলৈ আৰু মজুৰিৰ পৰা অকত্তৃত্বশীল কৰ্ত্তন ৰোধ কৰিবৰ বাবে The Payment of Wages Act, 1936 আছে।

(৩) ঠিকাদাৰৰ অধীনত অসংগঠিত ঠিকা শ্ৰমিকসকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে The Contract Labour (R&A), 1970 আছে।

(৪) ইটা ভাটা, শিল ভঙা আৰু অন্যান্য কামত নিয়োজিত বহিঃ ৰাজ্যৰ পৰা অহা অসংগঠিত শ্ৰমিকসকলৰ বাবে The Minimum Wages Act, 1948 আৰু The Inter-State Migrant Workmen (Regulation of Employment & Conditions of Service) Act, 1979 আছে।

ওপৰত উল্লেখিত আইনসমূহৰ অধীনত থকা বাধ্যতামূলক সা-সুবিধাবোৰ অসংগঠিত শ্ৰমিকসকলক উপভোগ কৰিবলৈ দিয়াত সহায় কৰিবলৈ শ্ৰমায়ুক্তক তেওঁৰ তলতীয়া ক্ষেত্ৰীয় বিষয়াবৰ্গই সংশ্লিষ্ট শ্ৰম আইনৰ অধীনত পৰিদৰ্শন আৰু পৰিস্থিতি সাপেক্ষে শুধৰণিৰ বাবে নিৰ্দ্দেশনা জাৰি কৰে। এই ক্ষেত্ৰত সুফল নাপালে আইন ভংগকাৰী নিয়োগকৰ্ত্তাৰ বিৰুদ্ধে সংশ্লিষ্ট আইনৰ ধাৰামতে আদালতত গোচৰ ৰুজু কৰা হয়।

বিষয়ঃ কলঘৰৰ পঞ্জীয়ন।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছেঃ

★ ২০। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) তিনিচুকীয়া জিলাত থকা টিফুক চাহবাগিছাত কলঘৰ (Factory) আছেনে?

(খ) যদি আছে, উক্ত কলঘৰটো (Factory) পঞ্জীয়ন কেতিয়া হৈছে আৰু পঞ্জীয়ন নং কিমান?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) তিনিচুকীয়া জিলাত টিফুক চাহ বাগিছাত কলঘৰ আছে।

(খ) উক্ত কলঘৰটো ১১/১১/১৯৫০ চনত পঞ্জীয়ন কৰা হৈছিল আৰু ইয়াৰ বর্ত্তমান পঞ্জীয়ন নং টি. এচ. কে/৩৫।

UNSTARRED QUESTIONS AND ANSWERS

বিষয়ঃ ঢেকিয়াজুলি আৰু ৰঙাপাৰা সমষ্টিৰ সংযোগী পথৰ দলং।

শ্রীযোচেফ টপ্পই সুধিছেঃ

১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) গাভৰুনদীৰ ওপৰত নির্মাণ হৈ থকা মিছামাৰীৰ ওচৰত ঢেকিয়াজুলি আৰু ৰঙাপাৰা সমষ্টিৰ সংযোগী পথৰ দলঙৰ সম্পর্কত কি আঁচনি

গ্রহণ কৰিছে তাৰ নাম আৰু টকাৰ পৰিমাণ জনাবনে? (বিতং তথ্য সদনৰ মেজত দিব)

(খ) উক্ত দলং কিমান বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) নাবার্ডৰ আৰ. আই. ডি. এফ.-VIIIৰ (নির্মীয়মান) অধীনত উক্ত দলঙৰ নির্মাণ কার্য্যৰ আঁচনি গ্রহণ কৰা হৈছে আৰু ৩৫০.৫২৪৮১ লাখৰ প্রশাসনিক অনুমোদন লাভ কৰা হৈছে।

(খ) উক্ত দলঙৰ নির্মাণ কার্য্য ২০০৭ চনৰ এপ্রিল মাহৰ ভিতৰত সম্পূর্ণ হ'ব।

বিষয়ঃ দলং নির্মাণ।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শদিয়া-চৈখোৱাক সংযোগ কৰি ব্রহ্মপুত্রৰ ওপৰত দলং নির্মাণৰ বাবে চৰকাৰে অনুমোদন জনাইছে নেকি?

(খ) যদি অনুমোদন জনাইছে কাম-কাজৰ অগ্রগতি কিমান হৈছে?

(গ) উক্ত দলং নির্মাণৰ বাবে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ অংশ কিমান?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) জনোৱা নাই।

(খ) প্রযোজ্য নহয়।

(গ) প্রযোজ্য নহয়।

Sub: Amount of interim compensation.

Shri Anwarul Haque asked:

3. Will the Chief Minister be pleased to state :

(a) Whether the award for interim compensation passed by Assam Human Rights Commission dated 5.6.2003 in it's A.H.R.C. case No. 3571/2001 and 3782/2002 is complied with?

(b) If not, whether the Government will obey the orders of the A.H.R.C. and how much further time the Government will take to make the payments?

Shri Tarun Gogoi (Chief Minister) replied :

(a) Yes, complied with.

(b) Does not arise.

বিষয়ঃ পকী পথ আঁচনি।

শ্রীসুনীল দত্তই সুধিছেঃ

৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) মুখ্যমন্ত্রী পকী পথ নির্মাণ অভিযান লামডিং সমষ্টিৰ অন্তর্গত পথ (I) NH-54 ৰ পৰা শাস্ত্রী গাওঁ 2.5 Km., (II) লামডিং ৰেলৱে ষ্টেচনৰ পৰা দক্ষিণ লামডিং 2.5 Km. এই দুই ৰাস্তাৰ বাবে ব্যৱহাৰ কৰা Granular Sub-Base (G.S.B.) কোন Quarry Approve কৰিছে?

(খ) এই দুটা কামৰ Working Estimateৰ Long Section and Cross Sectionখন diagramসহ সদনৰ মেজত দাখিল কৰিবনে?

(গ) এই দুটা ৰাস্তাৰ কাম Estimate/Working Estimateৰ মতে হৈছেনে?

(ঘ) এই দুই ৰাস্তাৰ বাবে কোন কোন Item কিমান Quantity ব্যৱহাৰ কৰা হৈছে আৰু তাৰ বিপৰীতে কিমান Payment, Abstract মতে কৰা হৈছে? (দুয়োটা ৰাস্তাৰ বেলেগে বেলেগে দেখুৱাব)

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) উক্ত পথ দুটিৰ নির্মাণৰ বাবে ব্যৱহাৰ কৰা G.S.B.ৰ Approve Quarry টোৰ নাম হৈছে "কাফিটোলী কুৱাৰী"।

(খ) এই দুটা কামৰ প্রাক্কলনৰ Long Section and Cross Section বোৰ অনুবদ্ধ 'ক' সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-VI)

(গ) এই দুটা ৰাস্তাৰ কাম অনুমোদিত প্রাক্কলনৰ মতেই অধিকাংশ কৰা হৈছে। কামৰ স্থান বিশেষত উদ্ভৱ হোৱা এৰাব নোৱাৰা প্রয়োজন মতে কিছু সালসলনি কৰিবলগীয়া হৈছে।

(ঘ) বিতং তথ্য অনুবদ্ধ 'খ'ত সংলগ্ন কৰা হ'ল। (See Annexure-VIA)

বিষয়ঃ চিৰাং জিলাত আৰক্ষী সেৱা।

শ্ৰীকমলসিং নাৰ্জাৰীয়ে সুধিছে ঃ

৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চিৰাং জিলাত আৰক্ষী থানা আৰু উপ-আৰক্ষী চকীসমূহত আন্তঃ গাঠনি আৰু প্ৰয়োজনীয় আৰক্ষী বিষয়া কনিষ্টবলৰ অভাৱত জিলাখনৰ ৰাইজে সন্মুখীন হোৱা সমস্যাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, জিলাখনত বৰ্ত্তমান কিমানখন আৰক্ষী থানা আৰু উপ-আৰক্ষী চকীৰ ভৱন আৰু আৰক্ষী নোহোৱাকৈ চলি আছে ?

(গ) জিলাখনত নতুনকৈ আৰক্ষী থানা আৰু উপ-আৰক্ষী চকী স্থাপনৰ বিষয়ে চৰকাৰে কিবা ব্যৱস্থা কৰিছে নেকি ? যদি কৰিছে, এই সমূহ কিমান দিনৰ ভিতৰত কাৰ্য্যক্ষম হ'ব ?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰীৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) মুঠ ছখন (৬), উপ-আৰক্ষী চকীৰ দুই (২) খনত ভৱন নাই। পদৰ সৃষ্টি নোহোৱাৰ কাৰণে আৰক্ষী দিব পৰা হোৱা নাই।

(গ) চিৰাং জিলাকে ধৰি সমগ্ৰ বি.টি.এ.ডি. অঞ্চলত আৰক্ষী থানা, আৰক্ষী চকীৰ ক্ষেত্ৰত আৰক্ষী বাহিনীৰ পুনৰ গঠন আৰু তাত পদৰ অনুমোদন চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু এই ক্ষেত্ৰত শীঘ্ৰে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

Sub: Establishment of BOP.

Shri Kartik Sena Sinha asked:

6. Will the Minister of Home be pleased to state :

(a) Whether the Government is aware that on 8.6.2006 at about 9.25 P.M. Shri Milan Chakraborty, Head Teacher of 131 No. Longai Forest Reserve J.B. School of Karimganj District was kidnapped by underground militant?

(b) Whether the Government is well prepared to protect the citizens specially in the Inter State Border with Mizoram and Tripura State at Balipipla under Longai Reserve and Patharkandi Police Station of Karimganj District?

(c) Whether the Government is planning to establish BOP at Balipipla/Pipla Cherra/Dewali of Assam Border with Tripura (Dhamcherra area) in order to kick out the underground Militant groups who are gradually building up

camps at Balipipla and Jerjeri G.P. Forest areas?

(d) Whether the Government will establish anti-Militancy operation forece for inter state border areas of Balipipla and Jerjeri G.P. areas?

Shri Rockybul Hussain (Minister of Environment and Forest etc.) replied on behalf of Hon'ble Home Minister :

(a) Yes, Government is aware that on 8.6.2006 at about 9-25 P.M. Shri Milan Chakraborty, Head Teacher of 131 No. Longai Forest Reserve J.B. School under Patharkandi P. S. of Karimganj District was kidnapped by the suspected cadres or Bru Liberation Front of Mizoram (BLFM) as it transpired during investigation.

(b) At the initiative of the Karimganj District Police a BOP is at an advanced stage of construction at Medhicherra under Border Area Department (BAD) Scheme which will cover the inter-state

Border with Mizoram and Tripura near Balipipla under Logai Reserve of Patharkandi P. S., District Karimganj as it is located very strategically at the trijunction of the three States. Although poor State of surface communication and shortage of Armed force impedes police work, the Assam Police is were prepared to protect the citizens residing in inter-state border with Mizoram and Tripura under Patharkandi P. S.

(c) There is no proposal at present.

(d) No decision has been taken so far.

বিষয়ঃ মুকবধি বিদ্যালয়ৰ ছাত্ৰ সংখ্যা।

শ্ৰীৰাণা গোস্বামীয়ে সুধিছেঃ

৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যোৰহাটত থকা চৰকাৰী মুকবধিৰ বিদ্যালয়ত বৰ্ত্তমান কিমান গৰাকী ছাত্ৰ-ছাত্ৰী আছে?

(খ) ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে শিক্ষক কিমানজন আছে?

(গ) উক্ত বিদ্যালয়ত কিমানকেইজন চাকৰিয়াল আছে, তেখেতসকল স্থায়ী চাকৰিয়াল হয়নে? যদি হয়, স্থায়ী চাকৰিয়াল কেইজনৰ

নাম দাখিল কৰিবনে? অন্যান্য চাকৰিয়াল কিমানজন আছে?

(ঘ) ভৱিষ্যতে বিদ্যালয়খনৰ উন্নয়নৰ বাবে কিবা আঁচনি লোৱা হৈছে নেকি?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বর্ত্তমান ৬০ গৰাকী ছাত্র-ছাত্রী আছে।

(খ) ৮ জন শিক্ষক আছে।

(গ) নহয়। স্থায়ী চাকৰিয়াল এজনো নাই।

(ঘ) হয়, বিশেষকৈ বিদ্যালয়খনৰ চাকৰিয়ালখিনিৰ পদবীসমূহ নিয়মীয়া চাকৰিয়ালৰ মর্য্যদা দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে।

Sub: Construction of N.H. No. 152.

Shri Thaneswar Basumatary asked:

8. Will the Minister of PWD be pleased to state :

(a) What is the progress of work of No.152 National Highway which started from Pathsala to Nanglam Bhutan via Baghmara?

(b) Whether the works have been stopped and if so, state the reasons?

(c) When the work of the road will be completed for the public use?

Smti. Ajanta Neog (Minister, Social Welfare and Jail) replied on behalf of Hon'ble Chief

Minister Shri Tarun Gogoi :

(a) Out of total length of 38.00 Km. of NH 152.00 Km. to 2.150 Km. has already been constructed as double lane the year 2003. For construction of the remaining Kms. as double lane from 2.150 Km. to 30.121 Km. (excluding the 7.88 Km. of road length that falls under Forest land). DPR has been submitted to the MOSRT&H New Delhi under SARDP.NE (Phase-'A') and approval is awaited.

(b) Does not arise as the sanction under SARDP-NE (Phase-'A') is yet to come from the Ministry.

(c) As per the SARDP-NE scheme the target year for the completion is 2007. Till date no organisation has been engaged in construction of work as approval of the DPR is yet to be received from the Ministry of Shipping Road Transport & Highway, Government of India, New Delhi.

বিষয়ঃ কাঠৰ দলং মেৰামতি।

শ্রীপ্রশান্ত কুমাৰ বৰুৱাই সুধিছেঃ

৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০৬-০৭ চনৰ Assam State Road Board আঁচনিৰ জড়িয়তে ধুবুৰী জিলাত পূৱ-বিলাসীপাৰা সমষ্টি আৰু গৌৰীপুৰ সমষ্টিৰ B.T.A.D.অন্তর্গত এলেকাত যোৱা অসম বিধান সভাৰ নির্বাচনৰ আগে আগে কিমানখন কাঠৰ দলং মেৰামতিৰ বাবে ব্যৱস্থা কৰা হৈছিল? (সমষ্টিভিত্তিত দলঙৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) উল্লেখিত সমষ্টি দুটাৰ কিমানখন দলং মেৰামতি কৰা হ'ল? যদি হোৱা নাই কেতিয়া হ'ব? (তালিকাসহ সদনৰ মেজত দাখিল কৰিব)

(গ) উক্ত সমষ্টি দুটাৰ দলং মেৰামতিৰ বাবে কোন কোন ঠিকাদাৰক কামৰ আৱন্টন দিয়া হৈছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) অসম বিধান সভা নির্বাচনৰ আগে আগে পূৱ বিলাসীপাৰা সমষ্টিত B.T.A.D. এলেকাত কোনো দলং মেৰামতিৰ কাম হোৱা নাই। কিন্তু গৌৰীপুৰ সমষ্টিত B.T.A.D. এলেকাত ২৫ খন কাঠৰ দলঙৰ মেৰামতিৰ কাম কৰা হয়। (তালিকা অনুবদ্ধ 'ক'ত দেখুওৱা হ'ল) (See Annexure-VI B)

(খ) পূৱ বিলাসীপাৰা সমষ্টিত এলেকাৰ বাহিৰত ৭ (সাত)খন দলং মেৰামতি কৰা হয় আৰু গৌৰীপুৰ সমষ্টিত ১৪ (চৈধ্য) খন দলং B.T.A.D. এলেকাৰ বাহিৰত মেৰামতি কৰা হ'ল। (তালিকা অনুবদ্ধ-'খ'ত দেখুওৱা হ'ল) (See Annexure-VII)

(গ) ঠিকাদাৰৰ নামৰ তালিকা অনুবদ্ধ 'খ'ত দেখুওৱা হ'ল। (See Annexure-VII)

বিষয়ঃ আৰ. চি. চি. দলং।

শ্ৰীবডৰুদ্দিন আজমলে সুধিছেঃ

১০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দক্ষিণ শালমাৰা আৰু জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত আইৰকটা আৰু নিদানপুৰ সংলগ্ন জিঞ্জিৰাম নদীৰ ওপৰত অৱস্থিত RCC দলঙৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) ১৯৯৫ চনৰ পৰা উক্ত RCC দলংখনৰ দুয়োমূৰৰ সংলগ্ন Approach Road বানপানীত ক্ষতিগ্ৰস্ত হৈ বৰ্ত্তমানে ৰাইজৰ যাতায়তৰ ব্যৱস্থাৰ অযোগ্য হৈ থকা দলংখন ব্যৱহাৰৰ যোগ্য কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্ৰী) য়ে মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) বৰ্ত্তমানলৈকে পুঁজিৰ নাটনিৰ বাবে কোনো আঁচনিৰ অন্তৰ্ভূক্ত নোহোৱাত এই ক্ষতিগ্ৰস্ত পথৰ মেৰামতি কৰিব পৰা হোৱা নাই।

বিষয়ঃ কাঠৰ দলং মেৰামতি।

শ্রীপ্রশান্ত কুমাৰ বৰুৱাই সুধিছেঃ

৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০৬-০৭ চনৰ Assam State Road Board আঁচনিৰ জড়িয়তে ধুবুৰী জিলাত পূৱ-বিলাসীপাৰা সমষ্টি আৰু গৌৰীপুৰ সমষ্টিৰ B.T.A.D.অন্তর্গত এলেকাত যোৱা অসম বিধান সভাৰ নির্বাচনৰ আগে আগে কিমানখন কাঠৰ দলং মেৰামতিৰ বাবে ব্যৱস্থা কৰা হৈছিল? (সমষ্টিভিত্তিত দলঙৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) উল্লেখিত সমষ্টি দুটাৰ কিমানখন দলং মেৰামতি কৰা হ'ল? যদি হোৱা নাই কেতিয়া হ'ব? (তালিকাসহ সদনৰ মেজত দাখিল কৰিব)

(গ) উক্ত সমষ্টি দুটাৰ দলং মেৰামতিৰ বাবে কোন কোন ঠিকাদাৰক কামৰ আৱন্টন দিয়া হৈছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) অসম বিধান সভা নির্বাচনৰ আগে আগে পূৱ বিলাসীপাৰা সমষ্টিত B.T.A.D. এলেকাত কোনো দলং মেৰামতিৰ কাম হোৱা নাই। কিন্তু গৌৰীপুৰ সমষ্টিত B.T.A.D. এলেকাত ২৫ খন কাঠৰ দলঙৰ মেৰামতিৰ কাম কৰা হয়। (তালিকা অনুবদ্ধ 'ক'ত দেখুওৱা হ'ল) (See Annexure-VI B)

(খ) পূৱ বিলাসীপাৰা সমষ্টিত এলেকাৰ বাহিৰত ৭ (সাত)খন দলং মেৰামতি কৰা হয় আৰু গৌৰীপুৰ সমষ্টিত ১৪ (চৈধ্য) খন দলং B.T.A.D. এলেকাৰ বাহিৰত মেৰামতি কৰা হ'ল। (তালিকা অনুবদ্ধ-'খ'ত দেখুওৱা হ'ল) (See Annexure-VII)

(গ) ঠিকাদাৰৰ নামৰ তালিকা অনুবদ্ধ 'খ'ত দেখুওৱা হ'ল। (See Annexure-VII)

বিষয়ঃ আৰ. চি. চি. দলং।

শ্রীবডৰুদ্দিন আজমলে সুধিছেঃ

১০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) দক্ষিণ শালমাৰা আৰু জলেশ্বৰ সমষ্টিৰ অন্তর্গত আইৰকটা আৰু নিদানপুৰ সংলগ্ন জিঞ্জিৰাম নদীৰ ওপৰত অৱস্থিত RCC দলঙৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) ১৯৯৫ চনৰ পৰা উক্ত RCC দলংখনৰ দুয়োমূৰৰ সংলগ্ন Approach Road বানপানীত ক্ষতিগ্রস্ত হৈ বর্ত্তমানে ৰাইজৰ যাতায়তৰ ব্যৱস্থাৰ অযোগ্য হৈ থকা দলংখন ব্যৱহাৰৰ যোগ্য কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) বর্ত্তমানলৈকে পুঁজিৰ নাটনিৰ বাবে কোনো আঁচনিৰ অন্তর্ভূক্ত নোহোৱাত এই ক্ষতিগ্রস্ত পথৰ মেৰামতি কৰিব পৰা হোৱা নাই।

বিষয়ঃ অঙ্গনবাদী কৰ্ম্মীৰ পাৰিতোষিক।

শ্ৰীকেশৱ মহন্তই সুধিছেঃ

১১। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত অঙ্গনবাদী কৰ্ম্মী আৰু সহায়িকা পদত নিযুক্তি পোৱা সকলক উচ্চ ন্যায়ালয়ে পাৰিতোষিক দিয়াৰ নিৰ্দ্দেশ দিয়া স্বত্তেও বৰ্ত্তমানলৈকে চৰকাৰে পাৰিতোষিক মুকলি কৰি নিদিয়াৰ কাৰণ কি?

(খ) কিমান দিনৰ ভিতৰত এই পাৰিতোষিক মুকলি কৰি দিব?

(গ) কলিয়াবৰ উন্নয়ন খণ্ড আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ অধীনত মুঠ কিমানখন অঙ্গনবাদী কেন্দ্ৰ আছে? (বিতংকৈ নামসহ সদনৰ মেজত দাখিল কৰিব)

(ঘ) এই কেন্দ্ৰসমূহৰ কোনকেইটা কেন্দ্ৰৰ গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বাকী থকা কেন্দ্ৰসমূহ কেতিয়া সম্পূৰ্ণ হ'ব?

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) আৰু (খ) যিসকল অঙ্গনবাদী কৰ্ম্মী আৰু সহায়িকা পশ্চিম কলিয়াবৰ প্ৰকল্পৰ অধীনৰ কেন্দ্ৰসমূহৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত পৰে তেওঁলোকক মহামান্য উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দ্দেশ অনুযায়ী পাৰিতোষিক দিয়া হৈছে।

(গ) কলিয়াবৰ উন্নয়ন খণ্ডত ২০২ টা আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডত ১১৯ টা অঙ্গনবাদী কেন্দ্ৰ আছে। তালিকা গাঁঠি দিয়া হ'ল।

(See Annexure-VIII)

(ঘ) এই পর্য্যন্ত যথাক্রমে ৩৯টা কলিয়াবৰ আৰু ১৬টা পশ্চিম কলিয়াবৰৰ কেন্দ্রৰ গৃহ নির্মাণৰ কাম সম্পূর্ণ হৈছে আৰু নির্দ্দিষ্ট কোন কোন ঠাইত কেন্দ্রসমূহ নির্মাণ হৈছে তাৰ তথ্য বিচৰা হৈছে। বাকী থকা ১৬৩ টা কলিয়াবৰত আৰু ১০৩ টা পশ্চিম কলিয়াবৰত গৃহ নির্মাণৰ কাম পর্য্যায়ক্রমে হাতত লোৱা হ'ব।

বিষয়ঃ দৰমহা আয়োগ গঠন।

শ্রীঅনন্ত ডেকাই সুধিছেঃ

১২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কেন্দ্রীয় চৰকাৰৰ আৰ্হিত ৰাজ্যিক চৰকাৰৰ কর্মচাৰীৰ দৰমহা, ভাট্টা আদি নির্দ্ধাৰণৰ বাবে চৰকাৰে দৰমহা আয়োগ গঠন কৰিবনে?

(খ) যদি কৰে, বর্ত্তমান বছৰত উক্ত দৰমহা আয়োগ গঠন কৰা হ'বনে?

(গ) ৰাজ্যিক কর্মচাৰীসকলৰ বদলিকৰণৰ ক্ষেত্রত সুনির্দ্দিষ্ট নীতি আছেনে? এই নীতি কার্য্যকৰী হৈ আছেনে?

শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) দৰমহা আয়োগ গঠন কৰাৰ কোনো সিদ্ধান্ত এতিয়ালৈ লোৱা হোৱা নাই।

(খ) প্রশ্ন নুঠে।

(গ) আছে। এই নীতি কার্য্যকৰী হৈ আছে।

বিষয়ঃ তহলদাৰী পুলিচ চকী।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছেঃ

১৩। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত বালাপাৰাত এখন তহলদাৰী পুলিচ চকী (Petroling Post) আছিলনে?

(খ) চৰকাৰে এই পুলিচ চকীটো হঠাৎ উঠাই দিয়াৰ কাৰণ কি? চৰকাৰে এই পুলিচ চকীটোৰ ক্ষেত্ৰত কিবা বিকল্প ব্যৱস্থা লৈছেনে?

শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) বালাপাৰাত কোনো অনুমোদিত তহলদাৰী পুলিচ চকী নাছিল।

(খ) পৰিস্থিতি সাপেক্ষে তাত এটা অনানুষ্ঠানিক তহলদাৰী পুলিচ চকী চলি আছিল। সেইটো ১৯৯৭ চনতে বন্ধ কৰি দিয়া হয়। কাৰণ সেই তহলদাৰী পুলিচ চকীৰ বাবে কোনো অনুমোদিত কৰ্মচাৰী নাছিল আৰু সেই অঞ্চলত আইন-শৃঙ্খলা তথা পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সৰ্থেবাৰীত এটা নতুন পুলিচ থানা অনুমোদিত কৰা হৈছিল।

বিষয়: R.O.B. নিৰ্মাণ কাৰ্য্য।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে:

১৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বঙাইগাওঁ R.O.B.ৰ নিৰ্মাণ কাৰ্য্য এতিয়ালৈ কিমান শতাংশ সম্পূৰ্ণ হ'ল?

(খ) উক্ত R.O.B.ৰ ঠিকাদাৰজনক টকা মোকলাই নিদিয়াৰ বাবেই ঠিকাদাৰগৰাকীয়ে R.O.B.ৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ নকৰা কথাটো সঁচানে? (ঠিকাদাৰজনক এতিয়ালৈকে কোন কোন চনত কিমান টকা মোকলাই দিছে তাৰ তথ্য সদনৰ মেজত দাখিল কৰিব)

(গ) যদি সঁচা হয়, অতি সোনকালে ঠিকাদাৰক টকা মোকলাই দি R.O.B.ৰ নির্মাণ কার্য্য সম্পূর্ণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) বঙাইগাওঁ R.O.B.ৰ নির্মাণ কার্য্য এতিয়ালৈ ৮৩.৫% শতাংশ সম্পূর্ণ হৈছে।

(খ) সঁচা।

ঠিকাদাৰজনক এতিয়ালৈ কোন কোন চনত কিমান টকা মোকলাই দিয়া হৈছে তাৰ বিৱৰণ তলত দিয়া হ'ল—

২০০০ চনত	=	১,১৪,৭৮,৮০০.০০ টকা
২০০২ চনত	=	১,১৮,৭১,২০০.০০ টকা
২০০৩ চনত	=	৩০,৮৭,০০০.০০ টকা
২০০৪ চনত	=	১৬,০৫,০০০.০০ টকা
মুঠ	=	২,৮০,৪২,০০০.০০ টকা

(গ) অসম চৰকাৰ আৰু ৰেল বিভাগৰ পৰা অনুমোদন পোৱাৰ লগে লগে R.O.B.ৰ নির্মাণ কার্য্য সম্পূর্ণ কৰাৰ ব্যৱস্থা কৰা হ'ব।

Sub: Improvement of State Highway.

Shri Drupad Borgohain asked:

15. Will the Minister of PWD be pleased to state :

(a) What is the difficulty faced by the Government to improve the State Highway

Dhodar Ali as a whole from Kamargaon to Joypore which is in very bad shape in several parts?

(b) What steps have taken to eradicate such difficulty?

(c) Have the Government proposed to the Union Government to convert into National Highway? If so, what was the reply of the Union Government?

(d) Whether improvement of this Road from Chelenghat to Tengapukhuri has been taken by the Department ?

Smti. Ajanta Neog (Minister, Social Welfare and Jail) replied on behalf of Hon'ble Chief Minister Shri Tarun Gogoi :

(a) Fund constraint. The length of Dhodar Ali is 212 Km. To improve entire length at a time will required huge amount which is not possible on the part of the State Government. However, 100 Km. in different stretches has been improved under NEC's plan.

(b) The proposal for balance portion for

Rs. 99.35 Crore was submitted under NEC's 10th Plan. But it is not yet been sanctioned.

(c) No. Does not arise.

(d) Proposed under NEC's 11th programme. Damaged portion 95th Km. to 104 Km. has been taken up under ASRB maintenance plan for Rs. 40.21 Lakhs. Another damaged portion from Simaluguri to Tengapukhuri taken up under annual repair and work is in progress.

বিষয়ঃ পুলিচ বিষয়াৰ পৰিচয়।

ডাঃ কমলাকান্ত কলিতাই সুধিছেঃ

১৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ছয়গাওঁ পুলিচ চক্রৰ পৰিদর্শকজনৰ (C.I. Chaygaon) নাম শ্রীনৰকান্ত বৰুৱা হয়নে?

(খ) নৰকান্ত বৰুৱা কিমান বছৰ ছয়গাওঁ থানা আৰু চক্রত Sub-Inspector হিচাবে আৰু Inspector হিচাবে কার্য্যনির্বাহ কৰি আছে?

(গ) শ্রীনৰকান্ত বৰুৱাৰ স্থায়ী ঘৰৰ ঠিকনা আৰু বর্ত্তমান নিজা ঘৰৰ ঠিকনা কি?

(ঘ) তেওঁ কোন সমষ্টিৰ বর্ত্তমান ভোটাৰ?

শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) শ্রীনৱকান্ত বৰুৱা ছয়গাওঁ থানা আৰু চক্রত উপ-পৰিদর্শক আৰু পৰিদর্শক হিচাবে কার্য্যনির্বাহ কৰা সময়ৰ খতিয়ান তলত দিয়া হ'ল—

(১) জলচিমলো OP incharge SI ১২/১২/৯৭ৰ পৰা ২৫/৫/৯৮ = ৫ মাহ ১৫ দিন।

(২) ছয়গাওঁ থানা O/C ৮/১২/৯৯ৰ পৰা ২১/৫/২০০১ = ১ বছৰ ৫ মাহ ১৫ দিন।

(৩) গৰৈমাৰী OP incharge SI ২১/৫/২০০১ৰ পৰা ১৯/৪/২০০২ = ১১ মাহ।

(৪) (i) ছয়গাওঁ থানা O/C ২০/৪/২০০২ৰ পৰা১৫/৬/২০০৪ = ২বছৰ ১ মাহ ২৬ দিন।

(ii) ছয়গাওঁ থানা O/C ২য় বাৰ ২১/৭/২০০৪ৰ পৰা ২৯/৮/২০০৫ = ১বছৰ ১ মাহ ১০দিন।

(৫) চক্র পৰিদর্শক ছয়গাওঁ হিচাবে ২০/১০/২০০৫ৰ পৰা বর্ত্তমানলৈ = ৮ মাহ ২০ দিন (৯/৭/২০০৬ লৈকে)

(গ) শ্রীনৱকান্ত বৰুৱাৰ স্থায়ী ঠিকনা ঃ

পিতা ঃ শ্রীকৃষ্ণকান্ত বৰুৱা
গাওঁ ঃ ছকীয়াল গাওঁ
পোঃ ডেৰগাওঁ,
থানা ঃ ডেৰগাওঁ
জিলা ঃ গোলাঘাট (অসম)

বর্ত্তমান নিজা ঘৰৰ ঠিকনা ওপৰত দেখুওৱা ধৰণে।

(ঘ) শ্রীনৱকান্ত বৰুৱা বর্ত্তমান পলাশবাৰী সমষ্টিৰ ভোটাৰ।

বিষয়ঃ পথ উন্নতকৰণ।

শ্রীবিনোদ গোৱালাই সুধিছেঃ

১৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বৰপথাৰৰ পৰা উৰিয়ামঘাট হৈ ঘোলাপানী (মুচাঘাট) ONGC খাদলৈ যোৱা গড়কাপ্তানী পথটো ONGCৰ ৩০/৪০ টন ওজনৰ গাড়ী যোৱাৰ কাৰণে জৰাজীর্ণ হৈ ৰাইজৰ তথা যান-বাহন চলাৰ বাবে অনুপযোগী হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে ONGCৰ ৩০/৪০ টন ওজনৰ গাড়ী চলাচল কৰিব পৰাকৈ বাধ্যতামূলক ভাৱে উক্ত পথ নির্মাণৰ ব্যৱস্থা কৰিবনে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) তেল আৰু প্রাকৃতিক গেছ আয়োগৰ উর্দ্ধতম কর্ত্তৃপক্ষলৈ উক্ত পথ উন্নয়নৰ বাবে ২.০০ (দুই) কোটি টকাৰ প্রাক্কলন প্রস্তুত কৰি দাখিল কৰা হৈছে। উক্ত পুঁজিৰ ধন আৱন্টন দিলে উন্নয়নৰ কাম হাতত লব পৰা হব।

বিষয়ঃ নাগৰিকৰ প্রমাণ পত্র সন্দর্ভত।

শ্রীলিয়াকত আলী খানে সুধিছেঃ

১৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ পৰা খহনীয়াত পৰি বহু সংখ্যক পৰিয়াল গৃহহাৰা মাটিহীন হৈ উপাৰ্জনৰ তাগিদাত মেঘালয় ৰাজ্যত বিভিন্ন কাম কৰিবলৈ যাওঁতে বৰ্ণিহাট চেকগেটত বিভিন্ন ধৰণৰ নাগৰিকৰ প্ৰমাণ পত্ৰ দেখুওৱা স্বত্তেও তেওঁলোকক প্ৰৱেশ কৰিবলৈ নিদিয়া সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত নহয়, চৰকাৰে ইয়াৰ বাবে কোনো ধৰণৰ বিহিত ব্যৱস্থা লবনে?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী)য়ে মাননীয় মুখ্যমন্ত্ৰীৰ হৈ উত্তৰ দিছেঃ

(ক) চৰকাৰৰ হাতত এই সম্পৰ্কে পোনপটীয়া তথ্য নাই। কিন্তু জনৈক মহম্মদ কোৰবান আলী আৰু লগৰীয়া ৭(সাত) জন ব্যক্তিয়ে ৰৰপেটা জিলাৰ উপায়ুক্তৰ পৰা ৰাজ্যত হ'ব পৰা অসুবিধাৰ পৰা ৰক্ষা পাবলৈ Residential Status Certificate বিচৰাটো সঁচা। বিষয়টো আৰক্ষীৰ তদন্তনাধীন।

(খ) বিষয়টোৰ সন্দৰ্ভত বিভাগীয় পৰ্য্যায়ত তদন্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব।

Sub: Quarter of Tea Worker.

Shri Rajendra Prasad Singh asked:

19. Will the Minister of Labour and Employment be pleased to state :

(a) What steps have been taken by the Government to provide individual metre to the quarter of the tea garden worker?

(b) How many tea gardens of the State have been electrified? Upto when all the worker's quarters will be electrified?

(c) Will the Government take necessary steps to supply electricity free of cost to the workers?

Shri Prithibi Majhi (Labour & Employment, Minister) replied :

(a) As per the decision arrived at in the 57th Session State Standing Labour Committee for Plantation workers held last on 29-07-2005, the tea garden employers would purchase necessary electric metres for installation with the help of ASEB and submit the said bills to the Government for necessary reimbursement.

Government have already released Rs. 48.00 lakh forASEB on account of electric metre.

(b) 78,000 Nos. of Houses in 396 T.E. have been electrified. Electrification will be completed in a phased manner.

(c) Supply of electricity at free of cost remains to be a matter of negotiated settlement.

বিষয়ঃ কোষাগাৰ নির্মাণ।

শ্রীহাফিজ বহিৰ আহমেদে সুধিছেঃ

২০। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিলাসীপাৰাত মহকুমা স্থাপন হোৱাৰ প্রায় ৩০ বছৰ পাৰ হৈ যোৱাৰ পিছতো ইয়াত এটা কোষাগাৰ স্থাপন নোহোৱাৰ কাৰণ কি?

(খ) উক্ত মহকুমাত কোষাগাৰ কেতিয়া স্থাপন কৰা হব?

শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) ভাৰতীয় ষ্টেট বেংকে ভাৰতীয় ৰিজার্ভ বেংকৰ পৰা পাব লগা কোষাগাৰ স্থাপনৰ চূড়ান্ত অনুমোদন পোৱাত পলম হোৱা বাবে।

(খ) অতি সোনকালে উক্ত কোষাগাৰটো স্থাপনৰ ব্যৱস্থা সম্পূর্ণ কৰা হ'ব।

Sub: M.L.A.D. Fund.

Shri Rahul Roy asked:

21. Will the Minister of Planning and Development be pleased to state :

(a) Whether the Government considers that the fund available to the members of

Assam Legislative Assembly for M.L.A.D. are too meager to meet the actual need of the Constitutions?

(b) If so, whether the Government is contemplating to increase the M.L.A.D. fund with in the current financial year?

Shri Prithibi Majhi (Minister of Planning and Development) replied :

(a) No.

(b) Does not arise.

Sub: Black-Topping.

Shri Majendra Narzary asked:

22. Will the Minister of P.W.D. be pleased to state :

(a) Whether the Government is aware that some of the P.W.D. roads outside B.T.A.D. under No. 28 Gossaigaon L.A.C. are in deplorable condition?

(b) If so, when Dingdinga to Hatidura viz. Haripur and Dingdinga to Korkori via Mechpara P.W.D. road will be upgraded and black-topped.

Smti. Ajanta Neog (Minister for Social Welfare and Jail) replied on behalf of Hon'ble Chief Minister Shri Tarun Gogoi :

(a) Yes.

(b) (i) Dingdinga to Hatidura via. Haripur is a part of D. K. Road on which 4 nos. of SPT bridges has been sanctioned for conversion into RCC bridges under NLCPR.

(ii) A project concept paper for road stretch from Dingdinga to Korkori via. Mechpara has been sent to BTC for improvement with Metalling and Black-Topping including conversion of SPT bridges into RCC bridges which is awaiting acceptance. The portion from Basantipur to Bagdogra (Kamandanga) which is a part of Dingdinga Bagdogra road is already under improvement by metalling and black-topping under Annual Plan of State Government.

বিষয়ঃ পকী পথৰ দৈর্ঘ্য।

শ্রীঅনুপ ফুকনে সুধিছেঃ

২৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) টিংখং সমষ্টিত চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত পকী কৰাপথৰ দৈর্ঘ্য (পথ অনুযায়ী) কিমান আৰু আঁচনি অনুযায়ী পকী কৰিবলৈ বাকী থকা অংশৰ দৈর্ঘ্য কিমান ? (পথ অনুযায়ী বিতং তথ্য দিব)

(খ) ইতিমধ্যে পকী কৰা পথৰ ভাঙি-চিঙি যোৱা অংশসমূহৰ মেৰামতি পুনৰ নির্মাণৰ ব্যৱস্থা কৰিবনে ?

(গ) টিংখং সমষ্টিত অন্তর্গত বিভিন্ন দিশৰ পৰা অতি গুৰুত্বপূর্ণ ঐতিহাসিক মৰিয়া আলিটো প্রায় নিঃচিহ্ন হোৱাৰ অৱস্থা সম্পর্কে চৰকাৰ অৱগতনে ? যদি অৱগত, এই পথটি PMGSY/CRF বিশ্ব বেংকৰ অর্থ সাহায্য আঁচনিৰ অধীনত নির্মাণ কৰাৰ শীঘ্রে ব্যৱস্থা লবনে ?

(ঘ) যদি লয়, কেতিয়া লব ? যদি নলয়, কিয় নলয় ?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় গড়কাপ্তানী গ্রাম্য পথ সংমণ্ডলৰ অধীনস্থ টিংখং সমষ্টিৰ এলেকাভূক্ত বিভিন্ন আঁচনিৰ অধীনত পকীকৰণৰ কাম চলি থকা পথসমূহৰ আঁচনিভূক্ত দৈর্ঘ্য আৰু আঁচনি অনুযায়ী পকী কৰিবলৈ বাকী থকা অংশৰ দৈর্ঘ্যৰ এখন তালিকা কৰি ইয়াৰ লগত সংযোজিত কৰা হ'ল। (তালিকা নং-১) (See Annexure-IX)

(খ) ইতিমধ্যে পকী কৰা পথৰ ভাঙি-চিঙি যোৱা অংশসমূহৰ মেৰামতি/ পুনৰ নির্মাণৰ বাবে বিভিন্ন ব্যৱস্থা গ্রহণ কৰা হৈছে। অনুমোদনপ্রাপ্ত হ'লে কামবোৰ আৰম্ভ কৰিবৰ ব্যৱস্থা লব পৰা হ'ব।

(গ) টিংখং সমষ্টিৰ অর্ন্তগত মৰিয়া আলী বুটীখোৱাং অংশ PMGSY আঁচনিৰ বাবে প্রস্তুত কৰা Comprehensive New

Connecting Priority List (CNCPL)ৰ এহেজাৰৰ অধিক জনসংখ্যা থকা গাওঁ সংযোজন কৰা পথৰ ভিতৰত পৰিছে আৰু এই চলি থকা বৰ্ষৰ PMGSY আঁচনিত অন্তর্ভূক্ত কৰিবৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যাৱতীয় অনুমোদনপ্ৰাপ্ত হ'লে কাম আৰম্ভ কৰিবৰ ব্যৱস্থা লব পৰা হ'ব।

(ঘ) এই পথটি ২০০৬-০৭ বৰ্ষত অনুমোদনৰ বাবে ব্যৱস্থা লোৱা হৈছে।

বিষয়ঃ কয়দীৰ সংখ্যা।

শ্ৰীপ্ৰণৱ কলিতাই সুধিছেঃ

২৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটী জেলত কিমানজন কয়দীয়ে একেলগে থাকিব পৰাৰ ব্যৱস্থা আছে আৰু বৰ্ত্তমান কিমানজন আছে? কয়দীবিলাকক প্ৰতিদিনে খোৱাৰ নামত কিমান টকা খৰছ কৰা হয়? যোগান ধৰা খাদ্যৰ মানদণ্ড গুণগতনে?

(খ) গুৱাহাটী জেলৰ নামত কিমান মাটি আছে? এই জেলখন স্থানান্তৰ কৰাৰ কিবা ব্যৱস্থা আছে নেকি? জেলৰ মাটি বেদখল কৰাৰ তথ্যপাতি চৰকাৰৰ হাতত আছে নেকি? যদি আছে, উচ্ছেদৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমতী অজন্তা নেওঁগ (কাৰাগাৰ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) গুৱাহাটী জেলত ৫০৭ জন কয়দী থাকিব পৰা ব্যৱস্থা আছে আৰু বৰ্ত্তমানে এই জেলত ৮৬৭ জন কয়দী আছে (যোৱা ৩০/৬/২০০৬ তাৰিখলৈকে)। কয়দীবিলাকৰ প্ৰতিদিনে খোৱাৰ

নামত ২৫ টকাকৈ খৰছ কৰা হয়। জেল Manualত থকা নিৰ্দ্ধাৰিত তালিকা অনুসৰি কয়দীসকলৰ যোগান ধৰা খাদ্যৰ মানদণ্ড গুণগত।

(খ) গুৱাহাটী জেলৰ নামত ফাঁচীবজাৰত ৫৯ বিঘা ৪ কঠা ২ লেচা আৰু সৰুসজাইত ৮০ বিঘা মাটি আছে। ফাঁচীবজাৰত অৱস্থিত গুৱাহাটী জেলখন স্থানান্তৰ কৰাৰ উদ্দেশ্যে সৰুসজাইত এখন নতুন জেল নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। সৰুসজাইত থকা জেলৰ মাটিৰ ১৭০ টা বেদখল কৰি থকা পৰিয়ালক উচ্ছেদ কৰা হৈছে।

বিষয়ঃ মৃত ব্যক্তিৰ সংখ্যা ও সাহায্য।

মোঃ মহিবুল হকে সুধিছেঃ

২৫। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ (প্রফুল্ল মহন্ত চৰকাৰ) আৰু ২০০১ চনৰ পৰা ২০০৬ চনলৈ (তৰুণ গগৈ চৰকাৰ)ৰ দিনত উগ্রপন্থীৰ বিভিন্ন কার্য্যকলাপত অসমত কিমানজন সাধাৰণ মানুহ, কিমানজন পুলিচ ও সুৰক্ষা বাহিনীৰ জোৱান আৰু কিমানজন উগ্রপন্থীৰ লোকক হত্যা কৰা হৈছিল?

(খ) কোন কোন উগ্রপন্থী সংগঠনৰ কিমানজন সদস্য কাৰাবন্দী হৈ আছে? ইয়াৰে কিমানজন আৰু কাক কাক মুক্তি দিব বুলি চৰকাৰৰ বিবেচনাধীন হৈ আছে? উগ্রপন্থীৰ কার্য্যকলাপত নিহত হোৱা বহুতো পৰিয়ালে এতিয়াও আর্থিক অনুদান পোৱা নাই, কথাটো সঁচানে?

(ঘ) যদি সঁচা হয়, তেন্তে কিমানটা পৰিয়ালক সাহায্য দিয়া হোৱা নাই?

(ঙ) ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ উগ্রপন্থীৰ দ্বাৰা ক্ষতিগ্রস্ত কেবাটাও পৰিয়ালক এতিয়াও আর্থিক সাহায্য দিয়া নাই। কথাটো সঁচানে আৰু যদি সঁচা কিমান দিনৰ ভিতৰত আদায় দিব?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রীৰ হৈ উত্তৰ দিছেঃ

(ক) ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ উগ্রপন্থীৰ বিভিন্ন কার্য্যকলাপত ১৫৩৬ জন সাধাৰণ নাগৰিক ৪০০ জন পুলিচ আৰু সুৰক্ষা বাহিনীৰ লোক আৰু ৯৮২ জন উগ্রপন্থী নিহত হৈছিল আৰু ২০০১ চনৰ পৰা ২০০৬ চনলৈ উগ্রপন্থীৰ কার্য্যকলাপত ৯০৮ জন সাধাৰণ নাগৰিক, ১৪৯ জন পুলিচ আৰু সুৰক্ষা বাহিনীৰ লোক আৰু ৯৯৬ জন উগ্রপন্থী নিহত হৈছিল।

(খ) কাৰাবন্দী হৈ থকা বিভিন্ন উগ্রপন্থী সংগঠনৰ সদস্য সংখ্যা তলত দিয়া হ'ল ঃ

১)	আলফা —	২২৩ জন।
২)	এন ডি এফ বি —	৩ জন।
৩)	হাম (HUM) মালটা —	১১ জন।
৪)	ইউ পি ডি এচ —	৩ জন।
৫)	ইউনাইটেড লিবাৰেচন ফ্রন্ট অব্ ৰৰাক ভেলি (ইউ এল এফ বি ডি) —	১ জন।
৬)	ডি. এইচ. ডি. —	১১ জন।
৭)	এন. এচ. চি. এন —	৩ জন।
৮)	কুকি নেচনেল ফ্রন্ট (কে এন এফ) —	৬ জন।

৯) কার্বি লংঙি এন. চি. হিলচ লিবাৰেচন
ফ্রন্ট (কে এল এন এল এফ) — ৫ জন।

১০) কুকি ৰিভলুচনাৰী আর্মি (কে আৰ এ) — ৪ জন।

কাৰাবন্দী হৈ থকা উগ্রপন্থী সদস্যসকলৰ মুক্তিৰ বিষয়ে কোনো সিদ্ধান্ত হোৱা নাই।

(গ) সঁচা।

(ঘ) ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ আৰু ২০০২ৰ পৰা ২০০৬ চনলৈ আর্থিক সাহায্য অনুদানৰ বাবে মুঠ ৩৫২১ টা প্রস্তাৱ নিহত ব্যক্তিৰ নিকটতম আত্মীয়ৰ পৰা পোৱা হৈছে। ইয়াৰ ভিতৰত ১৮৩১ টা প্রস্তাৱ ১৯৯৬ চনৰ পৰা ২০০১ চনৰ ভিতৰত আৰু ১৫৮০ টা প্রস্তাৱ ২০০২ চনৰ পৰা ২০০৬ চনৰ ভিতৰত নিস্পত্তি কৰা হয়। বাকী থকা ১১০ টা প্রস্তাৱৰ বিষয়ে বিভাগীয় ব্যৱস্থা লৈ থকা হৈছে।

(ঙ) সঁচা। উগ্রপন্থীৰ দ্বাৰা নিহত ২৭ জন ব্যক্তিৰ পৰিয়ালৰ ভিতৰত ১৫ টা পৰিয়ালৰ নিকটতম আত্মীয়ক ১ লাখ টকাকৈ এককালীন আর্থিক সাহায্য দিয়া হৈছে। বাকী থকা ১২ টা নিহত পৰিয়ালক দিবলগীয়া এককালীন আর্থিক সাহায্যৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু ইয়াক কার্য্যকৰী কৰোতে কিছু সময়ৰ প্রয়োজন হ'ব।

বিষয়ঃ দলং নির্মাণ।

শ্রীৰচুল হকে সুধিছেঃ

২৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিগত ৫ (পাঁচ) বছৰত ধুবুৰী চহৰত ৰাস্তাসমূহৰ মেৰামতি বা নির্মাণৰ কাম হৈছেনে? যদি হৈছে, তেন্তে কোনটো ৰাস্তা মেৰামতি (পথ) হৈছে? (বিতং তথ্য দিব)

(খ) ধুবুৰী সমষ্টিৰ গড়কাপ্তানী বিভাগৰ অধীনস্থ কাঠৰ ও বাঁহৰ দলং সমূহ পকীকৰণ কৰাৰ বাবে কিবা আঁচনি হাতত লৈছে নেকি? যদি লোৱা হৈছে, কিমানদিনৰ ভিতৰত পূর্ণাঙ্গ ৰূপ পাব?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, হৈছে। বিতং তথ্য অনুবদ্ধ 'ক'ত দেখুওৱা হৈছে। (See Annexure-X)

(খ) পর্য্যায়ক্রমে অগ্রাধিকাৰ ভিত্তিত পকীকৰণৰ কাম আৰম্ভ কৰা হৈছে। আঁচনিসমূহৰ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সম্পূর্ণ হৈ উঠিব।

বিষয়ঃ পথ মেৰামতি।

শ্রীআব্দুৰ ৰচিদ মণ্ডলে সুধিছে ঃ

২৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা গড়কাপ্তানী পথ সংমণ্ডলৰ অন্তর্গত গোৱালপাৰা পঞ্চৰত্ন, বৰভিঠা, কাৰাইখোৱা ৰাস্তাৰ গোৱালপাৰাৰ পৰা বৰভিঠা অংশটো মেৰামতিৰ অভাৱত জৰাজীর্ণ হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) উক্ত ৰাস্তাটো মেৰামতিৰ বাবে প্রয়োজনীয় আর্থিক মঞ্জুৰী দিয়া হৈছেনে?

(গ) যদি হৈছে, ৰাস্তাটো সোনকালে মেৰামতিৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি হোৱা নাই, ৰাস্তাটো মেৰামতিৰ মঞ্জুৰী প্ৰদান কৰি সোনকালে মেৰামতিৰ ব্যৱস্থা লবনে?

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্ৰী)য়ে মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) বৰ্ত্তমানলৈকে কোনো আৰ্থিক মঞ্জুৰী দিয়া হোৱা নাই।

(গ) আৰ্থিক মঞ্জুৰী পালে মেৰামতিৰ কাম আৰম্ভ কৰিব পৰা যাব।

(ঘ) অৰ্থনৈতিকভাবে জৰুৰী আঁচনিৰ (Economic Importance Scheme) অধীনত প্ৰাথমিক প্ৰাক্কলন (Cost apprisal) প্ৰস্তুত কৰি বিভাগীয় অনুদানৰ বাবে পঠোৱা হৈছে। মঞ্জুৰী পালে পথটো মেৰামতি কৰিব পৰা হব।

বিষয় ঃ পুঁজি বিতৰণ।

শ্ৰীঘন বুঢ়াগোহাঁইয়ে সুধিছে ঃ

২৮। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৬ চনৰ পৰা ২০০৬ চনলৈকে লক্ষীমপুৰ বিধানসভা সমষ্টিৰ বিধায়কৰ সমষ্টি উন্নয়ন পুঁজি বিতৰণ কৰা হ'লনে?

(খ) যদি বিতৰণ কৰা হ'ল তেন্তে ক'ত, কেনেকৈ, কি কি অনুষ্ঠান প্ৰতিষ্ঠানৰ কাৰণে বিতৰণ কৰা হ'ল? (বছৰভিত্তিত সদনৰ মেজত তালিকা দিব)

(গ) উক্ত সমষ্টি উন্নয়ন পুঁজিৰ জড়িয়তে লক্ষীমপুৰ সমষ্টিত কৰা কাম-কাজৰ অগ্ৰগতি কি?

শ্রীপৃথিৱী মাঝি (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হ'ল।

(খ) আৰু (গ) ১৯৯৬-৯৭ বৰ্ষৰ পৰা ২০০৫-০৬ বৰ্ষলৈ লক্ষীমপুৰ বিধান সভা সমষ্টিত বিধায়কৰ স্থানীয় এলেকা উন্নয়ন আঁচনিৰ যোগে পুঁজি বিতৰণ কৰা অনুষ্ঠান-প্রতিষ্ঠানৰ নাম, পুঁজিৰ পৰিমাণ আৰু আঁচনিসমূহৰ অগ্রগতিৰ খতিয়ান তালিকা 'ক'ত দেখুওৱা হ'ল।

(See Annexure-XI)

Sub: Construction of Road.

Shri Rupjyoti Kurmi asked:

29. Will the Minister of P.W.D. be pleased to state :

(a) Is it a fact that 4 Km. road of Dhodar Ali from Seleng T. E. front to Jhanji river Bridge passing through Mariani constituency has not been constructed?

(b) If so, when the construction will be completed?

Smti. Ajanta Neog (Minister, Social Welfare and Jail) replied on behalf of Hon'ble Chief Minister Shri Tarun Gogoi :

(a) Yes. The said portion of the road remains to be improved for the time being.

(b) Proposal for improvement of this portion of Dhodar Ali submitted under NEC's 11th Plan and work will be taken up after sanction.

বিষয় ঃ যুদ্ধ বিৰতিৰ চুক্তি।

শ্রীঅভিজিৎ হাজৰিকাই সুধিছে ঃ

৩০। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) এন. ডি. এফ. বি. আৰু কেন্দ্রীয় চৰকাৰৰ মাজত সম্পাদিত যুদ্ধ বিৰতিৰ চুক্তিৰ চর্ত্তসমূহ কি কি ? যুদ্ধবিৰতিৰ চুক্তি সম্পাদিত হোৱাৰ পিছতো এন. ডি. এফ. বি. সদস্য কিছুমানে মুকলিভাবে অস্ত্র-শস্ত্র কঢ়িয়াই ফুৰা আৰু কিছুমান ঠাইত এন. ডি. এফ. বি. সদস্যই অস্ত্র প্রদর্শন কৰি সাধাৰণ নাগৰিক, ব্যৱসায়ী আদিৰ পৰা বলপূর্বক ধন সংগ্রহ কৰি থকা কথাটো চৰকাৰ জ্ঞাতনে ? যদি জ্ঞাত, তেনেহ'লে সাধাৰণ নাগৰিকক নিৰাপত্তা দিয়াৰ ক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰা হৈছে?

(খ) এন. ডি. এফ. বি. আৰু কেন্দ্রীয় চৰকাৰৰ মাজত যুদ্ধবিৰতিৰ চুক্তি সম্পাদিত হোৱাৰ পিছত এন. ডি.এফ.বি. সদস্যসকলক মূল সাঁতিলৈ ওভতাই অনাৰ ক্ষেত্রত অসম চৰকাৰে এতিয়ালৈকে কি কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রীৰ হৈ উত্তৰ দিছে ঃ

(ক) এন. ডি. এফ. বি. আৰু কেন্দ্রীয় চৰকাৰৰ মাজত সম্পাদিত যুদ্ধ

বিৰতিৰ চুক্তিৰ চৰ্ত্তসমূহৰ সবিশেষ আলোচনাৰ স্বাৰ্থত সন্মাদিত বিধায়কগৰাকীক দিব পৰা নগ'ল। এন. ডি. এফ. বি. আৰু চৰকাৰৰ মাজত সম্পাদিত যুদ্ধবিৰতিৰ চুক্তি হোৱাৰ পিছতো এন. ডি. এফ. বিৰ কিছুমান সদস্যই চুক্তি উলংঘা কৰি হাতত অস্ত্ৰ-শস্ত্ৰ লৈ সাধাৰণ নাগৰিক আৰু ব্যৱসায়ীসকলক ভীত প্ৰদৰ্শন কৰি ধন সংগ্ৰহ কৰাৰ বিষয়ে চৰকাৰ অৱগত। চুক্তি ভংগকাৰী এন. ডি. এফ. বি সদস্যৰ বিৰুদ্ধে এতিয়ালৈকে ২৭ টা অভিযোগ পোৱা গৈছে আৰু এই সংক্ৰান্তত মুঠ ৬৩ জন সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোকৰ জিম্মাৰ পৰা ৩ টা অস্ত্ৰ, ৬ টা গ্ৰেনেড, ৩৩ টা গুলী আৰু ৫১,৬০০ টকা জব্দ কৰা হৈছে।

(খ) এন. ডি. এফ. বি. আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা যুদ্ধবিৰতি চুক্তিৰ পিছত অসম চৰকাৰ, ভাৰত চৰকাৰ আৰু এন. ডি. এফ. বি. সদস্যৰ মাজত আলোচনা চলি আছে। আলোচনাৰ শেষত বুজাবুজি চুক্তি সম্পাদিত হ'লে এন. ডি. এফ. বি. সদস্যসকলক পুনৰ সংস্থাপনৰ বিহিত ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ কনিষ্টবল নিযুক্তি।

শ্ৰীমতী কমলী বসুমতাৰীয়ে সুধিছে ঃ

৩১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হাইক'ৰ্টে বন্ধ কৰা কনিষ্টবল নিযুক্তি প্ৰক্ৰিয়া বৰ্ত্তমান কি অৱস্থাত আছে?

(খ) পূৰ্বৰ বাচনিমতে কনিষ্টবল নিযুক্তি হ'বনে?

(গ) মহিলা V.I.P.ৰ কাৰণে মহিলা দেহৰক্ষী নিয়োগ নকৰাৰ কিবা কাৰণ আছে নেকি?

(ঘ) যদি নাই, মহিলা V.I.P.ৰ কাৰণে এজনকৈ হ'লেও মহিলা দেহৰক্ষী নিয়োগ কৰাৰ ব্যৱস্থা ল'বনে?

শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হাইক'র্টে বন্ধ কৰা কনিষ্টবল নিযুক্তিৰ প্রক্রিয়া বর্ত্তমানে স্থগিত ৰখা হৈছে।

(খ) পূর্বৰ বাচনি মতে কনিষ্টবল নিযুক্তি দিবৰ বাবে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত আপীল কৰা হৈছে। এই আপীলৰ শুনানি অহা ২৫ জুলাই ২০০৬ ইং তাৰিখে হোৱাৰ কথা আছে। উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ ওপৰত ভিত্তি কৰিহে ব্যৱস্থা গ্রহণ কৰা হ'ব।

(গ) বর্ত্তমানে মহিলা আৰক্ষীসকলক বিশেষ প্রশিক্ষণ দিয়া হোৱা নাই, সেয়েহে কোনো মহিলা V.I.P.ৰ লগত মহিলা দেহৰক্ষী নিয়োগ কৰা হোৱা নাই।

(ঘ) মহিলা দেহৰক্ষী নিয়োগৰ ব্যৱস্থা পর্য্যায়ক্রমে বিবেচনা কৰা হ'ব।

বিষয় ঃ পদৰ বিপৰীতে নিযুক্তি।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

৩২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১-২০০৬ চনৰ ৩১ মার্চ তাৰিখ পর্য্যন্ত সমাজ কল্যাণ বিভাগত কিমানজন ব্যক্তিক কি কি পদত নিযুক্তি দিয়া হৈছে?

(খ) প্রতিখন জিলাত কোন পদৰ বিপৰীতে নিযুক্তি দিয়া হৈছিল ?

(প্রার্থীৰ নামসহ উল্লেখ কৰি সদনৰ মেজত দাখিল কৰিব)

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মূখ্য সেৰিকা - ৫৩৮ জন।

পৰিসংখ্যা সহায়ক - ১১৫ জন।

নিম্নবর্গৰ সহায়ক - ১৭০ জন।

৪র্থ শ্রেণী - ১৩১ জন।

(খ) 'ক'ত উল্লেখিত পদসমূহৰ ২০০১ চনত নিয়োগ কৰা মূখ্য সেৰিকা আৰু পৰিসংখ্যা সহায়কৰ তালিকা আৰু ২০০৫-০৬ চনৰ ৩১ মার্চলৈ নিয়োগ কৰা প্রার্থীৰ তালিকা সদনৰ মেজত দাখিল কৰা হৈছে।

বাকী নিম্নবর্গ সহায়ক আৰু ৪র্থ বর্গৰ নিযুক্তিৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

বিষয় ঃ উপ-কাৰাগাৰ।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

৩৩। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শদিয়াৰ চপাখোৱাস্থিত উপ-কাৰাগাৰটো বহু বছৰ আগতে সম্পূর্ণ হ'ল অথচ আজিও কামত নলগোৱাৰ কাৰণ কি ?

(খ) চৰকাৰে এই কাৰাগাৰটো কেতিয়াৰ পৰা কামত ব্যৱহৃত কৰিব ?

শ্রীমতী অজন্তা নেওঁগ (কাৰাগাৰ বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শদিয়াৰ চপাখোৱাস্থিত কাৰাগাৰখন পৰিচালনার্থে আৱশ্যকীয় পদসমূহ সৃষ্টি নোহোৱাৰ বাবে কাৰাগাৰখন কামত ব্যৱহাৰ কৰিব পৰা হোৱা নাই ?

(খ) গৃহ বিভাগে আৱশ্যকীয় পদ মঞ্জুৰ কৰিবৰ বাবে বিত্ত বিভাগৰ লগত যোগাযোগ কৰি আছে। পদসমূহ মঞ্জুৰ হ'লেই কাৰাগাৰখন পৰিচালনাৰ কাম-কাজ আৰম্ভ কৰিব পৰা হ'ব।

বিষয় ঃ ধর্ষণ, লুণ্ঠন, অপহৰণ কার্য্য।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৩৪। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা এতিয়ালৈকে অসমত ধর্ষণ, লুণ্ঠন, অপহৰণ, চোৰ, ডকাইটি আদি কার্য্য কিমান সংঘটিত হৈছিল ?

(খ) এই কার্য্য ৰোধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

(গ) উল্লেখিত ঘটনা সম্পর্কত কিমান গোচৰ ৰুজু কৰা হৈছে, তাৰ কিমানজনক শাস্তি দিয়া হৈছে ?

শ্রীৰকিবুল হুছেইন (বন, পৰিবেশ আৰু পর্য্যটন মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রীৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৬ চনৰ মে'লৈকে অসমত সংঘটিত হোৱা ধর্ষণ, লুণ্ঠন, অপহৰণ, চোৰ, ডকাইটি আদি কার্য্যৰ পৰিসংখ্যা হ'ল ঃ

অপৰাধীৰ তালিকা	মুঠ গোচৰ
ধৰ্ষণ	৫৪৩১
লুণ্ঠন	২৮৮৫
অপহৰণ	৮৮২৮
চোৰ	২৯৯৬৩
ডকাইটি	২২৫৯

(খ) ওপৰোক্ত অপৰাধ সমূহ ৰোধ কৰাৰ বাবে জিলা আৰক্ষী অধীক্ষক সকলক নিম্নলিখিত ব্যৱস্থা লোৱাৰ বাবে নির্দ্দেশ দিয়া হৈছে।

(১) গাওঁৰক্ষী বাহিনীক সষ্টম কৰা।

(২) নিয়মীয়া ভাবে আৰক্ষী পহৰাৰ ব্যৱস্থা কৰা।

(৩) নাকাৰ ব্যৱস্থা কৰা।

(৪) অধিক চোৰাংচোৱা নিয়োগৰ ব্যৱস্থা।

(৫) দাগী অপৰাধীৰ ঘৰত আকস্মিক খানা তালাচী জোৰদাৰ কৰা।

(৬) আৰক্ষী আৰু জনসাধাৰণৰ মাজত সমন্বয় অধিক কৰা। তদুপৰি

(৭) গোচৰসমূহক উন্নত প্রযুক্তিৰ সহায়ত সুচাৰুৰূপে তদন্ত কৰাৰ বাবে F.S.L. Finger Print Bureau Photography ইত্যাদিক আধুনিকীকৰণ কৰা হৈছে।

(গ)

বছৰ	মুঠ গোচৰ ৰুজু আৰু শাস্তিৰ সংখ্যা									
	ধৰ্ষণ		লুণ্ঠন		অপহৰণ		চোৰ		ডকাইটি	
	গোচৰ ৰুজু	শাস্তি	গোচৰ ৰুজু	শাস্তি	গোচৰ ৰুজু	শাস্তি	গোচৰ ৰুজু	শাস্তি	গোচৰ ৰুজু	শাস্তি
২০০১	৭৮৫	১০১	৬৬৪	৪৪	১৪৫৪	৭২	৫১৩৪	৪৬১	৫২৬	৪৫
২০০২	৯০৩	৯৯	৬১২	৩৫	১৬০৫	৭৯	৫৩৮০	৩৪১	৪৮৭	৪২
২০০৩	১০৪৯	১০৫	৫১১	৬৩	১৬৫৫	১১০	৫১৬৯	৪৭০	৫৫৩	৫৯
২০০৪	১০৩৬	১২৭	৪২৬	৫৮	১৬৫৯	১১০	৫৩৮০	৪৬০	৩২৪	৫৫
২০০৫	১২১৭	১৭০	৪৬৮	৫৪	১৬৯৮	১৪৮	৬১৩৭	৪৬৪	৩২৯	৪৮
২০০৬ মে'লৈকে	৪৪৯	১৮	২০৫	৮	৭৫৭	৪	২৭৬১	১০১	১৪০	—
মুঠ-	৫৪৩১	৬২০	২৮৮৫	২৬২	৮৮২৮	৫২৩	২৯৯৬৩	২২৯৭	২২৫৯	২৪৯

বিষয় ঃ অগ্নিনির্বাপক কেন্দ্র স্থাপন।

শ্রীআব্দুল খালেকে সুধিছে ঃ

৩৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰৰপেটা জিলাৰ পশ্চিম অঞ্চলৰ ৪০/৫০ কিঃমিঃ বিস্তৃত অঞ্চলত অগ্নিনির্বাপক কেন্দ্র নথকাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) চৰকাৰে ৰৰপেটা জিলাৰ গুৰুত্বপূর্ণ ঠাই কলগাছিয়াত অগ্নিনির্বাপক কেন্দ্র এটি স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্রীৰকিবুল হুছেইন (বন, পৰিবেশ আৰু পর্য্যটন মন্ত্রী)য়ে মুখ্যমন্ত্রীৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) পুঁজিৰ ব্যৱস্থাৰ ভিত্তিত ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ গ্রুপ হস্পিতাল আৰু চেন্ট্রেল হস্পিতাল।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৩৬। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বাগিছাসমূহৰ Group Hospital আৰু Central Hospitalৰ কিবা পার্থক্য আছেনে?

(খ) এই দুইবিধ চিকিৎসালয় কিমান বিচনাযুক্ত হ'ব লাগে?

(গ) চিকিৎসা বিধিয়ে এই চিকিৎসালয়সমূহক ঢুকি পায়নে?

(ঘ) চিকিৎসালয় বিধি উলংঘাৰ বাবে কিমানজন পৰিচালকক শাস্তি বিহাৰ, জেল জৰিমনা কৰাৰ ব্যৱস্থা গ্রহণ কৰা হৈছে? (২০০১ চনৰ পৰা ২০০৬ চনলৈকে শাস্তি বিহা লোকৰ তালিকা দাখিল কৰিব)

শ্রীপৃথিৱী মাঝি (শ্রম ও নিয়োগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সংশ্লিষ্ট আইনমতে পার্থক্য আছে।

(খ) ১৯৫৬ চনৰ অসম বাগিছা শ্রমিক নিয়মাৱলীমতে গ্রুপ হস্পিতালত কমেও ১০০ খন বিচনা থাকিব লাগে আৰু প্রতি ৭০০ জন বাগিছা শ্রমিকৰ বাবে কমেও তিনিখনকৈ বিচনাৰ ব্যৱস্থা কৰিব লাগে।

(গ) গ্রুপ হস্পিতালকহে সংশ্লিষ্ট আইনে ঢুকি পায়।

(ঘ) নামৰ তালিকা পৰিশিষ্ট 'ক'ত গাঁঠি দিয়া হ'ল।

(See Annexure-XII)

বিষয় ঃ বিজনীত ট্রেজাৰী স্থাপন।

শ্রীকমল সিং নার্জাৰীয়ে সুধিছে ঃ

৩৭। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিজনী মহকুমাত ট্রেজাৰী অফিচ নথকাত উক্ত মহকুমাৰ ৰাইজ তথা চৰকাৰী অৰ্দ্ধ চৰকাৰী বিভাগসমূহে নানা অসুবিধা পাই থকাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, বিজনী মহকুমা সদৰত অনতিপলমে ট্রেজাৰী অফিচ স্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা লবনে ?

শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ব্যৱস্থা কৰি থকা হৈছে।

বিষয় ঃ আনটাইড ফাণ্ডৰ টকা।

শ্রীহিৰেণ কুমাৰ দাসে সুধিছে ঃ

৩৮। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০২ চনৰ পৰা ২০০৬ চনলৈ দৰং জিলাত আনটাইড ফাণ্ডৰ কিমান টকা দিয়া হৈছে ?

(খ) জিলাখনত এই ফাণ্ডৰ পৰা ৰূপায়ন কৰা আঁচনিসমূহৰ তালিকা সদনৰ মেজত দাখিল কৰিবনে ?

(গ) ২০০২ চনৰ পৰা ২০০৬ চনৰ মার্চ মাহলৈকে মঙ্গলদৈ সমষ্টিত

M.L.A. ফাণ্ডৰ পুঁজিৰে কি কি আঁচনি ৰূপায়ন কৰিলে?
(তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীপৃথিৱী মাঝি (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) ২০০২ চনৰ পৰা ২০০৬ চনলৈ দৰং জিলাত আনটাইড ফাণ্ডৰ অধীনত সৰ্বমুঠ ২৩৮.০০ লাখ টকা দিয়া হৈছে।

(খ) জিলাখনত আনটাইড ফাণ্ডৰ পৰা ৰূপায়ন কৰা আঁচনিসমূহৰ তালিকা Annexure-'A'ত দিয়া হৈছে। (See Annexure-XIII)

(গ) ২০০১-০২ চনৰ পৰা ২০০৫-০৬ চনৰ মাৰ্চ মাহলৈকে মঙ্গলদৈ সমষ্টিত M.L.A. ফাণ্ডৰ পুঁজিৰে ৰূপায়ন কৰা আঁচনিসমূহৰ তালিকা দিয়া হৈছে। (See Annexure-XIV)

বিষয়: চৰকাৰৰ ঋণৰ উৎস।

শ্ৰীউদ্ধৱ বৰ্মনে সুধিছে:

৩৯। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) এই কথা সঁচানে যে বিগত সময়ছোৱাত ৰাজ্যিক চৰকাৰী/ বেচৰকাৰী বিভিন্ন উৎসৰ পৰা ৰাজ্য চৰকাৰে ঋণ লৈছিল?

(খ) যদি সঁচা, তেনেহ'লে কোন উৎসৰ পৰা কি সুতৰ হাৰত কিমান ঋণ লোৱা হৈছিল? মুঠ ঋণৰ পৰিমাণ এতিয়ালৈকে কিমান?

(গ) এই ঋণৰ বাবদ ৰাজ্যিক চৰকাৰে সুতে-মূলে বছৰি কিমান ধন পৰিশোধ কৰিব লাগে?

শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) বিগত পাঁচ বছৰত ৰাজ্য চৰকাৰে কোনো ৰাজ্যিক চৰকাৰী/ বেচৰকাৰী উৎসৰ পৰা কোনো ধৰণৰ ঋণ লোৱা নাই।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ জনজাতি কল্যাণ আঁচনি।

শ্রীদুর্গা ভূমিজে সুধিছে ঃ

৪০। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চাহ জনজাতি কল্যাণ বিভাগটো কিমান চনৰ পৰা গঠন কৰা হৈছিল?

(খ) উক্ত বিভাগটোৰ বাবে কিমান পুঁজি আৱন্টন কৰা হৈছে? পুঁজিসমূহ কি কি কামত বা আঁচনিত ব্যৱহাৰ কৰা হৈছে?

(গ) বিভাগটো গঠন কৰা দিনৰ পৰা বৰ্ত্তমানলৈকে উক্ত আঁচনিৰ অন্তর্ভূক্ত হিতাধিকাৰীৰ নাম ও ঠিকনা কি কি?

(ঘ) উক্ত বিভাগটো অধিক কার্য্যক্ষম কৰিবৰ বাবে নতুন কিবা আঁচনি গ্রহণ কৰিছেনে?

শ্রীপৃথিৱী মাঝি (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চাহ জনজাতি কল্যাণ বিভাগটো যোৱা ২১/৯/২০০৪ তাৰিখৰ পৰা গঠন কৰা হৈছিল।

(খ) চাহ জনজাতি কল্যাণ বিভাগৰ বাবে ২০০৫-০৬ বিত্তীয় বর্ষত সর্বমুঠ দহ কোটি বাৱন্ন লাখ টকা পৰিকল্পনা শিতানত ধার্য্য কৰা

হয়। এই পুঁজি নিম্নোক্ত আঁচনিসমূহত ব্যৱহাৰ কৰা হয়।

১) পৰিয়াল ভিত্তিক উপার্জনমুখী আয় উৎপাদকীয় আঁচনি।

২) প্ৰাক-প্ৰৱেশিকা বৃত্তি।

৩) বে-চৰকাৰী শিক্ষানুষ্ঠানলৈ সাহায্য।

৪) গুৱাহাটী ৰূপনগৰত সাংস্কৃতিক কেন্দ্ৰ ও জিৰণি ঘৰ নিৰ্মাণ।

ইয়াৰ উপৰি ৰাজ্য চৰকাৰৰ সিদ্ধান্ত মৰ্মে চাহ মজদুৰৰ বাসগৃহত ব্যক্তিগত বৈদ্যুতিক মিটাৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ যোগেদি যোগান ধৰা হৈছে।

(গ) বিভাগটো গঠন কৰা দিনৰ পৰা বৰ্ত্তমানলৈকে উক্ত আঁচনিত অন্তর্ভূক্ত হিতাধিকাৰীৰ নাম ও ঠিকনা সদনত দাখিল কৰা হ'ল। (অনুবদ্ধ 'ক')

(ঘ) উক্ত বিভাগটো অধিক কার্য্যক্ষম কৰি তোলাৰ কাৰণে চৰকাৰে বিচাৰ-বিবেচনা কৰি আছে।

বিষয় ঃ বিকল্প সেতু নির্মাণ।

মৌলানা আতাউৰ ৰহমান মাঝৰভূঞাই জিজ্ঞাসা করেছেন ঃ

৪১। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বরাক উপত্যকায় যোগাযোগ রক্ষার অত্যন্ত গুরুত্বপূর্ণ ৪৪ নং জাতীয় সড়কের বিপদসংকুল কাটাখাল সেতুটির বিকল্প সেতু কাটাখাল নদীর উপরে নির্মিত হওয়ার অনেক বৎসর অতিবাহিত হওয়ার পরও চালু করা হইতেছে না কেন?

(খ) বিকল্প রাস্তাটি সম্পূর্ণ করে বিকল্প সেতুটি চালু করার ব্যপারে কি ব্যবস্থা গ্রহণ করা হয়েছে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(a) Katakhal Bridge and the connected road is under the jurisdiction of the Border Road Organisation (BRO) and the same is not related to Assam P.W.D.

(b) Does not arise.

বিষয় ঃ হিংসাত্মক ঘটনা।

শ্রীবৃন্দাবন গোস্বামীয়ে সুধিছেঃ

৪২। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) দ্বাদশ অসম বিধান সভাৰ নির্বাচন আৰু নির্বাচনোত্তৰ কালত কিমানটা হিংসাত্মক ঘটনা ঘটিছিল? কিমান হতাহত হৈছিল? (জিলাভিত্তিত তথ্য দিব)

(খ) কিমান গোচৰ এই সংক্রান্তত পঞ্জীভূক্ত হ'ল? দোষীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছে?

শ্রীৰকিবুল হুছেইন (বন, পৰিবেশ আৰু পর্য্যটন মন্ত্রী)য়ে গৃহ মন্ত্রীৰ হৈ উত্তৰ দিছেঃ

(ক) দ্বাদশ অসম বিধান সভাৰ নির্বাচন আৰু নির্বাচনোত্তৰ কালত সর্বমুঠ ৬২৮ টা হিংসাত্মক ঘটনা ঘটিছিল।

দ্বাদশ অসম বিধান সভাৰ নির্বাচন আৰু নির্বাচনোত্তৰ কালত হতাহতৰ সংখ্যা — আহত-৪৫২ টা, নিহত- ৩ টা। জিলাভিত্তিক

বিতং তথ্য তালিকা সংলগ্ন 'ক'ত দেখুওৱা হ'ল। (See Annexure-XV)

(খ) এই সংক্রান্তত পঞ্জীভূক্ত হোৱা গোচৰৰ সংখ্যা ৬১৬ টা।

এই সংক্রান্তত দোষীৰ বিৰুদ্ধে বর্ত্তমান লোৱা ব্যৱস্থা ঃ

(১) মুঠ দোষী গ্রেপ্তাৰৰ সংখ্যা - ১০৭৩ টা।

(২) অভিযোগনামা দাখিল - ১৪৪ টা।

(৩) চূড়ান্ত পত্র দাখিল - ১৩৮ টা।

(৪) তদন্তাধীন - ৩৩৪ টা।

বিষয় ঃ জীৱনজ্যোতি বীমা আঁচনি।

শ্রীযোচেফ টপ্পই সুধিছে ঃ

৪৩। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) 'মুখ্যমন্ত্রীৰ জীৱনজ্যোতি বীমা আঁচনি' প্রচলন হোৱাৰ পৰা ঢেকিয়াজুলি ৰাজহ চক্রৰ কিমানজন লোক উপকৃত হৈছে? (নাম, ঠিকনা আৰু টকাৰ পৰিমাণসহ তালিকা সদনৰ মেজত দিব)

(খ) উক্ত আঁচনিৰ ধন পোৱাৰ বাবে থকা সংশ্লিষ্ট নির্দ্দেশাৱলী (গাইডলাইন) সদনৰ মেজত দাখিল কৰিবনে?

শ্রীপৃথিৱী মাঝি (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্ত্তমানলৈকে ঢেকিয়াজুলি ৰাজহ চক্রৰ মুঠ ১১৩ (এশ তেৰ)জন লোক উপকৃত হৈছিল। (নাম, ঠিকনা আৰু টকাৰ পৰিমাণ সংলগ্ন কৰি দিয়া হ'ল) (See Annexure-XVI)

(খ) নির্দ্দেশাৱলী (গাইডলাইন)ৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰাহ'ল।

বিষয় ঃ আঁচনিৰ নাম উল্লেখ কৰি চাইনবোৰ্ডৰ ব্যৱস্থা।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৪৪। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিধায়ক পুঁজিৰ অধীনৰ আঁচনিবিলাকৰ ক্ষেত্ৰত মঞ্জুৰীকৃত ধন আৰু আঁচনিৰ নাম উল্লেখ কৰি চাইনবোৰ্ড দিয়াৰ ব্যৱস্থা আছেনে?

(খ) যদি আছে, অসমত এইটো কাৰ্য্যকৰী কৰিছেনে?

(গ) বিগত চৰকাৰৰ দিনত অসমত বিধায়ক পুঁজিৰ শিতানত সৰ্বমুঠ কিমান টকা মঞ্জুৰী দিয়া হৈছিল? (বিতং তথ্য সদনৰ মেজত দিব)

(ঘ) নগাওঁ জিলাৰ ৰুপহীহাট সমষ্টিৰ এই পুঁজিৰ পৰিমাণ কিমান আছিল?

(ঙ) এই পুঁজিৰ শিতানত কোন কোন আঁচনিৰ অধীনত কিমান টকা মঞ্জুৰী দিয়া হৈছিল আৰু আঁচনিবোৰৰ কাম সম্পূৰ্ণ হৈছেনে? (বিতং তথ্য সহকাৰে সদনৰ মেজত দাখিল কৰিব)

শ্ৰীপৃথিৱী মাঝি (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিধায়কৰ স্থানীয় এলেকা উন্নয়ন আঁচনিৰ নির্দ্দেশাৱলীত চাইন বোৰ্ড দিয়াৰ ব্যৱস্থা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) বিগত চৰকাৰৰ দিনত ২০০১-০২ ৰ পৰা ২০০৫-০৬ বৰ্ষলৈ অসমত বিধায়ক পুঁজিৰ শিতানত সৰ্বমুঠ ১৬৩৮০.০০ লাখ টকা মঞ্জুৰী দিয়া হৈছিল। (সবিশেষ তালিকা 'ক'ত দেখুওৱা হ'ল) (See Annexure-XVIII)

(ঘ) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিৰ এই পুঁজিৰ পৰিমাণ আছিল মুঠ ১৩০.০০ লাখ টকা। (সবিশেষ তালিকা 'খ'ত দেখুওৱা হ'ল) (See Annexure-XVIII)

(ঙ) ২০০১-০২ ৰ পৰা ২০০৫-০৬ বৰ্ষলৈ আঁচনিৰ নাম ও অগ্ৰগতিৰ খতিয়ান তালিকা 'গ'ত দেখুওৱা হ'ল। (See Annexure-XIX)

বিষয় ঃ PMGSY আঁচনিৰ ধন।

ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ

৪৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫-০৬ চনত PMGSY আঁচনিৰ অধীনত অসমত কিমান কিলোমিটাৰ ৰাস্তা ধৰা হৈছিল ?

(খ) উক্ত আঁচনিত কিমান কোটি টকা ধাৰ্য্য কৰা হৈছিল ?

(গ) এতিয়ালৈ ইয়াৰ কিমান শতাংশ কাম সম্পূৰ্ণ হ'ল ?

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্ৰী)য়ে মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০০৫-০৬ চনত PMGSY (Normal) আঁচনিৰ অধীনত ১০৬১.২৭ কিঃ মিঃ আৰু PMGSY (ADB) আঁচনিৰ

অধীনত ৯৯৯.২৪ কিঃ মিঃ ৰাস্তা ধৰা হৈছে।

(খ) ২০০৫-০৬ চনত PMGSY (Normal) আঁচনিৰ অধীনত ৫০১.৪২ কোটি আৰু PMGSY (ADB)ৰ অধীনত ৪২৫.৫৯ কোটি টকা ধাৰ্য্য কৰা হৈছে।

(গ) এতিয়ালৈ ২০০৫-০৬ চনৰ PMGSY (Normal)ৰ ২১ শতাংশ PMGSY (ADB)ৰ ২৪ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে।

Sub: Tea Tribes Welfare Implementation.

Shri Drupad Borgohain asked:

46. Will the Minister of Tea Tribes Welfare be pleased to state :

(a) What steps have been taken by the Government for the upliftment of Tea Tribes in Assam?

(b) Whether the Government has tried to implement the plantation labour Act by the management of different tea companies and the amenities under the said Act has been fully granted by them?

(c) What steps have been taken by the Government if the management of such companies has not granted such amenities

like drinking water supply, to Health Service to hygenic roads and buildings in labour lines etc.?

Shri Prithibi Majhi (Minister of Tea Tribes Welfare) replied :

(a) The State Government has been implementing various Welfare schemes for Socio economic development of the people belonging to Tea & Ex-Tea Garden Tribes through various Department. Following are the schemes, in brief, implemented by the Director for Welfare of Tea and Ex-Tea Garden Tribes.

1 Family Oriented Income Generating Scheme (FOIGS).

2 Pre-Matric Scholarship.

3 Post Matric Scholarship.

4 Grants to Non-Government Educational Institutions.

5 Grants for Cultural Activities including Educational Tour.

6 Grants to Non-Official Organisation.

7 Grants for construction of Boys and

Girls Hostel for Tea Garden Tribes Students.

8 Grants to patients suffering from Cancer and other malignant diseases.

9 Grants for purchase of Text-book and Uniforms.

10 Installation of Individual Electric Metre at Labour quarters in Tea Gardens etc.

Further construction work of a Rest House-cum Cultural Centre for the Tea-Tribes people at Rupnagar, Guwahati is going on in full swing and is expected to be completed in the early part of the next year (2007).

(b) & (c) Does not relates to Tea Tribes Welfare Department.

বিষয় ঃ হত্যাত জড়িত ব্যক্তিৰ নাম।

ডাঃ কমলা কলিতাই সুধিছে ঃ

৪৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গৰৈমাৰী ৰাজহ চক্রৰ মাহিমাৰী গাওঁ নিবাসী তথা গৰৈমাৰী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সভাপতি আবুল কালাম আজাদক ২০০৪ চনৰ ১২ জানুৱাৰীৰ নিশা হত্যা কৰা ঘটনা চৰকাৰৰ জ্ঞাতনে ?

(খ) এই হত্যাত জড়িত ব্যক্তিসকল চিনাক্ত হ'লনে? যদি হ'ল, তেওঁলোকৰ ওপৰত কি শাস্তিৰ ব্যৱস্থা হৈছে?

(গ) ২০০৩ চনৰ ফেব্রুৱাৰী মাহৰ ২৯ তাৰিখে জীৱিত অৱস্থাত আবুল কালাম আজাদে গৈৰেমাৰী আৰক্ষী চকীত দুজন ব্যক্তিৰ নাম উল্লেখ কৰি তেওঁৰ হত্যাৰ ভাবুকি অহা বুলি এখন এজাহাৰ দাখিল কৰা কথা চৰকাৰৰ জ্ঞাতনে?

শ্রীৰকিবুল হুছেইন (বন, পৰিবেশ আৰু পর্য্যটন মন্ত্রী)য়ে মুখ্যমন্ত্রীৰ হৈ উত্তৰ দিছেঃ

(ক) হয়, চৰকাৰ অৱগত।

(খ) এই হত্যাত জড়িত আচামীসকলক চিনাক্ত কৰি গ্রেপ্তাৰ কৰা হৈছে আৰু মহামান্য আদালতলৈ প্রেৰণ কৰা হৈছে। গোচৰটো বর্ত্তমান তদন্তাধীন হৈ আছে।

(গ) হয়, চৰকাৰ অৱগত। এই সংক্রান্তত গৈৰেমাৰী আৰক্ষী চকীৰ দৈনিক পঞ্জীয়ন নং ৩০১, তাং- ২১/২/২০০৩ মতে দৰজ দি ৰখা হৈছে। কিন্তু লিখিত এজাহাৰ নিদিয়া হেতুকে কোনো মোকর্দমা ৰুজু কৰা হোৱা নাই।

বিষয় ঃ পুনৰ পথ পকীকৰণ।

শ্রীবিনোদ গোৱালাই সুধিছেঃ

৪৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) সৰুপথাৰৰ পৰা বোকাজানলৈ যোৱা পথটোৰ পকী অংশ ভাঙি ৰাইজ তথা যান-বাহন চলাচলৰ অনুপযোগী হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত তেন্তে পুনৰ পকীকৰণ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) ২০০৪-০৫ চনৰ মুখ্যমন্ত্রী পকীপথ নির্মাণ আঁচনি MPNAত ৫ কিঃ মিঃ পথ পুনৰ পকীকৰণৰ ব্যৱস্থা লোৱা হৈছে। কাম প্রায় সম্পূর্ণ হোৱাৰ পথত।

বিষয় ঃ I.C.D.S. প্রকল্প।

শ্রীলিয়াকত আলী খানে সুধিছে ঃ

৪৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰৰপেটা জিলাৰ গোমাফুলবাৰী আঞ্চলিক পঞ্চায়তৰ I.C.D.S. প্রকল্প নতুনকৈ লোৱা আৰু উক্ত প্রকল্পত ৬০ টা অঙ্গনবাদী কেন্দ্র লোৱাটো সঁচানে ?

(খ) যদি সঁচা, গোমাফুলবাৰী I.C.D.S.প্রকল্পৰ অধীনৰ দুখীয়া আৰু চৰ অঞ্চলৰ ৰাইজৰ বাবে অঙ্গনবাদী কেন্দ্রৰ সংখ্যা ২০টালৈ বৃদ্ধি কৰিবনে ?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) তেনে কোনো প্রস্তাৱ চৰকাৰৰ হাতত বর্ত্তমানে নাই।

বিষয় ঃ P.F.ৰ টকা।

শ্রীৰঞ্জিত দত্তই সুধিছে ঃ

৫০। মাননীয় শ্রম ও নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ কেটেলা চাহ বাগিছাৰ P.F.ৰ টকা কিমান জমা দিবলৈ বাকী আছে?

(খ) উক্ত চাহ বাগিছাই Staff আৰু Sub-Staffকি কেইমাহৰ দৰমহা দিবলৈ বাকী আছে?

(গ) উক্ত চাহ বাগিছাত Doctor আছেনে?

(ঘ) P.F.ৰ আৰু দৰমহা দিবলৈ বাকী থকাৰ বাবদ উক্ত চাহ বাগিছাৰ ওপৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্রীপৃথিৱী মাঝি (শ্রম ও নিয়োগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শোণিতপুৰ জিলাৰ কেটেলা চাহ বাগিছাৰ ভৱিষ্যনিধিৰ বাবদ অনাদায় ধনৰ পৰিমাণ মুঠ ৮৭,৬৯,৬৩৬.৯৬ টকা।

(খ) কেটেলা চাহ বাগিছাই যোৱা ২০০৫ চনৰ মে' মাহৰ পৰা মুঠ ১৩ (তেৰ) মাহৰ দৰমহা Staff ক দিবলৈ বাকী আছে। Sub-Staffৰি দৰমহা দিবলৈ বাকী নাই।

(গ) উক্ত চাহ বাগিছাত আবাসিক Doctor নাই।

(ঘ) ভৱিষ্যনিধি দিয়াৰ বাবদ বিধি অনুসৰি দিবলগীয়া নটিচ জাৰি কৰা হৈছে।

DISCUSSION ON ZERO HOUR MATTER

Mr. Speaker : Item No. 2. I have received as many as 3 Nos. of Zero Hour Notices from Hon'ble Members :

1) Shri Mission Rajan Das.
   Shri Ranjit Dutta

2) Shri Mohibul Haque

3) Shri Ananta Deka

I have taken two Zero Hour Notices. Now, I call upon Shri Mission Ranjan Das.

★ শ্রীহিৰেণ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮ তাৰিখ প্রতিদিন কাকতৰ এটা কেপচনৰ ওপৰত মই প্রশ্ন এটা দিছিলো। সেই প্রশ্নটো এডমিট কৰা নাই। আন আন প্রশ্ন প্রিন্ট হৈছে।

Mr. Speaker : Not allowed. I have taken decision as per procedure.

Shri Abdul Aziz : Sir, This is my question. Please accept it.

Mr. Speaker : Your question is not admitted. This is not as per Assembly procedure. Now, Shri Mission Ranjan Das.

★ শ্রীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ৭ জুলাই তাৰিখে অসমীয়া প্রতিদিন কাকতত প্রকাশিত 'চৰকাৰৰ অৱহেলাত হোমিঅ' শিক্ষাৰ স্মশান যাত্রা' শীর্ষক বাতৰিটোৰ প্রতি বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰি এই ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে সেই সম্পর্কে জানিব বিচাৰিছো। এই বাতৰিটোত এনে ধৰণৰ এটা বাতৰি ওলাইছে যে ৰাজ্য চৰকাৰৰ চূড়ান্ত অৱহেলাৰ ফলত ৰাজ্যখনত হোমিঅ' শিক্ষাৰ স্মশান যাত্রা আৰম্ভ হৈছে। অসমৰ তিনিওখন চৰকাৰী হোমিঅ' শিক্ষানুষ্ঠানৰে কেন্দ্রীয় হোমিঅ' পৰিষদে ২০০৩ চনতে স্বীকৃতি বাতিল কৰিছে। এই স্বীকৃতি বাতিল হোৱাৰ তিনি বছৰ পাৰ হৈ যোৱাৰ পিছতো

★ Speech not corrected.

ৰাজ্য চৰকাৰে মহাবিদ্যালয়কেইখনৰ অভাৱ-অভিযোগসমূহ দূৰ কৰি ইয়াৰ স্বীকৃতি ঘূৰাই অনাৰ কোনো ব্যৱস্থা হাতত নোলোৱাৰ ফলত চৰকাৰী স্তৰৰ হোমিঅ' শিক্ষা বন্ধ হোৱাটো নিশ্চিত হৈ পৰিছে। ইয়াৰ ফলত মহাবিদ্যালয় কেইখনত অধ্যয়ন কৰি থকা আৰু নতুন ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ কেন্দ্ৰীয় হোমিঅ' পৰিষদৰ স্বীকৃতি অবিহনে মূল্যহীন হৈ পৰা আশংকাই দেখা দিছে। দ্বিতীয়তে, আমি আৰু এটা কথা দেখিছো যে ৰাজ্যৰ তিনিওখন মহাবিদ্যালয়ত ক্ৰমে নগাওঁত ৩৬ জন, যোৰহাটত ৩৪ জন আৰু গুৱাহাটীত ২৫ জন শিক্ষকৰ প্ৰয়োজন যদিও আটাইকেইখন মহাবিদ্যালয় মিলি প্ৰায় ৩৫জন শিক্ষকেহে কাম কৰি আছে। তদুপৰি চৰকাৰীভাবে এতিয়ালৈকে মাত্ৰ ৭৫ জন চিকিৎসকেহে চৰকাৰী চিকিৎসালয়ত নিযুক্তি দিয়াৰ লগতে ১৯৯৫ চনৰ পৰা চৰকাৰে নিযুক্তি বন্ধ ৰাখিছে। গতিকে মই এই বিষয় কেইটাত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে, মহাবিদ্যালয়কেইখনৰ ৰিকগনিচন ঘূৰাই অনাৰ বাবে কি ব্যৱস্থা হাতত লৈছে, সেই সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মিশ্বন ৰঞ্জন দাস ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, সেই সম্পৰ্কে মই ক'ব খোজো যে আমাৰ ৰাজ্যখনত তিনিখন হোমিঅ' মহাবিদ্যালয় আছে আৰু এই তিনিওখন মহাবিদ্যালয়ৰে স্বীকৃতি কেন্দ্ৰীয় হোমিঅ' কাউন্সিলে স্থগিত কৰি ৰখা কথাটো সত্য। এই বিষয়টোৰ সম্পৰ্কত আমি কেইবছৰমানৰ পৰা হোমিঅ' মহাবিদ্যালয় কেইখনৰ ক্ষেত্ৰত কি ব্যৱস্থা লব পৰা যায় সেই সম্পৰ্কে চিন্তা-চৰ্চা কৰি থকা হৈছে। এই মহাবিদ্যালয় কেইখনৰ পদসমূহ নীতিগতভাবে পূৰণ কৰাৰ বাবে আমি

★ Speech not corrected.

চেষ্টা চলাই আছো। কিন্তু মই এটা কথা কওঁ যে কোনো চেংচন পোষ্ট পূৰণ নোহোৱাকৈ থকা নাই। নতুন পদসমূহৰ কাৰণে আমি বিত্ত বিভাগলৈ প্রস্তাৱ প্রেৰণ কৰিছো যদিও এই ক্ষেত্রত বিত্ত বিভাগে কেইটামান গুৰুত্বপূর্ণ প্রশ্ন কৰিছে। আজি অসমত তিনিখন এল'পেথিক মহাবিদ্যালয় আছে আৰু সেই কেইখন হ'ল- ডিব্রুগড়, শিলচৰ আৰু গুৱাহাটী। তাৰ বাহিৰেও গুৱাহাটীত এখন আয়ুর্বেদিক মহাবিদ্যালয় আছে। এতিয়া এটা কথা উঠিছে যে আমি তিনিওখন হোমিঅ' কলেজ চলি থাকিবলৈ দিমনে? তিনিওখন মার্চ কৰি এখন ভাল হোমিঅ' মহাবিদ্যালয় গঢ়ি তুলিম। আমি যদি এখন ভাল হোমিঅ' কলেজ গঢ়ি তুলি তাৰ পৰা যি আউটপুট পাম সেইটো উচিত হ'বনে? তিনিওখন মহাবিদ্যালয়কে এনেদৰে চলি থাকিবলৈ দিম। গতিকে এই বিষয়টোলৈ আমি অতি গভীৰভাবে চিন্তা-চর্চ্চা কৰি আছো আৰু ডেৰ মাহমানৰ ভিতৰতে এই ক্ষেত্রত এটা সিদ্ধান্ত লব পৰা হ'ব বুলি আশা ৰাখিছো। এই তিনিখন মহাবিদ্যালয়ৰ ভিতৰত আমি যদি এখন মহাবিদ্যালয় বাছি লৈ পূর্ণাঙ্গ ৰূপত গঢ়ি তুলিব খোজো তেনেহ'লে কোনখন বাছি লম আৰু বাকী কেইখন কি হ'ব ? সেই কেইখন পাৰা মেডিকেল ক'র্চ হিচাপে চলাব পাৰি নেকি সেই সম্পর্কে আমি চিন্তা কৰি আছো। এই আটাইবিলাক কথা আমি বিত্ত বিভাগৰ লগত যোগাযোগ কৰি আছো যদিও এতিয়ালৈকে চূড়ান্ত সিদ্ধান্ত হোৱা নাই। হয়তো তিনিওখন কলেজকে চলি থাকিবলৈ দিয়া হব পাৰে বা এখন কলেজ কৰাৰো সিদ্ধান্ত হ'ব পাৰে। এই বিষয়টো মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ লগত গুৰুত্ব সহকাৰে আলোচনা কৰা হ'ব আৰু যিহেতু তেখেত বিত্ত বিভাগৰ দায়িত্বত আছে তেখেতে বাজেট অধিবেশনৰ পিছত এই ক্ষেত্রত নিশ্চয় গুৰুত্ব দি কিবা

এটা উচিত সিদ্ধান্ত গ্রহণ কৰিব। গতিকে বাজেট পাছ হোৱাৰ পিছত এই সকলোবিলাক বিষয়তে আমি সিদ্ধান্ত গ্রহণ কৰিব পাৰিম আৰু অহাবাৰ সদন বহিলে এই ক্ষেত্রত লোৱা ব্যৱস্থাসমূহ সম্পর্কে সদনত অৱগত কৰিব পৰা হব।

Mr. Speaker : Now, I call upon Shri Mohibul Haque, Hon'ble Member to raise the Zero Hour Question on appointment on compassionate ground published in the news paper "Ajir Dainik Batori" dated 10th July, 2006.

শ্রীমহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি দৈনিক বাতৰি কাকতত প্রকাশিত 'কম্পেচনেট গ্রাউণ্ডত নিযুক্তি কেতিয়া' এই শিৰোণামাৰে প্রকাশিত বাতৰিটো এই পৱিত্র সদনৰ জড়িয়তে অসমৰ চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো। যোৱা ৫ টা বছৰে তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰে এটা অভিলেখ সৃষ্টি কৰিলে। ৰাস্তা-ঘাট, দলং, বিভিন্ন উন্নয়নমূলক কার্য্যসূচীৰ জড়িয়তে সেইখিনি সম্পন্ন কৰিলে। যাৰ বাবে যোৱা নির্বাচনতো অসমৰ ৰাইজে তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰৰ প্রতি আস্থা প্রকাশ কৰি পুনৰবাৰ দায়িত্ব দিছে। যোৱা এ.জি.পি. চৰকাৰৰ দিনত ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ যিখিনি কাম হৈছিল বা কি কি কাম সম্পন্ন কৰিলে সেইখিনি আজি আমি বিধান সভাত তথ্য সহকাৰে পাইছো। লগতে তৰুণ গগৈ চৰকাৰে কোনখিনি কাম কৰিলে তাৰো তথ্য সহকাৰে আমি পাইছো। অধ্যক্ষ মহোদয়, আমি জানো যে ১৯৮৩ চনতে চৰকাৰে এটা সিদ্ধান্ত লৈছিল যে বিভিন্ন বিভাগত খালী হৈ থকা

পদসমূহত শতকৰা ৫ ভাগ কম্পেচনেট গ্ৰাউণ্ডত নিযুক্তি দিয়া হ'ব। এই সম্পৰ্কে এটা নিৰ্দ্দেশো জাৰি কৰা হৈছিল। অধ্যক্ষ মহোদয়, যোৱা তিনিটা বছৰ অতিক্ৰম হৈ গ'ল। বিভিন্ন বিভাগত নিযুক্তি হৈয়ে থাকিল, কিন্তু কোনো ধৰণৰ কম্পেচনেট গ্ৰাউণ্ডত কোনো এজনক নিযুক্তি নিদিয়াৰ বাবে বহুতে হাইকোৰ্ট কৰিলে আৰু তাৰ ভিতৰত কিছুমানক নিযুক্তি দিয়া হ'ল। অধ্যক্ষ মহোদয়, কম্পেচনেট গ্ৰাউণ্ডত শতকৰা পাঁচ ভাগ নিযুক্তি দিয়াৰ বাবে ১৯৮৩ চনতে চৰকাৰী নিৰ্দ্দেশ জাৰি কৰা হয় যদিও এতিয়াও কোনো এজনকে নিযুক্তি নিদিয়াৰ বাবে এইসকল লোকৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। আমি দেখিবলৈ পাইছো যে কোনোবা এঘৰ মানুহৰ দেউতাক-মাক চাকৰি কৰি থকা অৱস্থাতে ঢুকুৱাৰ পিছত তেওঁলোকৰ উপযুক্ত ল'ৰা বা ছোৱালী কম্পেচনেট গ্ৰাউণ্ডত নিযুক্তি দিব লাগে যদিও তেওঁলোকক নিযুক্তি দিয়া হোৱা নাই। সেয়েহে আজি মই এই পৱিত্ৰ সদনৰ জড়িয়তে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে যোৱা ৫ টা বছৰে তেখেতে যি অভিলেখ সৃষ্টি কৰিলে ঠিক তেনে ধৰণে কম্পেচনেট গ্ৰাউণ্ডত নিযুক্তিৰ ক্ষেত্ৰতো অভিলেখ সৃষ্টি কৰিব বুলি মই আশা কৰিলো। অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে বাতৰি কাকতৰ জড়িয়তে গম পাইছো যে চৰকাৰে অলপতে ১২,০০০ খালী পদত নিযুক্তি দিয়াৰ বাবে এটা সিদ্ধান্ত লৈছে। এইটো আমি ভাল পাইছো। কিন্তু কম্পেচনেট গ্ৰাউণ্ডৰ ক্ষেত্ৰত যি পদ্ধতি কৰা হৈছিল সেই পদ্ধতি ঠিক হোৱা নাই। মাটি-বাৰী, গৰু আদি বিক্ৰী কৰি কম্পেচনেট গ্ৰাউণ্ডত নিযুক্তি পাবলৈ দিশপুৰলৈ আহি প্ৰাৰ্থীসকল হাৰাশাস্তি খাবলগীয়া হৈছে। অধ্যক্ষ মহোদয়, মই অলপতে মোৰ সমষ্টিলৈ যাওঁতে তাৰ এজনী বিধৱা মহিলাৰ কি অৱস্থা হৈছিল শুনিলে

চকুৰ পানী ওলাব।

Mr. Speaker : No, No, Mr. Haque, you are raising a matter out of you are making all the speaches.

শ্রীমহিবুল হক ঃ ঠিক আছে চাৰ। মই মাত্র উদাহৰণহে দিব বিচাৰিছিলো। আমাৰ ধুবুৰী জিলাতো বহুত এল. পি., এম. ই. স্কুলত পদ খালী হৈ আছে। কিন্তু কম্পেচনেট গ্রাউণ্ডত এতিয়ালৈকে কাকো নিযুক্তি দিয়া হোৱা নাই। গতিকে মাননীয় মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে কম্পেচনেট গ্রাউণ্ডত নিযুক্তি দিয়াৰ বাবে এতিয়া কি প্রচেচ আছে সেইখিনি সলনি কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, কম্পেচনেট গ্রাউণ্ডত চাকৰি পাবৰ কাৰণে যিসকলে আবেদন কৰিছে সেইসকলৰ ৰেকর্ড ডিপার্টমেন্টত আছে। কেইবাবছৰো হৈ গ'ল, তেওঁলোকৰ একো সুবিধা হোৱা নাই। অৱস্থা জুৰুলা হৈছে। সেইকাৰণে মই তেওঁলোকক এটা পৰামর্শ দি কওঁ এইবিলাক বাদ দিয়া। যাৰ যি মাটি আছে, সেইবিলাকো গুচি যাব। চৰকাৰে কিছু ক্ষেত্রত অভিলেখ সৃষ্টি কৰা বুলি কৈছে যে সেইটো ঠিকেই কৰিছে। এতিয়া এই চাকৰি ক্ষেত্রত এটা সহজ উপায় কৰক। অতি সহজে যাতে সেই কম্পেচনেট গ্রাউণ্ডত চাকৰি পাব বুলি আশা কৰিছে তেওঁলোকৰ কাৰণে অভিলেখ সৃষ্টি কৰক। এইখিনি কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

★ **ডাঃ ভূমিধৰ বর্মন** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা বিষয়টো আমি বাতৰি কাকতত পঢ়িবলৈ পাইছো। কম্পেচনেট গ্রাউণ্ডত ৫ শতাংশ নিযুক্তি দিয়া হৈছিল যদিও কেইবছৰমান ধৰি এই নিযুক্তি বন্ধ হৈ আছে। তাৰ মাজেদি কিছু কিছু ক্ষেত্রত নিযুক্তি

★ Speech not corrected.

দিয়া হৈ আছে। কম্পেচনেট গ্রাউণ্ডত নিযুক্তি দিয়াৰ বাবে এপ্রোভেল দিয়া হৈছিল। কিন্তু এতিয়া চৰকাৰে দেখিছে যে মৃতকৰ সংখ্যা ইমান বেছি হৈছে, তেওঁলোকৰ নিকটৱৰ্ত্তী লোকসকলক কম্পেচনেট গ্রাউণ্ডত নিযুক্তি দিয়াটো সম্ভৱ নহয়। সেইকাৰণে ৰাজ্য চৰকাৰে এখন কমিটি গঠন কৰি দিছে। কমিটিখনৰ চেয়াৰমেন শ্রীপ্রফুল্ল চন্দ্র শর্মা, এমপ্লইমেন্ট ডিপার্টমেন্ট আৰু পার্চনেল ডিপার্টমেন্টৰ সচিবক সদস্য হিচাবে লৈ এখন কমিটি গঠন কৰি দিয়ে। এই কমিটিয়ে সকলো কথা চালি জাৰি চাই নিয়ম অনুসাৰে চৰকাৰৰ ওচৰত প্রতিবেদন দাখিল কৰিছে। সেই প্রতিবেদন চৰকাৰে বিবেচনা কৰি নিয়ম নীতি গ্রহণ কৰি নিযুক্তি প্রক্রিয়াত আগবাঢ়িব পাৰিব।

REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker : Report of the Business Advisory Committee held on 10.7.2006.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 11.30 A.M. on 13th June, 2006 in the Conference Room of my Office Chamber at Dispur to finalise the calender for the

Budget Session of the Assembly commencing from today, the 10th July, 2006.

The Committee after a threadbare discussion decided that the current session of the Assembly should continue till 26th July, 2006. There would be nine working days out of which 8 days would be devoted for transaction of Government Business and 1 day would be devoted for transaction of Private Members' Business.

The Calender for the current session has been circulated amongst all the Hon'ble Members of the House.

I hope, this has the approval of the House.

PANEL OF CHAIRMEN

Mr. Speaker : Now, Item No. 3. There is an announcement.

Under Rule 9(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I nominate the following Hon'ble Members to constitute the

panel of Chairmen for the Budget Session of the 12th Assembly, 2006.

1. Shri Rameswar Dhanowar,
2. Captain Robin Bordoloi,
3. Shri Grindra Kumar Baruah,
4. Shri Ranjit Dutta.

CALL ATTENTION NOTICE

Mr. Speaker : Now, Item No. 4. Hon'ble Member, Shri Girindra Kumar Baruah to call the attention of the Minister, Forest under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Dainik Asom" dt. 5th June, 2006 under the caption : "বেদখলত বিলুপ্তিপ্রায় লাওখোৱা"।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো আলোচনা কৰিবলৈ অনুমতি দিয়া কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। চাৰ, ৫/৬/২০০৬ তাৰিখে দৈনিক অসমত প্রকাশিত "বেদখলত বিলুপ্তিপ্রায় লাওখোৱা" শীর্ষক বিষয়টো মই মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিবৰ কাৰণে পৱিত্র সদনত বিষয়টো উত্থাপন কৰিব বিচাৰিছো।

চাৰ, আপুনি বা আমি প্ৰত্যেকে এটা কথা জানো যে বেদখল আমাৰ এটা সামাজিক ব্যাধি হৈ পৰিছে। নগাওঁ জিলা লাওখোৱা অভয়াৰণ্যখন ৭০ বৰ্গ কিলোমিটাৰৰ মাটিকালি আছে। এই অভয়াৰণ্যখনত ১৯৮৩ চনত পৰিসংখ্যা দেখা যায় সেই সময়ত ১০৩টা গড় আছিল। তাৰোপৰি তাত বেঙ্গল টাইগাৰ, হৰিণ, বিভিন্ন প্ৰজাতিৰ চৰাই আদিকে ধৰি নানা ধৰণৰ পশু-পক্ষী সেই অভয়াৰণ্যখনত আছিল। জীৱ-জন্তুৰ উপৰিও সেই অভয়াৰণ্যখনত মূল্যবান শাল, চেগুন গছ আদি কৰি বিভিন্ন বনজ সম্পদ আছিল। তাত যিবিলাক জলাশয় আছিল তাত নানা ধৰণৰ মূল্যবান মাছ কাছ আদিয়ে আছিল। কিন্তু দূৰ্ভাগ্যজনক কথা বাতৰি কাকতত উল্লেখ কৰা হৈছে যে এই ৭০ কিঃ মিঃ ব্যাসার্দ্ধৰ মাটিকালি এলেকাৰ অভয়াৰণ্যখন লাহে লাহে শেষ হোৱাৰ উপক্ৰম হৈছে। সেই অভয়াৰণ্যখনত ৰেঞ্জ অফিচ আছে। চৰকাৰী ঘৰ আছে। এইবিলাক থকা স্বত্বেও বেদখলকাৰী সকলে বেদখল কৰিবলৈ সুবিধা পাইছে। এই ক্ষেত্ৰত মাননীয় বন মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে? ২০০২-২০০৩ চনত বন বিভাগে বেদখলমুক্ত কৰিবলৈ এখন আঁচনি প্ৰস্তুত কৰিছিল। হেংৰাবাৰী অঞ্চলত ঘৰুৱাভাবে বেদখল কৰি থকা লোকসকলক উচ্ছেদ কৰা হ'ল। কিন্তু দূৰ্ভাগ্যজনক কথা হ'ল সেই উচ্ছেদ হোৱা সকলক চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। লাওখোৱা অভয়াৰণ্যখনৰ বিষয়ে ২০০৫ চনত এন. ই. টি. ভিয়ে আৰু উচ্ছেদৰ বিষয়ে প্ৰচাৰ চলাইছিল। তাত কেনে ধৰণৰ বেদখল কৰা হৈছে, কাঠ কাটি আনি নগাওঁ চহৰৰ বজাৰত বিক্ৰী কৰা হৈছে। সেই গোটেইবিলাক এন. ই. টি. ভিৰ জড়িয়তে প্ৰচাৰ কৰিছিল। কিন্তু চৰকাৰে কেনো ধৰণৰ বাস্তৱ ব্যৱস্থা নললে।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনিলে আচৰিত হ্ব বন বিভাগৰ বিভিন্ন এলেকাৰ পৰা গছ কাটি তাৰ পৰা কাঠ ফালি আনি বজাৰত বিক্রী কৰে। নগাওঁ তেলিয়া বজাৰত মাছ বিক্রী কৰে। লাওখোৱা অভয়াৰণ্যত পশু-পক্ষীৰ সংখ্যা কমি গৈছে। সেইকাৰণে মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যে বাতৰি কাকতত প্রকাশিত হোৱা কথাখিনিৰ ক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো।

শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ডাঙৰীয়াই লাওখোৱা বনাঞ্চলৰ যি বিষয়ে যিখিনি কথা উল্লেখ কৰিছে সেই ক্ষেত্রত মই অৱগত। বনাঞ্চলখন কি অৱস্থাত আছে তথ্য সহকাৰে আমি জানিব বিচাৰিছো। সেইটো জানিবৰ কাৰণে বিষয়াক দায়িত্ব দিয়া হৈছে। তথ্য ইতিমধ্যে আমাৰ হাতত আহি পৰিছে। বনাঞ্চল বেদখল হোৱা তথ্য প্রমাণ সহকাৰে পালে বন বিভাগৰ বিষয়াৰ ওপৰত ৰেচপনচিবিলিটি ফিক্স কৰি বিহিত ব্যৱস্থা গ্রহণ কৰা হ'ব।

অধ্যক্ষ মহোদয়, শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই উত্থাপন কৰা প্রশ্নটোৰ উত্তৰ আমি বিভাগীয়ভাবে যুগুত কৰিছো। আপোনালোকে শুনি ভাল পাব যে নগাওঁ জিলাৰ অন্তর্গত আৰু নগাওঁ বন্যপ্রাণী সংমণ্ডলৰ অধীনস্থ লাওখোৱা অভয়াৰণ্যখন ১৯০৭ চনতে সংৰক্ষিত বনাঞ্চল (Reserved Forest) ১৯২২ চনত মৃগয়াবন (Game Reserve) আৰু ১৯৭৯ চনত অভয়াৰণ্য (Wildlife Sanctuary) হিচাপে ঘোষণা কৰা হয়। বর্ত্তমানে ইয়াৰ মাটিকালি ৭০.১ বর্গ কিঃ মিঃ। এই অভয়াৰণ্যখনৰ মাজেৰে পূবা-পশ্চিমাকৈ ব্রহ্মপুত্রৰ মাথাউৰিটো পাৰ হৈ গৈছে। মাথাউৰিটোৰ উত্তৰ অংশৰ মাটিকালি প্রায় ৪৭.৬ বর্গ কিঃমিঃ আৰু দক্ষিণ অংশৰ মাটিকালি প্রায় ২২.৫ বর্গ কিঃমিঃ।

অভয়াৰণ্যখন ঘোষণাৰ আগতে ইয়াৰে উত্তৰৰ অংশটো লাওখোৱা আৰু হালধীয়া সুঁতি নামৰ দুখন টঙিয়া গাওঁ আছিল আৰু গাওঁ দুখনৰ মুঠ ১১১ টা পৰিয়ালৰ মাজত ৪৯৮ বিঘা অর্থাৎ .৬৬৪ বর্গ কিঃ মিঃ মাটি আৱন্টিত কৰি দিয়া আছিল। ঠিক তেনেদৰেই দক্ষিণৰ অংশটোতো শিঙিমাৰি বনগাওঁৰ লগতে বৰুণগুৰি, লালুংগাওঁ, বালিয়াডিঙা, নলকাটা আৰু চুনচৰ নামৰ পাঁচখন টঙিয়া গাওঁ আছিল আৰু মুঠ এই ছয়খন গাওঁৰ মুঠ ২৪৮ টা পৰিয়ালৰ মাজত ২৬৬১ বিঘা অর্থাৎ ৩.৫৪৮ বর্গ কিঃমিঃ মাটি আৱন্টিত কৰি দিয়া আছিল অর্থাৎ লাওখোৱা বনাঞ্চলত থকা মুঠ ৮ খন গাওঁৰ বাবদ মুঠতে ৪.২১২ বর্গ কিঃ মিঃ মাটি আৱন্টিত হৈ আছে। ইয়াৰ উপৰি মাথাউৰিটোৰ দক্ষিণৰ অংশটোৰে কিছু মাটি Rupahi Union Fishing & Firming Co-operative Society নামৰ সংগঠনটোৰ দখলত আছিল আৰু ১৯৫৮ চনতে চৰকাৰে সেই সমিতিৰ নামত ২৫০০ বিঘা অর্থাৎ প্রায় ৩.৩৩ বর্গ কিঃ মিঃ মাটি এক বছৰৰ বাবে আৱন্টন দিয়ে। সেই আৱন্টন পুনঃ ১৯৫৯ চনত ৩ বছৰৰ বাবে, ১৯৬২ চনত ৩ বছৰৰ বাবে আৰু ১৯৬৭ চনত ৩ বছৰৰ বাবে আৱন্টন ম্যাদ বঢ়োৱাৰ পিছত ১৯৭১ চনত মাটিখিনি অসংৰক্ষিত কৰি ৰাজহ বিভাগক চমজাই নিদিয়া পর্য্যন্ত আৱন্টনৰ ম্যাদ বঢ়াই দিয়ে। কিন্তু ১৯৮৭ চনত নগাওঁ বন সংমণ্ডল প্রাধিকাৰীয়ে চৰকাৰৰ লগত আলোচনা কৰি উক্ত আৱন্টনৰ ম্যাদ সমাপ্তি ঘটায়। পিছত সমিতিয়ে উক্ত নির্দ্দেশনাৰ বিৰুদ্ধে মহামান্য গুৱাহাটী উচ্চ-ন্যায়ালয়ত এক গোচৰ ৰুজু কৰে। যিহেতু অভয়াৰণ্যখন ঘোষণা কৰিবৰ বাবে বন্যপ্রাণী সংৰক্ষণ আইনৰ নিয়মসমূহ মানি চলা হোৱা নাছিল। সেয়েহে মহামান্য উচ্চ ন্যায়ালয়ে বন সংমণ্ডল প্রাধিকাৰীৰ উক্ত

নির্দ্দেশটো নাকচ কৰে। পিচত এই ৰায়ৰ বিৰুদ্ধে চৰকাৰে উচ্চতম ন্যায়ালয়ত Appeal কৰে। মহামান্য উচ্চতম ন্যায়ালয়ে দুয়ো পক্ষক শুনাৰ পিচত সমিতিক তেওঁলোকৰ নামত মাটি আৱন্টনৰ বাবে ৬ মাহৰ ভিতৰত আবেদন কৰিবৰ বাবে নির্দ্দেশ দিয়ে। ন্যায়ালয়ৰ এই নির্দ্দেশ মর্মে চৰকাৰে নগাওঁ জিলাৰ অতিৰিক্ত উপায়ুক্তক Collector হিচাপে নিযুক্তি দিয়ে আৰু তেখেতে বন্যপ্রাণী সংৰক্ষণ আইনৰ ১৯ ৰ পৰা ২৬ ধাৰামতে অনুসন্ধান কৰি সমিতিৰ বাবে ৭০০ ৰ পৰা ১০০০ বিঘা মাটি উপলব্ধ কৰাব লাগে বুলি পৰামর্শ আগবঢ়ায় আৰু সেইমতে তেখেতে বন সংমণ্ডল প্রাধিকাৰীৰ বিৰোধিতা স্বত্বেও মাথাউৰিৰ দক্ষিণত অৱস্থিত সৰলনি বিলৰ পশ্চিম পাৰত ১ কিঃ মিঃ দীঘল আৰু ৩০ মিটাৰ বহল মাটি খণ্ড সমিতিৰ নামত দিবৰ বাবে অনুমোদন জনায়। দেখা যায় ৭০০ ৰ পৰা ১০০০ বিঘা পর্য্যন্ত আৱশ্যক হোৱা মাটিৰ বিপৰীতে উক্ত অনুমোদিত মাটিৰ পৰিমাণ কেৱল ৩ হেক্টৰ অর্থাৎ ২২½ বিঘাহে। কিন্তু ইয়াৰ নিকটৱর্ত্তী এলেকাত আৱন্টন দিব পৰা তেনে কোনো মাটি নথকাৰ বাবে ইয়াৰ এতিয়াও এটা সমাধান উলিয়াব পৰা হোৱা নাই। ইয়াৰে সুযোগ লৈ সমবায় সমিতিখনে তেওঁলোকৰ মাটিখিনি দখল কৰি থকাৰ উপৰিও গাওঁৰ মানুহেও অভয়াৰণ্যখনৰ ভিতৰৰ কিছু মাটিত খেতি কৰি আছে আৰু টঙিয়া গাওঁ কেইখনেও তেওঁলোকৰ নামত আৱন্টিত মাটিতকৈ কিছু অধিক মাটি দখল কৰি আছে। উল্লেখযোগ্য যে এই বেদখলসমূহত কোনো ঘৰ নাই। কিন্তু পার্শ্বৱর্ত্তী বাসিন্দাসকলে সময়ে সময়ে কেৱল খেতি আদি কৰে। সেয়েহে সময় সুবিধা আৰু পুঁজি সাপেক্ষে এইবিলাকত মাজে সময়ে উচ্ছেদ অভিযান চলোৱা হয়।

বাতৰিটোত উল্লেখ কৰা ধৰণে অভয়াৰণ্যখন বেদখলত বিলুপ্তপ্রায় হোৱা কথাটো সত্য নহয়। এইটো অৱশ্যে সঁচা যে ১৯৮৩ চনলৈ অভয়াৰণ্যখনত প্রায় ৬০ টাৰ ওপৰত গড় থকা বুলি ঠাৱৰ কৰা হৈছে। কিন্তু ১৯৮৩ চনত উদ্ভৱ হোৱা শোচনীয় আইন-শৃঙ্খলা পৰিস্থিতিৰ সুবিধা লৈ দুস্কৃতিকাৰীসকলে ৩০ টা মান গড় নিধন কৰে আৰু বাকীকেইটা হয়তো কাজিৰঙা, ওৰাং আদি অভয়াৰণ্যলৈ গুচি যায়। বর্ত্তমান এই অভয়াৰণ্যখনত আবাসী গড় নাই যদিও মাজে সময়ে ওৰাং কাজিৰঙাৰ পৰা দুই এটা গড় আহি কিছুদিন থাকি আকৌ গুচি যায়। অভয়াৰণ্যখনত বাঘৰ সংখ্যা যথেষ্ট উৎসাহজনক বুলি কব লাগিব। গণনা কৰা মতে ২০০৫ চনত পোৱা ১১টা বাঘৰ বিপৰীতে ২০০০ চনত ই বৃদ্ধি হৈ ১৭ টা হৈছেগৈ বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰি হাতী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি, বান্দৰ, বন মেকুৰী, বেঙ্গল ফ্লৰিকান আদি থকাৰ উপৰিও জলাশয়বিলাকত বিভিন্ন প্রজাতিৰ মাছৰ লগতে বহুতো থলুৱা চৰাই আৰু পৰিভ্রমি চৰাই দেখিবলৈ পোৱা যায়।

পুঁজিৰ নাটনিৰ বাবে অৱশ্যে অভয়াৰণ্যখনৰ পৰিগাঠনি যেনেদৰে শক্তিশালী কৰি তুলিব লাগিছিল তেনেদৰে কৰিব পৰা নাই। তথাপি ইয়াৰ পৰিচালনাৰ বাবে গড়াজানত এটা বনাঞ্চলিক কার্য্যালয়, ইয়াৰ অধীনত তিনিটা উপখণ্ড বন কার্য্যালয় আৰু বিভিন্ন ঠাইত ১৪ টা নিৰীক্ষণ চকী আছে। অভয়াৰণ্যখনত ৬০ জন বন কর্মচাৰী আৰু ১৪ জন শ্রমিক বা সাময়িক বনুৱা আছে যদিও অভয়াৰণ্যখনক সম্পূর্ণ সুৰক্ষা দিবলৈ সেয়া যথেষ্ট বুলি কব নোৱাৰি। এই কর্ম্মীসকলে বর্ত্তমানে ১৮টা (পইন্ট) .৩১৫ ৰাইফল, চাৰিটা বন্দুক, Wireless মাত্র এটা Main set আৰু ৭টা Hand setৰ সহায়ত অভয়াৰণ্যখনৰ ভিতৰত তেওঁলোকৰ

দায়িত্ব পালন কৰি আছে। তেওঁলোকৰ তহলদাৰীৰ বাবে বনাঞ্চলিক কার্য্যালয়ত এখন জীপ গাড়ী আৰু বাৰিষা যাতায়ত আৰু তহলদাৰীৰ বাবে নিৰীক্ষণ চকীবিলাকত দেশীয় নাওঁৰ ব্যৱস্থা কৰা আছে। এইখিনিতে উল্লেখ কৰিব খোজো যে অভয়াৰণ্যখনৰ পাশ্বৱৰ্ত্তী এলেকাসমূহ ঘন বসতিপূর্ণ হোৱা বাবে ইয়াৰ ওপৰত Biotic Pressure যথেষ্ট পৰাটো নুই কৰিব নোৱাৰি। সেয়েহে বর্ত্তমান ইয়াৰ দাতিকাষৰীয়া লোকসকলক জড়িত কৰি অভয়াৰণ্যখন সুৰক্ষা দিয়াৰ চেষ্টা কৰা হৈছে। লগতে চৰকাৰে গঠন কৰি দিয়া Rhino Translocationৰ টাস্ক ফোর্চেও মানসৰ পিছতে দ্বিতীয় পর্য্যায়ত লাওখোৱাতে গড় সংস্থাপিত কৰিবৰ বাবে সিদ্ধান্ত লৈছে বুলি জানিব পৰা গৈছে। গতিকে চৰকাৰে অনতিপলমে সেই লাওখোৱাক এখন ভাল অভয়াৰণ্য হিচাবে গঢ়ি তুলিবলৈ চেষ্টা চলাই আছে।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাক এই বিষয়টো আলোচনাৰ কাৰণে অনাৰ বাবে ধন্যবাদ জনাইছো। আমাৰ কথাটো হৈছে আমি নতুনকৈ কোনো বনাঞ্চল ধ্বংস কৰিবলৈ নিদিও। তাৰ বাবে আমি বিভাগীয় কৰণীয়খিনি কৰি যাম। আমাৰ কামৰ লগত বনাঞ্চলৰ ওচৰে-পাজৰে থকা লোকসকলকো জড়িত কৰি জইন্ট মেনেজমেন্ট কমিটী কৰা হৈছে। এনে কৰোতে বন্যপ্রাণী আৰু বনাঞ্চল ধ্বংস কৰা লোকসকলক চিনাক্ত কৰাত সহজ হ'ব। তাৰ বাবে আপোনালোকৰো সহায়-সহযোগ লাগিব। আপোনালোকৰ সহায়-সহযোগ পালে এই কাম কৰিব পৰা হব। নতুনকৈ বনাঞ্চল বেদখল কৰিলে বিভাগৰ বিষয়াসকল দায়ী হব বুলি নির্দ্দেশ দিয়া হৈছে। আশা কৰো এনে ধৰণৰ সিদ্ধান্তই ভাল ফল দেখুৱাব।

MATTER UNDER RULE 301

Mr. Speaker : Now, Item No. 5- Shri Mission Ranjan Das to draw the attention of the Minister, PHE by raising the Matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Dainik Agradoot" dated 23-06-2006 under the caption : "ফ্লৰাইড নিৰ্মূল আঁচনিৰ ৮৫.৫ লাখ টকা হজম- আক্রান্ত দুই জিলাত ভয়াবহ ৰূপত ফ্লৰচিচি"।

★ **Shri Mission Ranjan Das :** Hon'ble Speaker, Sir, I draw the attention of the Hon'ble Minister, PHE by raising the Matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Dainik Agradoot" dated 23-06-2006 under the caption : "ফ্লৰাইড নিৰ্মূল আঁচনিৰ ৮৫.৫ লাখ টকা হজম- আক্রান্ত দুই জিলাত ভয়াবহ ৰূপত ফ্লৰচিচি"।

মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসাৰে যোৱা ২৩-৬-২০০৬ তাৰিখে 'দৈনিক অগ্রদূত'

★ Speech not corrected.

কাকতত প্রকাশিত "ফ্লু'ৰাইড নির্মূল আঁচনিৰ ৮৫.৫ লাখ টকা হজম-আক্রান্ত দুই জিলাত ভয়াবহ ৰূপত ফ্লু'ৰচিচি" বাতৰিটোৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। অসমত নগাওঁ, মৰিগাও আৰু কৰিমগঞ্জ জিলাত পানীত ফ্লু'ৰাইড পোৱা গৈছে। বিশেষকৈ মৰিগাওঁ, নগাওঁ, কার্বি আংলঙত ফ্লু'ৰাইড মিহলি হৈ মানুহ আক্রান্তও হৈছে। কৰিমগঞ্জ জিলাতো পোৱা গৈছে আৰু আক্রান্ত হোৱাৰো আশংকা কৰা হৈছে। গতিকে এই জিলা কেইখনত কেনেকৈ ফ্লু'ৰাইডমুক্ত পানী সর্বসাধাৰণ ৰাইজে ব্যৱহাৰ কৰিব পাৰে তাৰ কাৰণে বিভিন্ন আঁচনি লোৱা দৰকাৰ হৈ পৰিছে। সেয়ে মহোদয়ক অনুৰোধ কৰিছো যেন অতি সোনকালে প্রদূষণমুক্ত খোৱা পানীৰ ব্যৱস্থা কৰে।

★ **শ্রীৰিহন দৈমাৰী** (জনস্বাস্থ্য কাৰিকৰী মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীমিশ্বন ৰঞ্জন দাস ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো হৈছে এনে ধৰণৰ —

জনস্বাস্থ্য বিভাগৰ জড়িয়তে নিয়মীয়া পানী পৰীক্ষা কৰোতে পোন প্রথমবাৰৰ খোৱা পানীৰ উৎসত মাত্রাধিক পৰিমাণৰ ফ্লু'ৰাইড পোৱা যায়। সেই তথ্যৰ ভিত্তিত ১৯৯৯ চনত পোন প্রথমবাৰৰ বাবে অসমৰ কার্বি আংলং আৰু নগাওঁ জিলাৰ ভূগর্ভস্থ পানীত অতিৰিক্ত পৰিমাণৰ ফ্লু'ৰাইড ধৰা পৰে।

অধিক ফ্লু'ৰাইডযুক্ত পানী নিয়মিতভাবে ব্যৱহাৰ কৰিলে মানুহৰ শৰীৰত হাড় ও দাঁতৰ ক্ষতিসাধন কৰি মানুহক কোঙা কৰিব পাৰে। সেয়েহে ইয়াৰ পৰা হ'ব পৰা অপকাৰিতাৰ প্রতি লক্ষ্য ৰাখি ফ্লু'ৰাইড প্রতিৰোধৰ বাবে Unicefৰ সাহায্যত ৮৫.৫২ লাখ টকাৰ এখন Joint Plan of Action যুগুত কৰা হয়।

★ Speech not corrected.

এই Joint Plan of Actionৰ অধীনত নগাওঁ জিলাৰ বাবে ৪২,১০,৯৭৫ টকা আৰু কার্বি আংলং জিলাৰ বাবে ৪৩,৪১,৪৭৫ টকা (মুঠ ৮৫.৫২ লাখ টকা) Unicefএ অনুমোদন জনায়।

উক্ত Action Planত বিভিন্ন কাম যেনে সজাগতা অভিযান, পানীৰ Sample test, ঘৰে ঘৰে গৈ প্ৰত্যেক পৰিয়ালৰ সদস্য জৰীপ কৰা, স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ দাতব্য সম্বন্ধীয় জৰীপ কৰা ডাক্তৰ, শিক্ষক- পেৰা মেডিকেল কৰ্ম্মী- জনস্বাস্থ্য কৰ্ম্মী প্ৰশিক্ষণ, ফ্লু'ৰাইডমুক্ত ঘৰুৱা ফিল্টাৰ প্ৰযুক্তি সম্বন্ধে প্ৰশিক্ষণ নালগোন্দা প্ৰযুক্তিৰ দ্বাৰা ঘৰুৱা ভিত্তিত ফ্লু'ৰাইড নিষ্কাশনৰ ব্যৱস্থা আক্ৰান্ত অঞ্চলত থকা পানীৰ উৎসবোৰত সতৰ্কীকৰণ ফলক (Sign Board) স্থাপন, আয়ন মিটাৰ আহৰণ ও পানীত থকা ফ্লু'ৰাইডৰ পৰিমাণ নিৰ্দ্ধাৰণ, ফ্লু'ৰাইড আক্ৰান্ত অঞ্চলত বিকল্প হিচাপে পকী কুঁৱা নিৰ্মাণ ইত্যাদি।

Joint Plan of Action (JPOA) মতে বৰ্ত্তমানলৈ নগাওঁ জিলাত ১৩,৩৬,৫৫০ টকা কার্বি আংলং জিলাত ৯,৬৫,২৭২ টকা আৰু কেন্দ্ৰীয়ভাবে মানৱ সম্পদ উন্নয়ন, তথ্য শিক্ষা যোগাযোগ (IEC) আৰু ৰাজ্যিক কৰ্মশালাৰ বাবে ১২,৯৮,৭৯০ টকা সৰ্বমুঠ ৩৬,০০,৬১২ টকা Unicef মুকলি কৰি দিয়ে আৰু উক্ত টকাৰে তলত দিয়া কামত ব্যয় কৰা হয়।

১) ১খন ৰাজ্যিক কৰ্মশালা আৰু দুখন জিলাভিত্তিক কৰ্মশালা (নগাওঁ আৰু কার্বি আংলং)

২) ৭টা সজাগতা শিবিৰ (নগাওঁ ২খন আৰু কার্বি আংলঙত ৫খন)

৩) ১৫,৮৪০টা Sample test (নগাওঁ ১০৫১৫ আৰু কার্বি আংলং ৫৩২৫টা)

৪) ৮৪,৮৯৫ পৰিয়ালক সামৰি পানীৰ ব্যৱহাৰ, দাত ও হাড়ৰ ক্ষয়

ইত্যাদি জৰীপ কৰা হয়। (নগাওঁ ৬৫,১৫০আৰু কাৰ্বি আংলং ১৯,৭৪৫)

৫) ৫৫,০৯৮ ছাত্ৰ-ছাত্ৰীক সামৰি Dental fluorisisৰ জৰীপ (নগাওঁ ৩১,৬৬৬ আৰু কাৰ্বি আংলং ২৩,৬৩২)

৬) ৯৩৩ জন ডাক্তৰ, পেৰা-মেডিকেল, শিক্ষক আৰু জনস্বাস্থ্য কৰ্মীক প্ৰশিক্ষণ।

৭) ২২ জন ৰাজমিস্ত্ৰীক ফ্লু'ৰাইড নিষ্কাশনৰ ঘৰুৱা ফিল্টাৰ নিৰ্মাণৰ প্ৰশিক্ষণ।

৮) ২০০ টা নালগোন্দা প্ৰযুক্তিৰ ফ্লু'ৰাইড নিষ্কাশনৰ পদ্ধতি অৱলম্বনৰ প্ৰদৰ্শন।

৯) ফ্লু'ৰাইডযুক্ত উৎসসমূহ চিনাক্তকৰণ আৰু ৰঙা ৰঙেৰে চিহ্নিত কৰণ।

১০) ৩০৫ টা ঘৰুৱা লৌহ আৰু ফ্লু'ৰাইডমুক্ত ঘৰুৱা ফিল্টাৰ নিৰ্মাণ।

১১) ১০ টা তাৰা পাম্পযুক্ত পকী কুঁৱা নিৰ্মাণ।

১২) আয়ন মিটাৰ সংগ্ৰহ কৰি পানীৰ নমুনা পৰীক্ষা কৰি থকা।

সেয়েহেবাতৰি কাকতত প্ৰকাশ কৰা বাতৰিটো শুদ্ধ তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

LAYING OF REPORT

Mr. Speaker : Now, Item No. 6, Shri Bharat Chandra Narah, Minister, Parlimentary Affairs etc. to lay 'The Eighth Report of the Rules Committee of Assam Legislative Assembly.'

Shri Bharat Chandra Narah (Minister of Parliamentary Affairs) : Sir, I beg to lay the Eighth Report of the Rules Committee of Assam Legislative Assembly.'

Mr. Speaker : Now, Item No. 7, Smti. Pramila Rani Brahma, Minister, Agriculture etc. to lay 'The Audit Report on the Accounts of the Assam Agricultural University, Jorhat for the year, 2000-2001'.

Smti. Pramila Rani Brahma (Minister, Agriculture): Sir, I beg to lay 'The Audit Report on the Accounts of the Assam Agricultural University, Jorhat for the year, 2000-2001'.

Mr. Speaker : Now, Item No. 8, Smti. Pramila Rani Brahma, Minister, Agriculture to lay 'The Audit Report on the Accounts of the Assam Agricultural University, Jorhat for the year, 2001-2002'.

Smti. Pramila Rani Brahma (Minister, Agriculture): Sir, I beg to lay 'The Audit Report on the Accounts of the Assam Agricultural University, Jorhat for the year, 2001-2002'.

Mr. Speaker : Now, Item No. 9, Smti. Pramila Rani Brahma, Minister, Agriculture etc. to lay 'The Audit Report on the Accounts of the Assam Rural Infrastructure & Agricultural Services Project Society for the year, 2002-2003'.

Smti. Pramila Rani Brahma (Minister, Agriculture): Sir, I beg to lay 'The Audit Report on the Accounts of the Assam Rural Infrastructure & Agricultural Services Project Society for the year, 2002-2003'.

ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ আজি সদনৰ কার্য্যসূচীৰ ৯ নং বিষয়টো এতিয়া নিষ্পত্তি হৈছে। এতিয়া অসম বিধান সভাৰ কেন্দ্রীয় সভাকক্ষত সদনৰ মাননীয় সদস্য-সদস্যাৰ বাবে জলযোগৰ আয়োজন কৰা হৈছে। তদুপলক্ষে মাননীয় মুখ্যমন্ত্রী মহোদয়, মাননীয় মন্ত্রীসকলকে ধৰি ৰাজ্যিক মন্ত্রী, বিধান সভাৰ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সংসদীয় সচিবসকল, মাননীয় সদস্য আৰু সদস্যাসকল, সদনৰ গেলাৰীত উপস্থিত থকা অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াবর্গ, চৰকাৰী প্রতিবেদকসকল আৰু ইলেক্ট্রনিক মাধ্যমকে ধৰি সাংবাদিকসকলক মই জলযোগত অংশগ্রহণ কৰিবলৈ অনুৰোধ জনালো।

এতিয়া সদন ১ ঘন্টা ১২ মিনিটৰ কাৰণে স্থগিত ৰখা হ'ল। জলযোগৰ অন্তত দিনটোৰ কার্য্যসূচীৰ বাকী থকা বিষয়সমূহ নিষ্পত্তিৰ বাবে দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হ'ব।

(The House Reassembled at 12 noon with Hon'ble Speaker, Shri Tanka Bahadur Rai in the Chair.)

PRESENTATION OF ANNUAL FINANCIAL STATEMENT

Mr. Speaker : Now, Item No. 10, Shri Tarun Gogoi, Hon'ble Chief Minister to present the Annual Financial Statement (Budget Estimate) to the Government of Assam for the year 2006-2007.

(Copies of Budget distributed in the House)

শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০০৬-০৭ বিত্তীয় বছৰটোৰ বাবে বিতং বাজেট উত্থাপন কৰিব খুজিছোঁ।

২) ইতিমধ্যে যোৱা ৬ ফেব্রুৱাৰীত মই চলিত বিত্তীয় বছৰটোৰ প্রথম চাৰি মাহৰ বাবে লেখানুদান বিচৰাৰ সময়ত এক অন্তৰৱর্ত্তীকালীন বাজেট সদনত দাখিল কৰিছিলো। অসম বিধান সভাৰ যোৱা নির্বাচনৰ পৰিপ্রেক্ষিতত আৰু আমাৰ দেশৰ গণতান্ত্রিক পৰম্পৰাৰ সতে সংগতি

ৰাখি লেখানুদান বাজেট দাখিল কৰা হৈছিল। আজি মই সম্পূৰ্ণ বিত্তীয় বছৰটোৰ বাবে অনুদান বিচাৰি ২০০৬-০৭ চনৰ পূৰ্ণাঙ্গ বাজেট দাখিল কৰিবলৈ পাই নথৈ আনন্দিত হৈছো।

৩) বাজেট প্ৰস্তাৱসমূহ উত্থাপন কৰাৰ পূৰ্বে মই নৱগঠিত দ্বাদশ অসম বিধান সভাৰ সমূহ মাননীয় সদস্যলৈ স্বাগতম আৰু অভিনন্দন জনাইছো। মোৰ দৃঢ় বিশ্বাস যে অসমৰ মুখ্যমন্ত্রী হিচাবে মোৰ দ্বিতীয় কাৰ্য্যকালত মই আপোনালোকৰ পৰা সম্পূৰ্ণ সহায়-সহযোগিতা পাম। আমাৰ ৰাজ্যৰ শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ হকে আমি সকলোৱে একেলগে মিলি-জুলি কাম কৰিব লাগিব। মোৰ ফালৰ পৰাও আজি এই সুযোগতে আপোনালোকৰ প্ৰতি থকা মোৰ সম্ভাৱ আৰু সদিচ্ছা জ্ঞাপন কৰিছো। মুখ্যমন্ত্রী হিচাবে অসমৰ জনগণক সেৱা কৰিবলৈ দ্বিতীয়বাৰ সুযোগ দিয়াৰ বাবে সমূহ ৰাইজক ধন্যবাদ জনাইছো। মই বিনম্ৰভাবে কওঁ যে, অসমৰ ৰাইজে মোৰ ওপৰত ন্যস্ত কৰা এই আস্থাই মোক ৰাজ্যৰ উন্নয়নৰ বাবে কাম কৰি যাবলৈ দুগুণে উৎসাহিত কৰিছে।

৪) আজিৰ পৰা পাঁচ বছৰৰ পূৰ্বে ২০০১ চনত মই যেতিয়া প্ৰথমবাৰৰ বাবে অসমৰ মুখ্যমন্ত্রীৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো তেতিয়া ৰাজ্যৰ বিত্তীয় পৰিস্থিতি অতি সংকটজনক আছিল। মোৰ যোৱা পাঁচ বছৰীয়া কাৰ্য্যকালত কেনেদৰে আমি এই জটিল বিত্তীয় পৰিস্থিতিৰ মোকাবিলা কৰি আমাৰ ৰাজ্যৰ বিত্তীয় স্বচ্ছলতা ঘূৰাই আনিবলৈ সক্ষম হৈছো সেই বিষয়ে মই যোৱা ৬ ফেব্ৰুৱাৰীত লেখানুদান বিচাৰি দিয়া ভাষণত বিতংভাবে কৈছোৱেই। সেয়েহে আমাৰ বিত্তীয় সফলতাৰ বিষয়ে পুনৰ দোহাৰিব নোখোজো। মই কেৱল এইখিনিয়েই কব খুজিছো যে আগৰ দৰে চৰকাৰৰ কোষাগাৰৰ লেনদেন মাহটোৰ সৰহ দিন বন্ধ হৈ নাথাকে।

এতিয়া মাহটোৰ ৩০ দিনেই আমাৰ কোষাগাৰ খোলা থাকে। যোৱা প্ৰায় ১৫ মাহে আমি কোনো দিনেই এটকাও অভাৰদ্ৰাফ্‌ট লবলগীয়া হোৱা নাই। যোৱা এবছৰো অধিক কাল ৰিজাৰ্ভ বেংকৰ নিষেধাজ্ঞা অহা নাই। থোৰতে কবলৈ গ'লে আমাৰ বিত্তীয় পৰিস্থিতি এতিয়া সম্পূৰ্ণ স্বাভাৱিক। এই স্বাভাৱিক অৱস্থা ঘূৰাই আনোতে আমি কম কষ্ট কৰিবলগীয়া হোৱা নাছিল। ৰাজহ সংগ্ৰহ বৃদ্ধি কৰা, অলাগতিয়াল খৰছ চিনাক্ত কৰি তাক কৰ্ত্তন কৰা, বিত্তীয় শৃঙ্খলা বলবৎ কৰা আৰু নিয়মিতভাবে সময়ে সময়ে বিত্তীয় পৰিস্থিতি পুনৰীক্ষণ কৰি যথাবিহিত ব্যৱস্থা লোৱালৈকে বিভিন্ন বলিষ্ঠ পদক্ষেপ লোৱা বাবেহে আমি কৃতকাৰ্য্যতা লাভ কৰিবলৈ সক্ষম হৈছো। বিত্তীয় শৃঙ্খলা ঘূৰাই অনাৰ বাবে সমগ্ৰ দেশতে অসম প্ৰশংসাৰ পাত্ৰ হৈছে। ই আমাৰ সকলোৰে বাবে অতি আনন্দ আৰু গৌৰৱৰ কথা।

৫) বিত্তীয় দুৰৱস্থাৰ বাবে যোৱা প্ৰায় দুই দশক ধৰি আমাৰ ৰাজ্যই উন্নয়নৰ মুখ দেখা নাছিল। ঘূৰাই পোৱা বিত্তীয় স্বচ্ছলতাৰে সমৃদ্ধ আৰু আত্মবিশ্বাসী হৈ আমি পুনৰবাৰ প্ৰগতিৰ পথত দৃঢ় পদক্ষেপ দিবলৈ সক্ষম হৈছো। মোৰ যোৱা পাঁচ বছৰীয়া কাৰ্য্যকাল আছিল এক অভূতপূৰ্ব বিত্তীয় সমস্যাৰ সন্মুখীন হৈ তাক সুকলমে অতিক্ৰম কৰা। মই আশা কৰো মোৰ চৰকাৰৰ অহা পাঁচ বছৰীয়া কাৰ্য্যকাল হ'ব আমাৰ বিত্তীয় অৱস্থা আৰু অধিক টনকিয়াল কৰা তথা দীৰ্ঘকালীন বিত্তীয় সুস্থিৰতা বাহাল ৰখা। এইখিনিতে মই মাননীয় সদস্যসকলক জনাই থব খোজো যে বিভিন্ন উন্নয়নমূলক কাম-কাজৰ বাবে আমি বুজন পৰিমাণৰ ৰাজহুৱা ধন বিনিয়োগ কৰিব লাগিব। কিন্তু ইয়াৰ দ্বাৰা আমাৰ বিত্তীয় সুস্থিৰতাক কেতিয়াও বিঘ্নিত হবলৈ দিয়া নহ'ব। স্বাভাৱিক বিত্তীয় অৱস্থা বাহাল

ৰখাক মোৰ চৰকাৰে সৰ্বস্ব অগ্ৰাধিকাৰ দিব।

৬) যোৱা ৬ ফেব্ৰুৱাৰীৰ ভাষণত মই কৈছিলো যে, অসমৰ ২০০৬-০৭ চনৰ বাৰ্ষিক পৰিকল্পনাৰ চূড়ান্তকৰণ যোৱা বছৰৰ ২১ ডিচেম্বৰতেই হৈ গৈছে। কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ আৰু মোৰ মাজত হোৱা এখন সভাত এই চূড়ান্তকৰণ কৰা হৈছিল। অসমৰ ২০০৬-০৭ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে বিত্তীয় আৱন্টন ৩,৫০৭ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। এই আৱন্টন ২০০৫-০৬ চনৰ ৩,০০০ কোটি টকাকৈ প্ৰায় ১৬ শতাংশ অধিক। চলিত বছৰৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত গ্ৰহণ কৰা বিভিন্ন প্ৰকল্প আৰু আঁচনিসমহৰ বিষয়ে মোৰ ৬ ফেব্ৰুৱাৰী ২০০৬ ত দিয়া লেখানুদান ভাষণত বিতংভাবে বৰ্ণনা কৰা হৈছে। একেখিনি কথাকে পুনৰ দোহাৰি মই এই পৱিত্ৰ সদনৰ বহুমূলীয়া সময় নষ্ট কৰিব নোখোজো। মই কেৱল এইখিনিয়েই কব বিচাৰো যে মোৰ উক্ত ভাষণত উল্লেখ কৰা আটাইবোৰ আঁচনি আৰু প্ৰকল্পৰ সফল ৰূপায়ন কৰিবলৈ মই প্ৰতিশ্ৰুতিবদ্ধ। আমাৰ মাননীয় নৱনিৰ্বাচিত সদস্যসকলৰ সুবিধাৰ্থে চৰকাৰে ৰাজ্যিক ভিত্তিত অগ্ৰাধিকাৰ দিয়া আঁচনিসমূহ পৰিশিষ্ট- '১'ত সংলগ্ন কৰা হ'ল।

৭) এইপ্ৰসংগত মই মাননীয় সদস্যসকলক জনাব বিচাৰো যে ৰাজ্য চৰকাৰে নিজা পুঁজিৰ পৰা অতিৰিক্ত ২৯১ কোটি টকা ২০০৬-০৭ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে আগবঢ়োৱা হৈছে। ইয়াৰ ফলত চলিত বৰ্ষত বাৰ্ষিক পৰিকল্পনাৰ কলেবৰ ৩,৫০৭ কোটিৰ পৰা বাঢ়ি ৩,৭৯৮ কোটি টকা হৈছেগৈ। চৰকাৰৰ বিত্তীয় অৱস্থা উন্নত হোৱাৰ বাবেহে এই বৃদ্ধি সম্ভৱপৰ হৈছে।

৮) আমাৰ নৱগঠিত চৰকাৰৰ এইখন প্ৰথম বাজেট। আজিৰ বাজেটত উত্থাপিত

হবলগীয়া প্ৰস্তাৱসমূহৰ ওপৰত আমাৰ চৰকাৰৰ অহা পাঁচ বছৰীয়া কার্য্যসূচী বহুলাংশে নির্ভৰ কৰিব। আজিৰ বাজেটখনে আমাৰ ৰাজ্যৰ ভৱিষ্যৎ অর্থনৈতিক উন্নয়নৰ পথ প্ৰদর্শকৰ ভূমিকা পালন কৰিব বুলি মই আশা কৰিছো। আহিবলগীয়া দিনবোৰত আমাৰ চৰকাৰে কি কি বিষয়ৰ ওপৰত অগ্ৰাধিকাৰ দিব আৰু অর্থনৈতিক উন্নয়নৰ লক্ষ্যসমূহত উপনীত হবলৈ কেনে ধৰণৰ কৌশল আৰু ব্যৱস্থা গ্ৰহণ কৰিব তাৰ এখন স্পষ্ট ছবি মই আজিৰ বাজেটৰ জড়িয়তে দাঙি ধৰিবলৈ প্ৰয়াস কৰিম। এই বাজেট প্ৰস্তুত কৰাৰ পূর্বে মই বহুতো বিজ্ঞ ব্যক্তি আৰু অনুষ্ঠানৰ সৈতে বিতং আলোচনা কৰিছিলো। তেওঁলোকৰ পৰা বহু দৃঢ় পৰামর্শ পাইছো। আপোনালোকে নিশ্চয় মোৰ লগত একমত হ'ব যে বাজেট প্ৰস্তুতকৰণ হ'ল সম্বৰক বাস্তৱত ৰূপায়িত কৰাৰ এক প্ৰক্ৰিয়া। আয়-ব্যয়ৰ উপৰিও অগ্ৰাধিকাৰ পাবলগীয়া বিভিন্ন বিষয় আৰু দাবীসমূহৰ ভাৰসাম্যতা ৰক্ষা কৰাটো বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়াৰ মূল লক্ষ্য। যিবোৰ দাবী, প্ৰস্তাৱ আৰু দৃঢ় পৰামর্শ সম্ভৱপৰ বুলি ভাবিছো সেইবোৰ মোৰ বাজেটত অন্তর্ভূক্ত কৰিছো আৰু যিবোৰ অসম্ভৱ যেন দেখা গৈছে সেইবোৰ সসন্মানে পৰিত্যাগ কৰিছো। আজি দাখিল কৰিবলগীয়া বাজেটে কৃষি, উদ্যোগ আৰু ব্যৱসায়-বাণিজ্য বিভিন্ন গোষ্ঠীকে ধৰি অসমৰ সমূহ জনগণক সন্তুষ্ট কৰিব বুলি মই আশা কৰিছো।

৯) নেট ষ্টেট ডমেষ্টিক প্ৰডাক্ট (NSDP)ৰ পৰিমাণ ১৯৯৩-৯৪ চনৰ আধাৰ বছৰৰ স্থিৰ মূল্যৰ পৰা ২০০৪-০৫ চনত ৫.৮ শতাংশলৈ বৃদ্ধি পাইছে আৰু বৃদ্ধিৰ হাৰ ২০০০-০১ চনৰ ৩.৯৩ শতাংশৰ বিপৰীতে ২০০৫-০৬ চনত ৬.২ শতাংশলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। অষ্টম আৰু নৱম পৰিকল্পনাৰ কালছোৱাত বৃদ্ধিৰ হাৰ আছিল যথাক্ৰমে

২.৮ শতাংশ আৰু ২.১ শতাংশ। ২০০০-০১ চনত স্থিৰ মূল্যত জনমূৰি আয় আছিল ৫,৯৪৩ (পাঁচ হাজাৰ নশ তিয়াল্লিশ) টকা আৰু ২০০৪-০৫ চনত ইয়াৰ পৰিমাণ হয়গৈ ৬,৭২১ (ছয় হাজাৰ সাতশ একৈশ) টকা আৰু ২০০৫-০৬ চনত ৭,০২০ (সাত হাজাৰ বিশ) টকা হব বুলি আশা কৰা হৈছে। অগ্রিম সমীক্ষা অনুযায়ী ২০০৫-০৬ চনত ইয়াৰ পৰিমাণ ১৪,৫২৩ টকা হব বুলি আশা কৰা যায়।

১৯৯৩-৯৪ আধাৰ বছৰৰ স্থিৰ মূল্যৰ ভিত্তিত ২০০৪-০৫ চনত অসমৰ প্রকৃত ঘৰুৱা আয় আছিল ১৯,০৪১ কোটি টকা আৰু চলিত মূল্যৰ ভিত্তিত হয় আজি ৩৮,৬২৪ কোটি টকা।

১০) যোৱা ডিচেম্বৰ মাহৰ পৰা ৰাজ্যখনত খাদ্যকে ধৰি আন আন অত্যাৱশ্যকীয় সামগ্রীৰ মূল্য বৃদ্ধি দৃষ্টিগোচৰ হৈছে। নির্মাণ কার্য্যত প্রয়োজনীয় চিমেন্ট আদি সামগ্রীৰ মূল্য বৃদ্ধি হৈছে। অৱশ্যে যোৱা মে' মাহৰ পৰা এই পৰিস্থিতিৰ কিছু উপশম ঘটিছে। মূল্য বৃদ্ধিৰ পৰিস্থিতিৰ ওপৰত মই চোকা নজৰ ৰাখিছো আৰু সময়ে সময়ে পৰিস্থিতি পুনঃ নিৰীক্ষণ কৰি যাৱতীয় ব্যৱস্থা গ্রহণ কৰিছো। দিল্লী তথা আন আন উৎসত হোৱা মূল্য বৃদ্ধিয়ে আমাৰ ৰাজ্যত দেখা দিয়া মূল্য বৃদ্ধিৰো মূল কাৰণ যদিও এই মূল্য বৃদ্ধিৰ হাৰ আন ঠাইতকৈ অসমত বেছি অধিক হৈছে। ইয়াৰ প্রধান কাৰণসমূহ হ'ল -

(ক) অসম আৰু উত্তৰ-পূর্বাঞ্চলৰ আন আন ৰাজ্যসমূহে ৰেলৰ ভাড়াৰ ওপৰত ইমানদিনে পাই অহা ৬ শতাংশ ৰেহাই ভাৰতীয় ৰেল কর্তৃপক্ষই যোৱা ১ জানুৱাৰী, ২০০৬ চনৰ পৰা প্রত্যাহাৰ কৰিছে।

(খ) অত্যাৱশ্যকীয় সামগ্রীৰ মূল উৎসতে মূল্য বৃদ্ধি। আৰু

(গ) ভাৰতীয় ৰেল কর্তৃপক্ষই ৰেলেৰে কঢ়িওৱা সামগ্রীৰ শ্রেণী

বিভাজনৰ শেহতীয়া পুনঃ নির্দ্ধাৰণৰ ফলস্বৰূপে ৰেলৰ ভাড়া ১১ শতাংশ বৃদ্ধি পাইছে।

১১) মূল্য বৃদ্ধি নিয়ন্ত্রণ কৰাৰ বাবে সম্ভৱপৰ সকলোবোৰ ব্যৱস্থা গ্রহণ কৰা হৈছে। তাৰে কেতবোৰ হৈছে —

(ক) ভাৰতীয় ৰেল, খাদ্য নিগম আৰু তেল নিগমৰ বিষয়াসকলৰ উপৰিও খোৱা তেল আৰু আন আন খাদ্য সামগ্রীৰ সৈতে জড়িত ব্যৱসায়ীসকল, চিমেন্ট ব্যৱসায়ী তথা কামৰূপ চেম্বাৰ্চ অব কমার্চৰ বিষয়বৰীয়াসকলৰ সৈতেও ৰাজ্য চৰকাৰে অহৰহ যোগাযোগ ৰাখি আছে।

(খ) খাদ্য আৰু আন আন অত্যাৱশ্যকীয় সামগ্রী অবৈধভাৱে মজুত ৰাখি কোনো অসাধু লোকে যাতে কৃত্রিম নাটনিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ ওপৰত চৰকাৰে সতর্ক দৃষ্টি ৰাখিছে। এই সামগ্রীবোৰৰ নিয়মীয়া যোগান অব্যাহত ৰাখিবলৈ চৰকাৰে যথোপযুক্ত ব্যৱস্থা লৈছে। ৰাজ্যখনৰ এই সামগ্রীসমূহ বর্ত্তমান পর্য্যাপ্ত পৰিমাণে মজুত আছে।

(গ) আজি কিছুদিন আগেয়ে পেট্রল আৰু ডিজেলৰ মূল্য প্রতি লিটাৰে যথাক্রমে ৪ টকা আৰু ২ টকাকৈ বৃদ্ধি পাইছে। এইবর্দ্ধিত মূল্যৰ ওপৰত ৰাজ্য চৰকাৰে চলিত হাৰত বার্ষিক প্রায় ২৭ কোটি টকা অধিক ৰাজহ সংগ্রহ কৰিব পাৰিলেহেঁতেন। কিন্তু ইয়াৰ ফলত হ'বপৰা মূল্যবৃদ্ধি ৰোধ কৰি জনসাধাৰণক সকাহ দিয়াৰ উদ্দেশ্যে মই পেট্রল আৰু ডিজেলৰ বর্দ্ধিত মূল্যৰ ওপৰত কোনো বিক্রী কৰ নলগোৱাৰ সিদ্ধান্ত লৈছো।

(ঘ) শ্রমিকৰ অসন্তুষ্টিৰ ফলত খাদ্য আৰু আন আন অত্যাৱশ্যকীয়

সামগ্রী পৰিবহন আৰু সৰবৰাহত যাতে কোনো বাধাৰ সৃষ্টি নহয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঙ) কেন্দ্ৰত N.D.A. চৰকাৰৰ দিনত অত্যাৱশ্যকীয় সামগ্রী আইনৰ শাস্তিমূলক বিধানসমূহ পৰিহাৰ কৰিছে। ইয়াৰ প্ৰভাৱ অত্যাৱশ্যকীয় সামগ্রী যোগান আৰু মূল্যৰ ওপৰত পৰাটো স্বাভাৱিক. এই শাস্তিমূলক বিধানসমূহ পুনৰ বাহাল কৰিবলৈ মই বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো।

(চ) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত অহা সামগ্রীবোৰৰ উপৰিও আন আন অত্যাৱশ্যকীয় সামগ্রীবোৰৰ পৰিবহনৰ বাবেও প্ৰয়োজনীয় ৰেলৰ ডবাৰ যোগান নিশ্চিত কৰা হৈছে।

(ছ) ৰাজ্য চৰকাৰে আৱণ্টন পোৱা সকলো খাদ্য সামগ্রী ভাৰতীয় খাদ্য নিগমৰ পৰা যাতে উঠোৱা হয় তাকে নিশ্চিত কৰা হৈছে।

(জ) অসমত বানপানীৰ সম্ভাৱনীয়তালৈ লক্ষ্য ৰাখি ৰাজ্যৰ বিভিন্ন স্থানলৈ অত্যাৱশ্যকীয় সামগ্রীৰ সময়োচিত সৰবৰাহ কৰি মজুত ৰখা হৈছে।

১২) মই আগতেই কৈছো যে অহা পাঁচ বছৰত আমাৰ চৰকাৰৰ প্ৰধান কাম আৰু লক্ষ্য হব ৰাজ্যৰ সৰ্বাংগীণ অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষিপ্ৰতৰ কৰি তোলা। অৰ্থনৈতিক উন্নয়নৰ হাৰ অধিক হ'লেই যে তাৰ সুফল সকলোৱে সমানে পাব তাৰ কোনো নিশ্চয়তা নাই। সেই কথা নিশ্চিত কৰিবলৈ বিভিন্ন কাৰ্য্য ব্যৱস্থাৰ প্ৰয়োজন হয়। অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি কৰাৰ লগতে উন্নয়নৰ সুফল উপভোগ কৰাৰ পৰা সমাজত দুৰ্বল আৰু পিছপৰা লোকসকল যাতে বাদ পৰি নাযায় তাৰ ওপৰতো মই বিশেষ গুৰুত্ব দিম। অৰ্থনৈতিক উন্নয়নৰ মানৱীয় দিশটো আমি

পাহৰি যাব নোৱাৰো। অৰ্থনৈতিক প্ৰগতিৰ আন এক প্ৰধান লক্ষ্য হৈছে নিয়োগৰ সুযোগ সম্প্ৰসাৰিত কৰা, সংকুচিত কৰা নহয়। সমাজত ধনী দুখীয়াৰ মাজত পাৰ্থক্য বাঢ়ি গ'লে সামাজিক সুস্থিৰতা আৰু ভাৰসাম্যতা বিঘ্নিত হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে। সামাজিক ন্যায় আৰু সুস্থিৰতা বাহাল থাকিলেহে দীৰ্ঘকালীন অৰ্থনৈতিক উন্নয়ন সম্ভৱপৰ হয়। এই দিশটোৰ ওপৰত আমি বিশেষ গুৰুত্ব দিম।

১৩) দেশত যোৱা শতাব্দীৰ নব্বৈ দশকত সূচনা হোৱা চলিত অৰ্থনৈতিক সংস্কাৰৰ পৰিপ্ৰেক্ষিতত অৰ্থনৈতিক দিশত দেশৰ ৰাজ্যসমূহে লবলগীয়া ভূমিকাৰ আমূল পট্ পৰিৱৰ্ত্তন ঘটিছে। আজি কিছুদিন আগলৈকে যিকোনো সমস্যাৰ সন্মুখীন হ'লে ৰাজ্যসমূহে সমাধান বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰস্থ হৈছিল। পৰিৱৰ্ত্তিত পৰিস্থিতিত ৰাজ্যসমূহ নিজৰ ভৰিৰ ওপৰত থিয় হৈ নিজৰ অৰ্থনৈতিক ভৱিষ্যত নিজেই নিৰ্ণয় কৰিব লাগিব। আগন্তুক দিনবোৰত ৰাজ্যসমূহৰ অৰ্থনৈতিক সমস্যা সমাধান কৰা ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা হ্ৰাস পাই আহিব। সমগ্ৰ দেশতে সমান ভাবে উন্নত মানৰ আন্তঃগাঠনিৰ ব্যৱস্থা কৰি সকলো ৰাজ্যকে এই প্ৰতিযোগিতাত নামিবলৈ সমানে সুবিধা আৰু সুযোগ দিয়াটো হ'ব কেন্দ্ৰীয় চৰকাৰৰ মুখ্য ভূমিকা। লগতে সংবিধান প্ৰদত্ত বিধি আৰু আন প্ৰচলিত নীতি অনুসৰি ৰাষ্ট্ৰীয় সম্পদ আৰু পুঁজি সকলোবোৰ ৰাজ্যৰ মাজত সমভাৱে বিতৰণ কৰাটোও হ'ব ভাৰত চৰকাৰৰ মুখ্য কৰ্ত্তব্য। অৰ্থনৈতিক ক্ষেত্ৰত কোন ৰাজ্য কিমান আগবাঢ়িব তাকে লৈ আজি দেশত বিভিন্ন ৰাজ্যসমূহৰ মাজত তুমুল প্ৰতিযোগিতা চলিছে। আমাৰ ৰাজ্যয়ো 'আমি অসমীয়া নহওঁ দুখীয়া' বুলি হাত সাৱটি বহি থাকিলে নহ'ব। আন আন ৰাজ্যৰ লগত আমিও সমানে প্ৰতিযোগিতাত নামিব

লাগিব। তাৰ কোনো বিকল্প নাই।

১৪) আমি এই পৰিৱৰ্ত্তিত পৰিস্থিতিৰ পটভূমিত আমাৰ অৰ্থনৈতিক বিকাশৰ লক্ষ্যসমূহ আৰু কৌশল নিৰ্ণয় কৰিব লাগিব। আমাৰ চৰকাৰে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰি অগ্ৰাধিকাৰ দিবলৈ কেতবোৰ বিষয়ৰ ওপৰত মই আপোনালোকক এটি চমু আভাস দিবলৈ বিচাৰিছো।

১৫) আমি সকলোৱে জানো যে অসম এখন কৃষি প্ৰধান ৰাজ্য। কৃষি খণ্ডৰ উন্নতি বিনে আমাৰ ৰাজ্যৰ সৰ্বাংগীণ উন্নতি অসম্ভৱ। সেয়েহে আগন্তুক দিনবোৰত কৃষিৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিবলৈ মই সিদ্ধান্ত লৈছো। আমাৰ চৰকাৰৰ লক্ষ্য হৈছে ৰাজ্যখন কৃষিৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে স্বাৱলম্বী কৰি তোলা। লগতে যাতে হাড় ভঙা পৰিশ্ৰম কৰি আমাৰ সকলোকে অন্নদান কৰা কৃষক ৰাইজে তেওঁলোকৰ উৎপাদন আৰু পৰিশ্ৰমৰ সঠিক মূল্য পায় তাক নিশ্চিত কৰা। ইয়াৰ বাবে আমি লবলগীয়া কেতবোৰ ব্যৱস্থা হ'ল কৃষি সেৱাৰ সম্প্ৰসাৰণ আৰু সবলিকৰণ, একাধিক শস্যৰ ৰোপণ আৰু উৎপাদন, উদ্যান শস্যৰ উন্নতিকৰণ, কৃষিৰ যান্ত্ৰিকীকৰণ, ক্ষুদ্ৰ জনসিঞ্চন, কৃষি সামগ্ৰীৰ বজাৰৰ আন্তঃগাঠনিৰ উন্নয়ন আৰু বৰষুণৰ পৰা পোৱা পানীৰ সঞ্চয় আৰু সৎ ব্যৱহাৰ কৰি জলসিঞ্চনৰ যোগান ধৰা। আমাৰ খেতিয়কসকলে যাতে তেওঁলোকৰ মাটিৰ গুণাগুণৰ ওপৰত সঠিক তথ্য লাভ কৰি তাৰ ভিত্তিত উপযুক্ত শস্য ৰোপণ কৰি যাতে সমৃদ্ধিশালী হ'ব পাৰে সেই উদ্দেশ্যে আমাৰ চৰকাৰে প্ৰয়োজনীয় সংখ্যক ভূমি পৰীক্ষাগাৰৰ ব্যৱস্থা কৰাৰ সিদ্ধান্ত লৈছে। এনে ভূমি পৰীক্ষণৰ ভিত্তিত তেওঁলোকক ব্যক্তিগত ভূমি পৰীক্ষণ পত্ৰ (Soil Card)ৰ ব্যৱস্থা কৰি দিয়াৰ কথাও চিন্তা কৰা হৈছে। অধিক শস্য উৎপাদনৰ বাবে প্ৰয়োজনীয় উন্নতমানৰ বীজ, ৰাসায়নিক সাৰ, কীটনাশক

ঔষধ আৰু বিভিন্ন সা-সজুলিৰ সঠিক মূল্যত যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় এক কাঁৰ্য্যক্ষম বিতৰণৰ ব্যৱস্থা স্থাপন কৰাৰ সিদ্ধান্তও লোৱা হৈছে।

১৬) ঘেহু, দাইল আৰু তৈল শস্যৰ উৎপাদনৰ ওপৰত আমি বিশেষ গুৰুত্ব দিম। ৰাষ্ট্ৰীয় পৰ্য্যায়ত গ্ৰহণ কৰা সংহত উদ্যান শস্য উন্নয়ন প্ৰযুক্তি অভিযান (Technology Mission for Integrated Development Horticulture) চমুকৈ (T.M.I.D.H.)ৰ জড়িয়তে আমাৰ ৰাজ্যতো বাণিজ্যিক ভিত্তিত উদ্যান শস্যৰ উৎপাদন আৰু সম্প্ৰসাৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। এই অভিযানৰ জড়িয়তে অতিৰিক্ত ১৩,৪৩২ হেক্টৰ মাটিত ফল, মচলা আৰু বিভিন্ন ফল-মূলৰ খেতি কৰা হৈছে। চলিত বিত্তীয় বৰ্ষ তথা আগন্তুক বছৰবোৰতো এই অভিযান অব্যাহত থাকিব।

১৭) যোৰহাটত অৱস্থিত অসম কৃষি বিশ্ববিদ্যালয় আজি বহু দিনৰ পৰা আৰ্থিক সমস্যাত জৰ্জৰিত হৈ আছে। ৰাজ্য চৰকাৰে কৃষি বিশ্ববিদ্যালয়ৰ লগত এখন বুজাবুজিৰ চুক্তি (M.O.U.) কৰিছে। এই চুক্তি অনুযায়ী কৃষি বিশ্ববিদ্যালয়ে ভৱিষ্যতে বিত্তীয় শৃঙ্খলা মানি চলি তেওঁলোকৰ মূল কৰ্ত্তব্য কৃষি গৱেষণা সম্প্ৰসাৰণ আৰু উন্নয়নত সম্পূৰ্ণৰূপে মনোনীত কৰিব বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছে। আনহাতে ৰাজ্য চৰকাৰেও কৃষি বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয় পুঁজি আৰু অনুদান যোগান ধৰাৰ দায়িত্ব বহন কৰিছে। কৃষিৰ উন্নয়নৰ ক্ষেত্ৰত এই কৃষি বিশ্ববিদ্যালয়ৰ যে এটি অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে তাক আমি কোনেও নুই কৰিব নোৱাৰো। সেয়েহে ২০০৬-০৭ চনৰ বাজেটত কৃষি বিশ্ববিদ্যালয়ৰ বাবে পৰিকল্পনা শিতানত ২০.৮৫ কোটি টকা আৰু পৰিকল্পনা বহিঃভূত শিতানত ৩৪.৯৬

কোটি টকা মুঠ ৫৭.৮১ কোটি টকা অনুদান দিবলৈ মই প্রস্তাৱ কৰিছো।

১৮) কৃষিজাত সামগ্রী আৰু উদ্যান শস্যৰ বাণিজ্যিক সা-সুবিধাৰ ব্যৱস্থা কৰাৰ বাবেও পদক্ষেপ লোৱা হৈছে। ইয়াৰ বাবে গ্রাম্যাঞ্চলত ২৫ খন খুচুৰা বজাৰৰ স্থাপনৰ দিহা কৰা হৈছে। তিনিখন পাইকাৰী বজাৰ স্থাপন কৰাৰো ব্যৱস্থা কৰা হৈছে। কামৰূপ জিলাৰ শিঙিমাৰীত এটি শীতল ভঁৰাল (Cold Storage) স্থাপন কৰা হ'ব। কোকৰাঝাৰ জিলাৰ গোসাঁইগাওঁত আন এটি শীতল ভঁৰাল স্থাপনৰ বাবে যাৱতীয় পুঁজি যোৱা বছৰতে অনুমোদন কৰা হৈছে। ইয়াৰ কাম চলি আছে। কামৰূপ জিলাৰ ডিমৰীয়া উন্নয়ন খণ্ডত নেমু টেঙা আৰু সুমথিৰা জাতীয় ফল-মূল উৎপাদনৰ বাবে এখন জৈৱিক পাম স্থাপনৰ দিহা কৰা হৈছে। এই পামখনৰ মূল লক্ষ্য হ'ব উৎপাদিত ফল-মূল বিদেশলৈ ৰপ্তানি কৰা। ইয়াৰ বাবে উত্তৰ-পূৱ পৰিষদে যাৱতীয় পুঁজি যোগান ধৰিব।

১৯) পশুপালন, মীন পালন, হস্তশিল্প, হস্ততাঁত শিল্প, ৰেচম আৰু কুটীৰ উদ্যোগ আমাৰ গ্রাম্য অর্থনৈতিক অবিচ্ছেদ্য অংগ। কৃষি খণ্ডৰ লগতে এই গুৰুত্বপূর্ণ খণ্ডসমূহৰ উন্নতি কৰিবৰ বাবে আমাৰ চৰকাৰ দৃঢ় সংকল্পবদ্ধ। কিয়নো এই খণ্ডসমূহৰ উন্নয়ন অবিহনে আমাৰ গ্রাম্য অর্থনীতিৰ সর্বাংগীণ উন্নতি সম্ভৱ নহয়। কেন্দ্রীয় চৰকাৰৰ পৃষ্ঠপোষকতাত চলি থকা বিভিন্ন গ্রাম্য উন্নয়ন আঁচনিৰ ৰূপায়ণ আমাৰ ৰাজ্যত আৰু জোৰদাৰ কৰি তোলা হ'ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে আগবঢ়াবলগীয়া যাৱতীয় ধন আৱণ্টন দিয়া হৈছে। পঞ্চায়তিৰাজ অনুষ্ঠানসমূহলৈ শীঘ্রে ক্ষমতা বিকেন্দ্রীকৰণত অগ্রাধিকাৰ দিয়া হ'ব, বিশেষকৈ স্বাস্থ্য আৰু প্রাথমিক শিক্ষাৰ ক্ষেত্রত। তৃতীয় ৰাজ্যিক বিত্ত আয়োগ ইতিমধ্যে গঠন কৰা হৈছে। আয়োগৰ প্রাথমিক কাম-কাজবোৰ শুভাৰম্ভ হৈছে। এই আয়োগৰ প্রতিবেদন চলিত

বিত্তীয় বর্ষৰ ভিতৰতে পোৱা যাব বুলি আশা কৰা হৈছে। আয়োগৰ প্রতিবেদনৰ ভিত্তিত গ্রাম্য আৰু নগৰ অঞ্চলৰ স্থানীয় নিকায়সমূহলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা যাৱতীয় পুঁজি হস্তান্তৰ কৰিব পৰা যাব। পৰৱর্ত্তী পঞ্চায়ত নির্বাচন তথা সময়ত অনুস্থিত কৰিলব পৰা যাব বুলি আশা কৰিছো। গ্রাম্য তথা চহৰ অঞ্চলৰ স্থানীয় সমস্যা আৰু বিষয়সমূহৰ দিশপুৰৰ পৰা সুক্ষ্ম নিয়ন্ত্রণ কৰাটো সম্ভৱ নহয়। ই বাঞ্ছনীয়ও নহয়। মোৰ দৃঢ়বিশ্বাস যে এনে সমস্যাসমূহৰ সমাধান স্থানীয় নিকায়সমূহৰ জড়িয়তে ৰাইজে নিজেই কৰিব লাগিব। এই স্থানীয় নিকায়সমূহ অধিক শক্তিশালী কৰি গঢ়ি তোলাৰ বাবে আমাৰ চৰকাৰে যাৱতীয় ব্যৱস্থা গ্রহণ কৰিব।

২০) মাননীয় সদস্যসকল, আপোনালোক নিশ্চয় অৱগত যে কেন্দ্রীয় চৰকাৰৰ গ্রাম্য উন্নয়ন মন্ত্রণালয়ে ভাৰত নির্মাণ আঁচনি নামেৰে সমগ্র ৰাষ্ট্রক সামৰি এখন অভিলাষী আঁচনি গ্রহণ কৰিছে। এই আঁচনিৰ অধীনত গ্রাম্যাঞ্চলৰ ক্ষুদ্র জলসিঞ্চন, আলি-পদুলিৰ উন্নয়ন, আৱাস গৃহৰ নির্মাণ, খোৱা পানীৰ যোগান, বিদ্যুৎ যোগান আৰু টেলিফোন যোগাযোগৰ ব্যৱস্থাকে ধৰি বিভিন্ন উন্নয়নমূলক কাম-কাজ ৰূপায়নৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ৰাজ্যখনত এই আঁচনিখন অতি নিষ্ঠা আৰু গুৰুত্ব সহকাৰে ৰূপায়ণ কৰিবলৈ আমাৰ বদ্ধপৰিকৰ।

২১) ঐতিহাসিক অসম চুক্তি ৰূপায়নৰ ওপৰত আমি সদায় গুৰুত্ব দি আহিছো। ২০০৫ চনৰ ৫ মে' তাৰিখে ভাৰতৰ প্রধান মন্ত্রী পর্য্যায়ত এখন ত্রিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। ইয়াত অসম চুক্তিৰ প্রতিটো দফা ৰূপায়নৰ বিষয়ে পুংখানুপুংখভাবে পর্য্যালোচনা কৰা হয়। ২০০৬ চনৰ ২ জানুৱাৰী তাৰিখে কেন্দ্রীয় গৃহ মন্ত্রী পর্য্যায়ত আন এখন ত্রিপাক্ষিক বৈঠক অনুষ্ঠিত

হৈযায়। যোৱা বছৰ ৫ মে'ৰ প্রধান মন্ত্রী পর্য্যায়ৰ বৈঠকত লোৱা সিদ্ধান্ত অনুযায়ী ১৯৫১ চনৰ ৰাষ্ট্রীয় নাগৰিক পঞ্জীৰ নৱীকৰণৰ কাম হাতত লোৱা হৈছে। ইয়াৰে প্রথম পর্য্যায়ৰ কাম চলি আছে। ২০০৭ চনৰ ছেপ্তেম্বৰ মাহত ৰাষ্ট্রীয় নাগৰিক পঞ্জীৰ নৱীকৰণৰ কাম সম্পূর্ণ হ'ব বুলি আশা কৰা হৈছে। ভাৰত-বাংলাদেশ সীমান্তত চলি থকা পথ আৰু কাইটীয়া তাঁৰৰ নির্মাণৰ কামসমূহ চলিত বছৰত ডিচেম্বৰ মাহত সম্পূর্ণ হ'ব বুলি আশা কৰা হৈছে।

২২) ২০০৩ চনৰ ফেব্রুৱাৰী মাহত বড়ো চুক্তিৰ ৰূপায়ন হোৱাৰ পিছৰেপৰা বড়ো অধ্যুষিত অঞ্চল সমূহত শান্তিৰ বাতাবৰণ পুনৰ ঘূৰি আহিছে। ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বড়ো লিবাৰেচন টাইগাৰচ্ (Bodo Liberation Tigers), সংশ্লিষ্ট তিনিও পক্ষই এই চুক্তিৰ সফল ৰূপায়নৰ বাবে আন্তৰিকতাৰে কাম কৰি আছে। চলিত মাহৰ ৪ তাৰিখে এই চুক্তিৰ বিভিন্ন দফাসমূহৰ ৰূপায়নৰ বিষয়ে বিতং পর্য্যালোচনা কৰিবলৈ মই এখন সভা আহ্বান কৰিছিলো। বি. টি. চি. (B.T.C.) অঞ্চলত বিভিন্ন বিভাগৰ প্রয়োজনীয় পদসমূহ শীঘ্রেই পূৰণ কৰিবলৈ মই নির্দ্দিষ্ট সময়সীমা বান্ধি দিছো। বি. টি. চি. এলেকাৰ পৰা চাৰিওখন প্রশাসনিক জিলাৰ বাবে প্রয়োজনীয় বিভিন্ন বিভাগৰ চৰকাৰী কার্য্যালয়সমূহ অনতিপলমে যথাবিহিত স্থাপন কৰাৰ বাবেও পদক্ষেপ লোৱা হৈছে। আর্থ-সামাজিক উন্নয়নৰ বাবে বি. টি. চি.ৰ নির্বাচিত সদস্যসকলৰ আগ্রহ আৰু উদ্যম দেখি মই সঁচাকৈয়েই আনন্দিত হৈছো। শান্তি আৰু প্রগতিৰ পথত আগবাঢ়ি যাবলৈ বি.টি.চি.ক ৰাজ্য চৰকাৰৰ ফালৰ পৰা সম্ভৱপৰ সকলো সহায়-সহযোগ আগবঢ়াই যাবলৈ আমাৰ চৰকাৰ প্রতিশ্রুতিবদ্ধ।

২৩) আমাৰ দুয়োখন পার্বত্য জিলাৰ সর্বাংগীন উন্নতিৰ ওপৰত আমি সদায়েই গুৰুত্ব দি আহিছো। আগলৈও এই জিলা দুখনৰ আর্থ-সামাজিক উন্নতিক আমি বিশেষ অগ্রাধিকাৰ দিম। ৰাভা হাছং, তিৰা, মিছিং, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী আৰু দেউৰী স্বায়ত্ব শাসিত পৰিষদসমূহৰ কাম-কাজৰ ওপৰতো আমি গুৰুত্ব দিছো। তেওঁলোকৰ বাবে প্রয়োজনীয় যাৱতীয় পুঁজিৰো ব্যৱস্থা কৰা হৈছে।

২৪) আওঁহতীয়া সীমান্ত অঞ্চল আৰু চৰ এলেকা সমূহৰ উন্নয়নৰ বাবে চলি থকা আঁচনিসমূহৰ উপৰিও আৰু কেতবোৰ বিশেষ আঁচনি ৰূপায়ন কৰাৰ কথা মই চিন্তা কৰিছো। চৰ এলেকা আৰু চাহ জনজাতীয় লোকসকলৰ মাজত চলি থকা মাটিৰ পট্টা বিতৰণৰ কাম আৰু অধিক খৰতকীয়া কৰি তোলা হ'ব। ২০০৫-০৬ চনৰ পৰা ৰাজহ বিভাগে গ্রামাঞ্চলৰ দুখীয়া কৃষক সকলৰ মাজত চৰকাৰী মাটি আৱন্টন কৰি পট্টা দিয়াৰ বাবে এক বিশেষ অভিযান আৰম্ভ কৰিছে। ইয়াৰ দ্বাৰা ইতিমধ্যে ২০,২৭৬ জন ভূমিহীন লোকৰ মাজত ৫৫,৬৭৫ বিঘা মাটি আৱন্টন দিয়া হৈছে। ইয়াৰ উপৰি ২৭,৫৬৫ জন লোকক ৯৪,৮০১ বিঘা মাটিৰ বন্দোবস্তি (Settlement) দিয়া হৈছে। ইয়াৰ ভিতৰত ২০০১ চনৰ পৰা ২০০৫ চনৰ কালচোৱাত ৯৭৬১ জন কৃষকক কেৱল চৰ এলেকাতে ৪৩,০৬৪ বিঘা মাটি বন্দোবস্তি দিয়া হৈছে।

২৫) অসমৰ অর্থনৈতিক অনগ্রসৰতাৰ, বিশেষকৈ গ্রামাঞ্চলত এটি ঘাই কাৰণ হ'ল- বানপানী আৰু গৰাখহনীয়া সমস্যা। মোৰ বিবেচনাত বানপানীতকৈয়ো গৰাখহনীয়া সমস্যাটোহে অধিক ক্ষতিকাৰক আৰু গুৰুতৰ। বিত্তীয় নাটনিকে ধৰি আন বিভিন্ন কাৰণত এই সমস্যাটো স্থায়ীভাবে সমাধান কৰাত আমি এতিয়ালৈ সফলকাম হব পৰা নাই।

স্বীকাৰ কৰিব লাগিব যে চৰকাৰে এতিয়ালৈ লৈ অহা ব্যৱস্থাসমূহ ঘাইকৈ হ্ৰস্বকালীন তথা মধ্যকালীন। এই সমস্যাৰ এক দীৰ্ঘকালীন সমাধান সূত্ৰ উলিয়াবলৈ হ'লে আমাৰ চিন্তাধাৰা গতানুগতিকতাৰ গণ্ডীৰ বাহিৰলৈ নিব লাগিব। সমস্যাটো যিমান গধূৰ, ইয়াৰ সমাধানো হ'ব লাগিব সিমানেই মজবুত আৰু দীৰ্ঘম্যাদী। এই উদ্দেশ্যেই অসম সংহত বান আৰু নদীৰ গৰা পৰিচালনা প্ৰকল্প নামেৰে এটি বিশেষ প্ৰকল্প আমাৰ চৰকাৰে যুগুতাই উলিয়াইছে। এই প্ৰকল্পৰ বাবে যাৱতীয় পুঁজিৰ যোগান ধৰিবলৈ ভাৰত চৰকাৰৰ উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ে জড়িয়তে আমি এচিয়ান ডেভেলপমেণ্ট বেংকৰ লগত যোগাযোগ কৰিছো। উক্ত মন্ত্ৰালয়ৰ জড়িয়তে প্ৰকল্পটো অনুমোদিত হ'লে ৰাজ্য চৰকাৰৰ ওপৰত পৰা দাৰৰ বোজাৰ মাত্ৰা বহুখিনি হ্ৰাস পাব। বান আৰু খহনীয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ মোকাবিলা কৰাৰ অৰ্থে চলিত বিত্তীয় বছৰত জলসম্পদ বিভাগৰ এশ কোটিৰো অধিক টকা আৱণ্টন দিয়াৰ প্ৰস্তাৱ কৰা হৈছে। বান প্ৰতিৰোধক মথাউৰিবোৰৰ নিয়মিত মেৰামতিৰ বাবেও পৰিকল্পনা বহিঃৰ্ভূত শিতানত যোৱা বিত্তীয় বছৰৰ ৬ কোটি টকাৰ ঠাইত চলিত বিত্তীয় বছৰৰ আৱণ্টন ১৬ কোটি টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

২৬) চলিত বিত্তীয় বছৰকে ধৰি পৰৱৰ্ত্তী বছৰবোৰকে ধৰি অসমৰ সকলো ৰাইজক বিশুদ্ধ খোৱা-পানী দিয়াৰ ওপৰত আমাৰ চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দিব। ইয়াৰ বাবে যাৱতীয় পুঁজিৰ যোগান ধৰা হ'ব। মুখ্যমন্ত্ৰীৰ খোৱা পানীৰ যোগান অভিযানৰ জড়িয়তে এতিয়ালৈ গ্ৰাম্যাঞ্চলত আওঁহতীয়া ঠাইসমূহত ১৫,৭১২ টা বিশুদ্ধ খোৱা পানীৰ উৎস স্থাপন কৰা হৈছে। ইয়াৰে ৭৯০ টা চাহ খেতি অধ্যুষিত অঞ্চলত আৰু ১,৩৩৯টা বি.টি.চি. এলেকাত স্থাপন কৰা হৈছে। বিশুদ্ধ খোৱা পানী যোগানৰ

ক্ষেত্রত আর্চেনিক (Arsenic) আৰু ফ্লৰাইড (Floride) প্রদূষণে ৰাজ্যৰ বিভিন্ন ঠাইত সমস্যাৰ সৃষ্টি কৰিছে। এই প্রদূষণৰ মাত্রা নির্ণয় কৰি তাক নিমূল কৰাৰ উদ্দেশ্যে ৰাজ্যিক আৰু জিলা ভিত্তিক ৰাসায়নিক গৱেণাগাৰ স্থাপন কৰাৰ বাবে এক বিশেষ অভিযান হাতত লোৱা হৈছে।

২৭) মল-মূত্র নিস্কাষণৰ সুব্যৱস্থাৰ অভাৱত ৰাজ্যৰ বিভিন্ন ঠাইত বিশেষকৈ গ্রাম্যাঞ্চলত কেতবোৰ নহ'বলগীয়া বেমাৰে অসমৰ ৰাইজক প্রায়েই জুৰুলা কৰি আহিছে। নিম্ন খৰছৰ শৌচালয়ৰ জনপ্রিয়তা বৃদ্ধি কৰি এই পৰিস্থিতিৰ মোকাবিলা কৰা যায়। যাৱতীয় প্রযুক্তি আৰু কাৰিকৰী সামগ্রী ইতিমধ্যে সুলভ আৰু সহজলভ্য হৈছে। সেয়েহে আমি ৰৈ থকাৰ কোনো কাৰণ নাই। এই উদ্দেশ্যে আমাৰ চৰকাৰে সমগ্র ৰাজ্যজুৰি এখন বৃহৎ আঁচনি ৰূপায়নৰ কথা চিন্তা কৰিছে। এই আঁচনিৰ সফল ৰূপায়নৰ বাবে প্রয়োজনীয় পুঁজিৰ অভাৱ নহ'ব।

২৮) এতিয়া মই স্বাস্থ্য খণ্ডৰ বিষয়ে দুআষাৰ কব বিচাৰিছো। এই ক্ষেত্রত বিশেষকৈ গ্রাম্য স্বাস্থ্য উন্নয়নৰ ক্ষেত্রত আমাৰ ৰাজ্যত এতিয়াও বহুখিনি কৰিবলগীয়া আছে। প্রয়োজনীয় পুঁজিৰ নাটনিৰ বাবে এতিয়ালৈকে কৰিবলগীয়া বহুতো কাম সম্ভৱপৰ হৈ উঠা নাছিল। ডাক্তৰ আৰু প্রশিক্ষিত স্বাস্থ্যকর্ম্মীসকল গাওঁলৈ গৈ স্বাস্থ্য সেৱা আগবঢ়োৱাত দেখুৱাই অহা অনীহাও স্বাস্থ্য বিভাগৰ বাবে এটা সমস্যাৰ কাৰণ হৈ আহিছে। এইবাৰ স্বাস্থ্যখণ্ডত এক গুণগত পৰিৱর্ত্তনৰ খুবেই প্রয়োজন হৈছে। ইয়াৰ বাবে মই যাৱতীয় ব্যৱস্থা আৰম্ভ কৰিছো। স্বাস্থ্য বিভাগটোৰ পুনৰ গঠনৰ কাম হাতত লোৱা হৈছে। প্রয়োজনীয় পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। ডাক্তৰ আৰু প্রশিক্ষিত চিকিৎসকসকলে যাতে স্বইচ্ছাই গাঁৱলৈ গৈ চিকিৎসা সেৱা আগবঢ়ায়, তাৰ বাবে বিশেষ

উদ্‌গণিমূলক ব্যৱস্থাৰ দিহা কৰা হৈছে। প্ৰয়োজনীয় পুঁজি নিৰ্দ্ধাৰণ কৰা হৈছে। মাননীয় সদস্যসকল আপোনালোকে শুনি নিশ্চয় সন্তোষ পাব যে অসম চিকিৎসা সেৱাৰ মানদণ্ডৰ উন্নতিকৰণাৰ্থে দ্বাদশ বিত্তীয় আয়োগৰ পৰা আমি ৯৬৬ কোটি টকাৰ এক মোটা অনুদান লাভ কৰিবলৈ সক্ষম হৈছো।

২৯) চলিত বিত্তীয় বৰ্ষত ৬৯ টা সামূহিক স্বাস্থ্য কেন্দ্ৰ (CHC)ৰ উন্নীতকৰণ কৰা হ'ব। প্ৰতিটোৰ খৰছ হ'ব ৪০ লাখ টকাকৈ। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান (National Rural Health Mission)ৰ 'গ' অংশৰ অধীনত ৰাজ্যজুৰি সাৰ্বজনীন প্ৰতিৰোধক ব্যৱস্থাৰ দিহা কৰা হৈছে। পালচ্ পলিঅ' প্ৰতিৰোধক আঁচনি সফল ৰূপায়ন দেখি মই আনন্দিত হৈছো। অসমত শিশুৰ মৃত্যুৰ হাৰো (IMR) ১৯৯৯ চনৰ ৭৬ ৰ পৰা কমি ২০০৩ চনত ৬৭ শতাংশ হৈছেগৈ। ২০০৫-০৬ চনত প্ৰতিৰোধক আঁচনিৰ সম্প্ৰসাৰণ ৭০ শতাংশ বৃদ্ধি পাইছে। আমাৰ লক্ষ্য হৈছে ১০০ শতাংশ সম্প্ৰসাৰণ যাতে দুৰ্গম আৰু আওঁহতীয়া ঠাইত বসবাস কৰা শিশুসকলো এই আঁচনিৰ পৰা বাদ পৰি নেযায়। শিশুৰ মৃত্যু (IMR) আৰু প্ৰসুতিৰ মৃত্যু (MMR)ৰ হাৰ কমোৱাৰ উদ্দেশ্যে প্ৰতিটোৰ প্ৰসৱৰ ক্ষেত্ৰত গ্ৰাম্যাঞ্চলত ৭০০ টকা আৰু চহৰৰ ৫০০ টকাৰ অনুদান দিয়াৰ ব্যৱস্থা কৰা হৈছে যাতে হস্পিতাল, স্বাস্থ্য কেন্দ্ৰ অথবা স্বীকৃতিপ্ৰাপ্ত ডাক্তৰৰ হাততহে শিশুৰ জন্ম হয়। ৰাজ্যৰ ভিতৰুৱা অঞ্চলবোৰত চিকিৎসা সেৱা সুলভ কৰাৰ উদ্দেশ্যে ভ্ৰাম্যমান চিকিৎসা গোটৰ ব্যৱস্থা কৰা হৈছে।

৩০) ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান (NRHM) ভাৰত চৰকাৰৰ দ্বাৰা পৰিচালিত এখন অভিলাসী আঁচনি। আমাৰ ৰাজ্যত এই আঁচনিৰ সফল ৰূপায়ণৰ

বাবে সকলো ব্যৱস্থা হাতত লোৱা হৈছে। মেলেৰীয়া, যক্ষ্মা, কুষ্ঠ, ডিহি উখহা ৰোগ (Goiter) আৰু চকুত চানি পৰা বেমাৰকে ধৰি গ্ৰাম্যাঞ্চলত প্ৰাদূর্ভাৱ থকা সকলো বেমাৰৰ নির্মূলকৰণ এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। এই অভিযানৰ তৃণমূল পর্য্যায়ৰ কর্মী হ'ব আশা (Asha-Accredated Social Health Activist) অর্থাৎ অধীস্বীকৃত সামাজিক স্বাস্থ্য সেৱিকা। তেওঁলোক মহিলা স্বাস্থ্য সেৱা কর্মী। তেওঁলোকে আগবঢ়োৱা স্বাস্থ্য সেৱাৰ বাবে কোনো দৰমহা নলয়। তেওঁলোকৰ ভূমিকা স্বেচ্ছাসেৱিকাৰ। দৰমহাৰ সলনি তেওঁলোকক উদ্‌গণিমূলক ভাট্টা দিয়া হ'ব। আশা (ASHA) উপৰিও ৮৫৩ গৰাকী A.N.M. (Auxilury Nursing Maid) আৰু ৪৫৩ গৰাকী G.N.M. (General Nursing Maid)ক ঠিকা ভিত্তিত নিয়োগ কৰা হ'ব। এই অভিযানৰ অধীনত স্বাস্থ্য উপকেন্দ্ৰ (Sub-Centre)ক, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (Primary Health Centre) আৰু সামূহিক স্বাস্থ্য কেন্দ্ৰ (Community Health Centre) সমূহৰ চৌহদ, ঘৰবাৰী আদিৰ মেৰামতি আৰু নির্মাণ তথা আধুনিক সা-সঁজুলি আৰু যন্ত্ৰপাতিৰ উন্নতিকৰণ কৰা হ'ব। এই অভিযানৰ অধীনত শিশু স্বাস্থ্য আঁচনি আৰু জননী সুৰক্ষা যোজনাও সন্নিবিষ্ট কৰা হৈছে। চলিত বিত্তীয় বর্ষত এই অভিযানৰ বাবে অসমৰ কাৰণে ৫১৩ কোটি টকা ধার্য্য কৰা হৈছে। ৰাজ্যিক পর্য্যায়ত এই অভিযানৰ নেতৃত্বত আছো। মুখ্যমন্ত্রী হিচাবে মই নিজে এই আঁচনিৰ সফলতাৰ বাবে মুখ্য সচিবৰ অধ্যক্ষতাত এখন পৰিচালনা সমিতিও গঠন কৰি দিয়া হৈছে।

৩১) যোৱা কেইমাহমানত অসমৰ বিভিন্ন ঠাইত বহুতো লোক মেলেৰিয়া

ৰোগত আক্রান্ত হৈছে। মই দুঃখিত যে এই মেলেৰিয়া জ্বৰত ভুগি বহুতে প্ৰাণো হেৰুৱাইছে। এই পৰিস্থিতিৰ মোকাবিলা কৰাৰ উদ্দেশ্যে এটি টাস্ক ফ'ৰ্ছ গঠন কৰি দিয়া হৈছে। এই টাস্ক ফ'ৰ্ছক চৰ জমিন অভিজ্ঞতাৰ ভিত্তিত প্ৰতিৰোধৰ বাবে যাৱতীয় ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে। মেলেৰিয়া প্ৰাদুৰ্ভাৱ থকা ঠাইসমূহত প্ৰয়োজনীয় আঠুৰা আৰু ঔষধ বিতৰণ কৰা হৈছে। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ অধীনত যিহেতু যথেষ্ট পুঁজি আছে সেয়ে এই অভিযানৰ অধীনত মেলেৰিয়া প্ৰতিৰোধৰ বাবে এক সৰ্বাত্মক কাৰ্য্যসূচী হাততে লোৱা হৈছে।

৩২) অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়তে স্বাস্থ্য সেৱা আৰু পাঠ্যক্ৰমৰ মানদণ্ড উন্নীতকৰণৰ বাবে ব্যৱস্থা হাততে লোৱা হৈছে। যোৰহাট, তেজপুৰ আৰু ৰৰপেটাত স্থাপন কৰিবলগীয়া তিনিখন নতুন চিকিৎসা মহাবিদ্যালয়ত কামো সন্তোষজনক ভাবে আগবাঢ়ি আহিছে। প্ৰয়োজনীয় পুঁজিৰ আৱন্টন দিয়া হৈছে। কোকৰাঝাৰত আন এখন নতুন চিকিৎসা মহাবিদ্যালয় খোলাৰ প্ৰস্তাৱ কৰা হৈছে।

৩৩) মাননীয় সদস্যসকল, আপোনালোকে শুনি সুখী হ'ব যে মুম্বাইত অৱস্থিত অসম ভৱনেই চিকিৎসাৰ বাবে তালৈ যোৱা কৰ্কট ৰোগীসকলক নিস্বাৰ্থ সেৱা আগবঢ়াই আহিছে। প্ৰশাসনিক গাঠনিকে ধৰি আন আন দিশ সামৰি মুম্বাই অসম ভৱনত উন্নীতকৰণৰ ব্যৱস্থা হাততে লোৱা হৈছে।

৩৪) এতিয়া আমি শিক্ষাৰ ক্ষেত্ৰলৈ আহো। ৰাজ্যত আমি শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণৰ কাম-কাজ চলাই যাম। বিশেষকৈ ভিতৰুৱা আৰু পিছপৰা অঞ্চলসমূহত। কিন্তু তাৰ সমানে আমি গুৰুত্ব দিম সৰ্বস্তৰৰ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ ওপৰত। সৰ্বশিক্ষা অভিযান আঁচনি আমাৰ গোটেই ৰাজ্যত পূৰ্ণগতিত ৰূপায়িত হৈ আছে। এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য

চৰকাৰে আগবঢ়াবলগীয়া পুঁজিৰ আৱণ্টন কৰা হৈছে। আমাৰ শিক্ষা ব্যৱস্থাৰ মানদণ্ডৰ গুণগত উন্নতিকৰণৰ উদ্দেশ্যে এইখন আঁচনিৰ সফল ৰূপায়ণত আমি বিশেষভাবে মনোনিবেশ কৰিছো। পৰৱৰ্ত্তী পর্য্যায়ত এই আঁচনিখন মাধ্যমিক পর্য্যায়লৈ সম্প্রসাৰিত কৰিবলৈ আমি কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো।

৩৫) ২০০৫-০৬ বিত্তীয় বর্ষত আৰম্ভ কৰা এক বিশেষ কার্য্যব্যৱস্থা হ'ল সপ্তম মান শ্রেণীৰ বাবে অসমীয়া, বঙালী, বড়ো, হিন্দী, মণিপুৰী আৰু ইংৰাজী ভাষাৰ নতুন পাঠ্যপুথি প্রণয়ন কৰা। এই কার্য্যব্যৱস্থা চলিত বিত্তীয় বর্ষতো অব্যাহতি থাকিব।

৩৬) মাননীয় সদস্যসকল, আপোনালোকে জানে যে উন্মোচিত নতুন অর্থনীতি দিনক দিনে জ্ঞান ভিত্তিক (Knowledge based) হৈ আহিছে। ইয়াৰ হাৰ আমি ভবাতকৈ বহুতো দ্রুতগতিত বাঢ়িছে। উচ্চ শিক্ষা আজি কেৱল সম্ভ্রান্ত আৰু আঢ্যৱন্ত লোকৰ একচেতিয়া বিষয়বস্তু হৈ থকা নাই। সমগ্র বিশ্বজুৰি ইয়াৰ বহুল সম্প্রসাৰণ হৈছে। আমাৰ দেশতো হৈছে। এই ক্ষেত্রত আমাৰ ৰাজ্য নিশ্চয় পিছপৰি থাকিব নেলাগিব। আমি দেখিবলৈ পাইছো যে আমাৰ বহুতো মেধাবী ছাত্র-ছাত্রী আৰু কাৰিকৰী শিক্ষা বিচাৰি দেশৰ আন আন ৰাজ্যলৈ আনকি বিদেশলৈও ঢাপলি মেলিছে। উচ্চ শিক্ষা শেষ কৰি তেওঁলোকৰ প্রায়ভাগেই অসমলৈ ঘুৰি নাহি বিদেশত বা আন ৰাজ্যত কর্মসংস্থান লৈছে। ই আমাৰ বাবে বৰ শুভ লক্ষণ নহয়। তেওঁলোকৰ বাবে যথোপযুক্ত কর্মসংস্থাপনৰ ব্যৱস্থা কৰি আমি তেওঁলোকক অসমৰ উন্নতিৰ হকে কাম কৰিবলৈ অসমলৈ ঘুৰি অহাৰ দিহা কৰিব লাগিব। লগতে অসমতো উচ্চ শিক্ষাৰ মানদণ্ডৰ উন্নতিকৰণ আৰু সুব্যৱস্থা কৰিব লাগিব। এই উদ্দেশ্যেৰে

ডিব্রুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃগাঠনি আৰু শিক্ষা ব্যৱস্থাৰ উন্নীতকৰণৰ বাবে যাৱতীয় পদক্ষেপ লোৱা হৈছে। তেওঁলোকৰ আর্থিক স্বচ্ছলতা বাহাল ৰখাৰ উদ্দেশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাধাৰণ বার্ষিক অনুদান যোৱা বছৰৰ ২০ কোটি টকাৰ পৰা ২৫ কোটি টকালৈ বৃদ্ধি কৰাৰ প্রস্তাৱ লৈছো। সেইদৰে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ বার্ষিক অনুদান যোৱা বছৰৰ ১০ কোটি টকাৰ পৰা ১২ কোটি টকালৈ বঢ়াবলৈ বিচাৰিছো। একে ধৰণৰ পদক্ষেপ চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্রিক মহাবিদ্যালয় আৰু আন আন কাৰিকৰী শিক্ষানুষ্ঠানৰ ক্ষেত্রতো লোৱা হৈছে। অসমত মই তৃতীয়খন অভিযান্ত্রিক মহাবিদ্যালয় খোলাৰ ব্যৱস্থা হাতত লৈছো। তাৰ বাবে প্রাৰম্ভিক কাম আৰম্ভ কৰা হৈছে আৰু যাৱতীয় পুঁজিৰ যোগান ধৰা হৈছে।

৩৭) দূৰ শিক্ষা সুলভ কৰাৰ উদ্দেশ্যে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুকলি বিশ্ববিদ্যালয় আইন ২০০৫ ইতিমধ্যে গৃহীত কৰা হৈছে। এই মুকলি বিশ্ববিদ্যালয় স্থাপনৰ কাম-কাজ বর্ত্তমান চলি আছে। গুৱাহাটী চৰকাৰে আইন মহাবিদ্যালয়ত পাঁচ বছৰীয়া এল. এল. বি. পাঠ্যক্রম প্রৱর্ত্তনৰ দিহা কৰা হৈছে। ইয়াৰে প্রাৰম্ভিক কাম-কাজ প্রায় সম্পূর্ণ হৈ আহিছে। কোকৰাঝাৰৰ মহাবিদ্যালয়খন কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়লৈ ৰূপান্তৰিত কৰাৰ কার্য্যও চলি আছে। কোকৰাঝাৰত গুৱাহাটী মহাবিদ্যালয়ত বিশ্ববিদ্যালয়ৰ এটি চৌহদ স্থাপনৰ কাম ও সন্তোষজনকভাবে আগবাঢ়িছে।

৩৮) মাননীয় সদস্যসকলে শুনি সুখী হব যে শিক্ষা খণ্ডৰ বাবে ৰাজ্য চৰকাৰে নিজাববীয়াকৈ দিয়া আৰন্টনৰ উপৰিও দ্বাদশ বিত্তীয় আয়োগৰ পৰা আমি ১১০৭ কোটি টকাৰ এটি মোটা অনুদান লাভ কৰিবলৈ সমর্থ হৈছো।

৩৯) অসমত কাৰিকৰী, আভিযান্ত্রিক, স্থপতি-বিদ্যা, আইন, আকৃতি বিদ্যা (Design) আৰু ফেশ্যন ডিজাইন (Fashion design)ৰ উচ্চ মানদণ্ডৰ শিক্ষানুষ্ঠান স্থাপন কৰিবলৈ মই ব্যক্তিগত খণ্ডকো আহ্বান জনাইছো। তাৰ বাবে ৰাজ্য চৰকাৰৰ ফালৰ পৰা দিবলগীয়া সকলো সহায়-সহযোগ আৰু সুবিধা আগবঢ়াবলৈ আমি প্রস্তুত। প্রয়োজন সাপেক্ষে আমাৰ চৰকাৰে ব্যক্তিগত খণ্ডৰ লগত যৌথ ভাবেও (Public Private Partnership) এনে উচ্চ শিক্ষাৰ প্রতিষ্ঠান স্থাপন কৰিবলৈ প্রস্তুত।

৪০) আমাৰ নতুন প্রজন্মৰ মনত জাতীয় প্রেম আৰু জাতীয় সংহতিৰ ভাব যোগাই তোলাত এন. চি.চি. (N.C.C.)ৰ কার্য্যক্রম বিশেষ গুৰুত্বপূর্ণ। নিয়মানুৱর্ত্তিতা আৰু শৃঙ্খলাবদ্ধতাৰ অভ্যাস গঢ় দিয়াতো এন.চি.চি. (N.C.C.)ৰ ভূমিকা অনস্বীকার্য্য। এন.চি.চি. (N.C.C.)ৰ প্রমাণ পত্র থাকিলে সুৰক্ষা বাহিনীত চাকৰি পোৱাত বহুতো সুবিধা হয়। যোৱা কেইবছৰমানত অসমত এন.চি.চি (N.C.C.)ৰ প্রশিক্ষণ ব্যৱস্থা কিছু শিথিল হোৱা মোৰ দৃষ্টিগোচৰ হৈছে। সেয়েহে চলিত বিত্তীয় বর্ষত ৫০ হাজাৰ শিক্ষার্থীক পূর্ণাঙ্গ এন.চি.চি. (N.C.C.)ৰ প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে যাৱতীয় পুঁজিৰ ব্যৱস্থা কৰা হৈছে। অহা বছৰলৈ ৭০ হাজাৰ শিক্ষার্থীক এন. চি. চি. প্রশিক্ষণ ব্যৱস্থাৰ অন্তর্ভূক্তি কৰাৰ পদক্ষেপ লোৱা হ'ব।

৪১) মই আগতেই উল্লেখ কৰি আহিছো যে অসমত উদ্যোগ ক্ষেত্রৰ বিকাশৰ হাৰ বৃদ্ধি কৰাটো অতি প্রয়োজনীয় হৈ পৰিছে। কিন্তু সুলভ মূল্যত উচ্চ মানদণ্ডৰ বিজুলী শক্তিৰ যোগান অবিহনে আধুনিক যুগত উদ্যোগ ক্ষেত্রৰ বিকাশ সম্ভৱ নহয়। আজিৰ যুগত বিজুলী শক্তিৰ নিয়মীয়া যোগান

ইমান গুৰুত্বপূৰ্ণ হৈ পৰিছে যে ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি ঘৰুৱা আচবাব পত্ৰ, চিকিৎসালয়, বিভিন্ন কাৰ্য্যালয়কে ধৰি উদ্যোগ খণ্ড কোনোৱে চলিব নোৱাৰে। সেয়েহে ৰাজ্যৰ বিদ্যুৎ পৰিস্থিতি আশু উন্নতিকৰণৰ ক্ষেত্ৰত মই বিশেষ গুৰুত্ব দিব বিচাৰিছো।

৪২) মাননীয় সদস্যসকল, আপোনালোক সকলোৱে জানে যে ৰাজ্যৰ বৰ্ত্তমান বিদ্যুৎ পৰিস্থিতি আমি বিচৰা ধৰণে সন্তোষজনক নহয়। ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিদ্যুৎ উন্নয়ন কেন্দ্ৰসমূহৰ পৰা বিদ্যুৎ শক্তি ক্ৰয় কৰি আজি আমাৰ সৰহভাগ চাহিদা পূৰণ কৰা হয়। কিন্তু তথাপিও বিদ্যুতৰ চাহিদা দিনৰ যিটো ভাগত উচ্চ শিখৰ পায়গৈ তেতিয়া আমাৰ বিদ্যুৎ যোগান প্ৰায় ১০০ মেগাৱাট্ ঘাটি হয়। এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ ১০০ মেগাৱাট্ উৎপাদনক্ষম কাৰ্বি-লাম্পি জলবিদ্যুৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ পথত আমি দ্ৰুত গতিত আগবাঢ়িছো। আপোনালোকে জানে যে এই প্ৰকল্পটো যোৱা বহুতো বছৰ ধৰি অসম্পূৰ্ণ অৱস্থাত পৰি আছিল। আমাৰ চৰকাৰৰ বিগত কাৰ্য্যকালত এই অসম্পূৰ্ণ প্ৰকল্পৰ কাম আমি পুনৰ হাতত লওঁ। এই বছৰৰ জুন মাহতে এই প্ৰকল্পৰ পৰা বিজুলী শক্তি উৎপাদন হ'ব বুলি সময় নিৰ্দ্ধাৰণ কৰা হৈছিল। কিন্তু বিভিন্ন ভূতাত্ত্বিক কাৰণবশতঃ এই সময়সীমা কিছু পিছুৱাই দিব লগা হ'ল। সি যি কি নহওঁক বাৰিষা কালতো এই প্ৰকল্পৰ কাম পূৰ্ণ গতিত চলি আছে। আশা কৰিছো, এই বছৰৰে অক্টোবৰ মাহত কাম সম্পূৰ্ণ হ'ব আৰু কাৰ্বি-লাম্পি-জলবিদ্যুৎ প্ৰকল্পৰ পৰা বিদ্যুৎ শক্তি উৎপাদনৰ কামৰ শুভাৰম্ভ হ'ব। ৩৮ মেগাৱাট্ উৎপাদন ক্ষমতা সম্পন্ন লাকুৱা অপচায়িত তাপ বিদ্যুৎ কেন্দ্ৰ স্থাপনৰ কাম ভাৰত হেভি ইলেক্ট্ৰিকেল লিমিটেড (VBHEL)ৰ ওপৰত ন্যস্ত কৰা হৈছে। এইপ্ৰকল্পত ব্যয় হ'ব ২০৬ কোটি টকা। ওপৰত

উল্লেখ কৰা বিদ্যুৎ প্ৰকল্প দুটাৰ বাবে ২০০৬-০৭ চনৰ বাজেটত ৭৫.৭৩ কোটি টকা ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আৱন্টন হিচাপে ধাৰ্য্য কৰা হৈছে।

৪৩) ৯৪২.৯৫ কোটি টকা ব্যয় সাপেক্ষে ১৫০ মেগাৱাট্ উৎপাদন ক্ষমতা সম্পন্ন নামনি কপিলী জল-বিদ্যুৎ প্ৰকল্প এটাও স্থাপন কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। অসম বিদ্যুৎ উৎপাদন নিগম (Assam Power Generation Corporation)ৰ জড়িয়তে এই প্ৰকল্প নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। যাৱতীয় ইক্যুইটি (equity) অসম চৰকাৰে যোগান ধৰিব। বৰ্ত্তমান এই প্ৰকল্পৰ বিতং প্ৰাক্কলন প্ৰস্তুতিকৰণৰ কাম চলি আছে। অসম বিদ্যুৎ উৎপাদন নিগমে ৬ মেগাৱাট্ ক্ষমতাসম্পন্ন "লুইংনিট" (Lungnit) জল-বিদ্যুৎ প্ৰকল্প আৰু ৯ মেগাৱাট্ ক্ষমতাসম্পন্ন "মিন্ট্ৰিয়াং" (Myntriang) জল-বিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কামো হাতত লৈছে। আনহাতে বঙাইগাওঁ তাপ-বিদ্যুৎ কেন্দ্ৰৰ পুনৰুজ্জীৱিত কৰি তোলা কামটো কাৰিকৰী আৰু ব্যৱসায়িক দুয়ো দিশৰ পৰাই সম্ভৱপৰ বুলি বিবেচিত নহ'ল। সেয়েহে আমি বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ আগত উত্থাপন কৰো। আপোনালোকে শুনি সুখী হ'ব যে বঙাইগাওঁৰ তাপ-বিদ্যুৎ কেন্দ্ৰৰ চৌহদত ৫০০ মেগাৱাট্ ক্ষমতাসম্পন্ন এটি নতুন তাপ-বিদ্যুৎ কেন্দ্ৰ স্থাপন কৰিবলৈ চৰকাৰে ৰাষ্ট্ৰীয় তাপ-বিদ্যুৎ নিগম (NTPC LTD.)ক দায়িত্বভাৰ অৰ্পণ কৰিছে। এই নতুন বিদ্যুৎ কেন্দ্ৰটো অসমত উৎপাদিত কয়লা ভিত্তিক হ'ব। ইয়াৰ উৎপাদন ক্ষমতা শীঘ্ৰে ৭৫০ মেগাৱাটলৈ বৃদ্ধি কৰাৰ সম্ভাৱনা আছে। গুৱাহাটীৰ ওচৰত অৱস্থিত তাপ-বিদ্যুৎ কেন্দ্ৰটোক পুনৰ উৎপাদনক্ষম কৰি তুলিবলৈ ২০০৬-০৭ চনৰ বাজেটত ৮ কোটি টকাৰ

প্রস্তাৱ কৰা হৈছে। তাৰোপৰি মুখ্যমন্ত্রীৰ বিদ্যুৎ যোগান আঁচনিৰ বাবে ১২ কোটি আৰু চাহ বাগানৰ কর্মীসকলৰ আবাস গৃহৰ মিটাৰ সংযোজনৰ বাবে আন ১ কোটি টকা ধার্য্য কৰা হৈছে।

৪৪) নামৰূপ তাপ-বিদ্যুৎ কেন্দ্রটো স্থাপন কৰাৰ ৪৪ বছৰ হ'ল। সঘনাই যান্ত্রিক বিজুতিত জর্জৰিত হৈ ইয়াৰ উৎপাদন ক্ষমতা হ্রাস পাই আহিছে। সেয়েহে ইয়াৰ ঠাইত নামৰূপত ২৩৫ মেগাৱাট্ উৎপাদন ক্ষমতা সম্পন্ন এটা নতুন বিদ্যুৎ প্রকল্প স্থাপনৰ যো-জা কৰা হৈছে। বৰগোলাইত ১২০ মেগাৱাট্ ক্ষমতাসম্পন্ন আন এটা তাপ-বিদ্যুৎ কেন্দ্র নির্মাণৰ কথাও চিন্তা কৰা হৈছে। অৰুণাচল প্রদেশত চলি থকা কামেং জল-বিদ্যুৎ প্রকল্প আৰু সুৱনশিৰি জল-বিদ্যুৎ প্রকল্পৰ কামো একাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ ভিতৰত সম্পূর্ণ কৰাৰ কথা। এই দুটা প্রকল্পৰ পৰাও অসমে এক বুজন পৰিমাণৰ বিদ্যুৎ যোগান পাব বুলি আশা কৰা হৈছে। মই উল্লেখ কৰি অহা প্রকল্পসমূহ সম্পূর্ণ হ'লে অসমৰ বিদ্যুৎ পৰিস্থিতিৰ লক্ষণীয় উন্নতি হ'ব বুলি আশা কৰিছো।

৪৫) বহু সময়ত বিজুলী উৎপাদন পর্য্যাপ্ত পৰিমাণৰ হ'লেও বিজুলী সৰবৰাহ আৰু বিতৰণ ব্যৱস্থাত থকা ত্রুটিসমূহৰ কাৰণে বিজুলী যোগান ব্যাহত হয়। বিজুলী সৰবৰাহ ব্যৱস্থাৰ উন্নীত কৰাৰ কাৰণে এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা ৪৫০ কোটি টকা আৰু ৰাজ্য চৰকাৰৰ নিজৰ ফালৰ পৰা ১২০ কোটি টকা, মুঠ ৫৭০ কোটি ব্যয় সাপেক্ষে এক অভিলাষী আঁচনি ৰূপায়ণৰ কাম পূর্ণ গতিত চলি আছে। বিজুলী বিতৰণ ব্যৱস্থাটোৰ সম্প্রসাৰণ আৰু আধুনিকীকৰণৰ বাবেও কেন্দ্রৰ পৃষ্ঠপোষকতাত "এ. পি. ডি. আৰ. পি." (APDRP) আঁচনিৰ অধীনত কাম দ্রুত গতিত আগবাঢ়িছে। কেৱল উত্তৰ-লক্ষীমপুৰ আৰু

কার্বি-আংলং-উত্তৰ-কাছাৰ (KANCH) চক্ৰ দুটাৰ কাম আৰম্ভ কৰোতে বিভিন্ন কাৰণত কিছু বিলম্ব হ'ল। সি যি কি নহওঁক এই চক্ৰ দুটাৰ কামো এই বছৰত আৰম্ভ হৈছে। চলিত বৰ্ষৰ পৰিকল্পনা শিতান "ARDRP"ৰ বাবে ১০০ কোটি ধাৰ্য্য কৰা হৈছে।

৪৬) মাননীয় সদস্যসকলে জানে যে গ্ৰাম্যাঞ্চলত বিদ্যুৎ সেৱা সম্প্ৰসাৰণৰ ক্ষেত্ৰত দেশৰ আন আন ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্য কিছু পৰিমাণে পিছপৰি আছে। পৰিসংখ্যাৰ ভিত্তিত যদিও ৰাজ্যৰ ৭৭ শতাংশ গাৱঁতে বিদ্যুৎকৰণ হৈছে প্ৰকৃততে অসমৰ গ্ৰাম্যাঞ্চলত কেৱল ২৫ শতাংশ পৰিয়ালেই নিয়মীয়া বিজুলী যোগান পায়। ৰাজীৱ গান্ধী গ্ৰামীণ বৈদ্যুতিকৰণ যোজনাৰ অধীনত আমি অসমৰ আটাইবোৰ গাৱঁতে প্ৰকৃতাৰ্থত বিজুলী যোগান ধৰিবলৈ এখন ব্যাপক আঁচনি হাতত লৈছো। এই আঁচনিখন ৰাজ্যৰ প্ৰাক্কলন ২৩খন জিলাৰ ১৬খনত ৰূপায়ণ কৰিব অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে আৰু বাকী ৭ খনত কৰিব ভাৰতীয় বিদ্যুৎ গ্ৰীড নিগমে। এই ৭ খন জিলাৰ বাবে ভাৰতীয় গ্ৰাম্য বৈদ্যুতিকৰণ (REC) নিগমৰ পৰা ইতিমধ্যে ৩০৪ কোটি টকা মঞ্জুৰী পোৱা হৈছে। বাকীকেইখন জিলাৰ মঞ্জুৰীও চলিত বিত্তীয় বৰ্ষতে পোৱা যাব বুলি আশা কৰিছোঁ। ৰাজীৱ গান্ধী গ্ৰামীণ বৈদ্যুতিকৰণ যোজনাৰ পুঁজি (RECA) পোনপতীয়াকৈ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু (Power Grid Corporation of India)ক পোনে পোনে দিব। সেয়েহে আমাৰ ২০০৬-০৭ চনৰ ৰাজ্যিক বাজেট শিতানত তাক ধৰা হোৱা নাই। সৌৰ শক্তি তথা বায়ু শক্তিৰ লেখীয়া অগতানুগতিক উৎসৰ পৰাও বিদ্যুৎ শক্তি আহৰণৰ ওপৰত আমি গুৰুত্ব দিছো। ইয়াৰ দ্বাৰা ২২.৪০ কোটি টকা ব্যয় সাপেক্ষে চলিত বিত্তীয় বৰ্ষত অসমৰ

২০০খন গাৱত বিদ্যুৎ যোগানৰ লক্ষ্য নির্দ্ধাৰণ কৰা হৈছে।

৪৭) কেৱল অসমতে নহয় সমগ্র দেশতেই উচ্চমানৰ পথ যোগাযোগ, ৰেল ব্যৱস্থা, সামুদ্রিক বন্দৰ, বিমান বন্দৰ, আভ্যন্তৰীণ জল পৰিবহন বন্দৰ, বিদ্যুৎ যোগান ব্যৱস্থা তথা উদ্যোগ আৰু নগৰীয়া আন্তঃগাঠনিৰ ব্যৱস্থাৰ ভীষণ অভাৱ। আৰ্ন্তজাতিক মানদণ্ডৰ তুলনাত আমাৰ দেশৰ মৌলিক আন্তঃগাঠনিৰ ব্যৱস্থা অতি নিম্নমানৰ। সেয়ে স্বাভাৱিকতে অসমৰ অৱস্থা তথৈবচ। আন্তঃগাঠনিৰ মানদণ্ড উন্নতি অবিহনে আমাৰ অর্থনৈতিক উন্নয়নৰ গতি অনতিপলমে স্তিমিত হৈ পৰাৰ আশংকা আছে। এই আন্তঃগাঠনিৰ অৱস্থাৰ উন্নীতকৰণৰ বাবে প্রয়োজনীয় পুঁজিৰ পৰিমাণ ইমানেই অধিক যে এই কাম কেৱল ৰাজহুৱা খণ্ডৰ জড়িয়তে সমাধা কৰাটো সম্ভৱপৰ নহয়। সেয়েহে ব্যক্তিগত খণ্ডৰ পুঁজি বিনিয়োগ আমাৰ দেশৰ আন্তঃগাঠনিৰ নির্মাণৰ বাবে অপৰিহার্য্য হৈ পৰিছে। এই দিশত ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ যৌথ প্রচেষ্টা (PPP) আৱশ্যকীয় হৈ পৰিছে। পিছে বিনিয়োগ কৰা পুঁজিৰ ওপৰত প্রচলিত হাৰত লাভ নাপালে ব্যক্তিগত খণ্ডৰ এনে আন্তঃগাঠনিমূলক প্রকল্পৰ সৈতে জড়িত হবলৈ আগ্রহী হ'ব বুলি আশা কৰিব নোৱাৰি। আনহাতে প্রায়ভাগ আন্তঃগাঠনিমূলক প্রকল্পই ব্যৱসায়িক ভিত্তিত লাভজনক নহয়। এই দ্বৈত অৱস্থাৰ যোৱা মাৰিবলৈ কেন্দ্রীয় চৰকাৰে Vaibility Gap Funding নামেৰে এখন আঁচনি প্রণয়ন কৰিছে। এই আঁচনিৰ অধীনত আন্তঃগাঠনিমূলক প্রকল্পসমূহৰ বাবে কেন্দ্রীয় চৰকাৰে প্রয়োজনীয় অনুদান দিব। ইয়াৰ উদ্দেশ্য হ'ল এনে প্রকল্পসমূহৰ আয়-ব্যয়ৰ ব্যৱধান হ্রাস কৰি তাক যৌথ খণ্ডৰ বাবে অধিক আকর্ষণীয় কৰি তোলা। অসমতো এনে ধৰণৰ আন্তঃগাঠনিমূলক প্রকল্প যৌথ খণ্ডত

গঢ়ি তুলিবলৈ মই কার্য্য ব্যৱস্থা হাতত লৈছো। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীক সংলগ্ন কৰি এখন বহু লেন্ যুক্ত দলং নির্মাণৰ কথা চিন্তা কৰিছো। গড়কাপ্তানী বিভাগক প্রাৰম্ভিক কাম আৰম্ভ কৰিবলৈ নির্দ্দেশ দিছো। প্রস্তাৱিত দলংখন যৌথ খণ্ডত মাচুলযুক্ত কৰিবলগীয়া হ'ব পাৰে। ইয়াৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা Vaibility Gap Funding আঁচনিৰ অধীনত প্রয়োজনীয় অনুদান পোৱা যাব বুলিও আশা কৰা হৈছে।

৪৮) মাননীয় সদস্যসকল, আপোনালোক নিশ্চয় অৱগত যে অর্থনৈতিক বিশ্বায়ন উদাৰিকৰণ আৰু সংস্কাৰৰ পৰিপ্রেক্ষিতত বাণিজ্য আৰু উদ্যোগৰ ক্ষেত্রত সমগ্র বিশ্বতে এক আমূল পৰিৱর্ত্তন আহিছে। এই প্রক্রিয়াৰ বাহিৰত থাকি আজি কোনো দেশ বা ৰাজ্য তিষ্ঠিব নোৱাৰে। এই যুগটো হৈছে অর্থনৈতিক প্রতিযোগিতাৰ যুগ। প্রতিযোগিতাত আমিও নামিব লাগিব। এই তীব্র প্রতিযোগিতাত নামি সফলকাম হ'ব লাগিলে আমাৰ ৰাজ্যৰ উৎপাদিত সামগ্রীসমূহৰ মানদণ্ড আৰু মূল্য দুয়ো দিশৰ পৰায়ে ৰাষ্ট্রীয় আন্তঃর্জাতিক পর্য্যায়ত ফেৰ মাৰিব পৰা হ'ব লাগিব। কিন্তু দেখা গৈছে যে দেশৰ অর্থনৈতিক উদাৰিকৰণ প্রক্রিয়াৰ পৰিপ্রেক্ষিতত অসমকে ধৰি পূর্ব-ভাৰতৰ বহু অংশ তুলনামূলকভাবে পিছ পৰি গৈছে। ই চিন্তাৰ বিষয়। আন্তঃর্জাতিক বিনিয়োগ পুঁজিকে ধৰি দেশত বিনিয়োগ হোৱা পুঁজিৰ সিংহভাগ গৈছে সমুদ্রৰ পার্শ্বঃবর্ত্তী ৰাজ্যসমূহলৈ। সামুদ্রিক বন্দৰৰ কাষৰীয়া অঞ্চলসমূহ দোপত দোপে আগবাঢ়ি গৈছে। পথ তথা ৰেল পৰিবহনৰ সূচলতাৰ বাবে দিল্লী আৰু উত্তৰ-ভাৰতৰ কাষৰীয়া অঞ্চলসমূহ আগবাঢ়ি গৈছে। অসম তথা উত্তৰ-পূর্বাঞ্চলৰ নিচিনা স্থলাৱদ্ধ অঞ্চলসমূহ পিছপৰি ৰৈছে। কেৱল আমাৰ দেশতে নহয় ব্রাজিল আৰু চীনৰ দৰে

আন বৃহৎ দেশবোৰতো একে পৰিস্থিতি পৰিলক্ষিত হৈছে। তাতো সমুদ্ৰৰ পার্শ্বঃবর্ত্তী অঞ্চলসমূহ উদ্যোগ আৰু বাণিজ্যত দোপত দোপে আগুৱাই গৈছে। কিন্তু চীন দেশৰ মধ্য তথা পশ্চিম অঞ্চলসমূহ আৰু ব্ৰাজিলৰো উত্তৰ-পূৰ্বাঞ্চল আমাৰ দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ দৰে পিছপৰি গৈছে। মই আগতে উল্লেখ কৰি আহিছো যে এতিয়া আৰু আনৰ মুখাপেক্ষি হৈ লাভ নাই। আমি নিজৰ ভৰিৰ ওপৰত থিয় হবই লাগিব। আমাৰ স্থলাবদ্ধ পৰিবেশ আৰু ভৌগলিক অৱস্থানে নিশ্চয় আমাৰ প্ৰগতিত কিছুমান বাধাৰ সৃষ্টি কৰিব। কিন্তু আমাৰ ৰাজ্যৰ ইতিবাচক দিশো নথকা নহয়। শিক্ষিত জনগণ আৰু প্ৰাকৃতিক সম্পদবোৰ আমাৰ আছে। গতিকে সঠিক কৌশল অৱলম্বন কৰি প্ৰতিযোগিতাত নামিলে আমিও যে কৃতকার্য্য হ'ব পাৰিম তাৰ প্ৰতি মোৰ দৃঢ় বিশ্বাস আছে।

৪৯) ওপৰত উল্লেখ কৰি অহা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মই প্ৰথম অগ্ৰাধিকাৰ দিম তথ্য-প্ৰযুক্তিবিদ্যা ভিত্তিক উদ্যোগ গঠনৰ ওপৰত। কিয়নো তথ্য প্ৰযুক্তিবিদ্যাই ভৌগলিক দূৰত্ব বা স্থলাৱদ্ধ অৱস্থানৰ হেঙাৰ নেমানে। ইয়াক লাগে কাৰিকৰী অৰ্হতাসম্পন্ন আৰু ইংৰাজী ভাষাত দখল থকা শিক্ষিত মানৱ সম্পদ। আমাৰ অসম এই দুয়ো দিশতে চহকী। তথ্য-প্ৰযুক্তি ভিত্তিক উদ্যোগ স্থাপনৰ ক্ষেত্ৰত আমি যদি কোনো বিশ্বখ্যাতিসম্পন্ন কোম্পানী আমাৰ ৰাজ্যলৈ আনিব পাৰো তাৰ ফল নিশ্চয় সুদূৰপ্ৰসাৰী হ'ব। এই সপোন দিঠকত পৰিণত কৰিবলৈ আমাৰ চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা লব।

৫০) তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত আমি (Assam State Wide Area Network (ASWAN) আঁচনিখন ৰূপায়িত কৰি আছো। ইয়াৰ দ্বাৰা ৰাজ্যৰ ৰাজধানীক আটাইবোৰ জিলাৰ সদৰৰ লগত, আটাইবোৰ

উন্নয়ন খণ্ড আৰু ৰাজহ চক্ৰ জিলা সদৰৰ লগত আৰু চূড়ান্ত পৰ্য্যায়ত উমৈহতীয়া সেৱা কেন্দ্ৰ (Common Services Centre) স্থাপন কৰি এই ব্যৱস্থাৰ লগত সংলগ্ন কৰা হ'ব। ইয়াৰ ফলত চৰকাৰ আৰু ৰাইজৰ মাজৰ ব্যৱধান হ্ৰাস পাব। এই আধুনিক তথ্য-প্ৰযুক্তি ব্যৱস্থাৰে ৰাইজে চৰকাৰৰ লগত যোগাযোগ কৰিব পাৰিব আৰু চৰকাৰে তেওঁলোকক বিভিন্ন ধৰণৰ সেৱা আগবঢ়াব পাৰিব। এই ব্যৱস্থাৰ জড়িয়তে প্ৰায় ৪ হেজাৰ যুৱক-যুৱতীৰ কৰ্মসংস্থানো দিব পৰা যাব। এই ব্যৱস্থাৰ অতি সোনকালে প্ৰৱৰ্ত্তন কৰা হ'ব। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসমক ৭২.৪৮ কোটি টকাৰ মঞ্জুৰী দিছে আৰু তাৰে ১৫ কোটি টকা ইতিমধ্যে "এমট্ৰ'ন"ক মুকলি কৰি দিয়া হৈছে। অসমত এই আঁচনিখনৰ দায়িত্ব এমট্ৰ'নক দিয়া হৈছে।

৫১) Special Economic Zone (SEZ) অৰ্থাৎ বিশেষ অৰ্থনৈতিক মণ্ডল গঠন কৰি চীন দেশে কৃতকাৰ্য্যতা লাভ কৰিছে। আজি কিছুদিনৰ পৰা আমাৰ দেশতো কেইবাটাও "SEZ"ৰ নিৰ্মাণৰ বাবে অনুমোদন দিয়া হৈছে। ইয়াৰবাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ আইনো প্ৰণয়ন কৰিছে। আমাৰ দেশত স্থাপন হৈ থকা ভালেসংখ্যক "SEZ" ব্যক্তিগত আৰু যৌথ খণ্ডত স্থাপিত হৈ আছে। বিশেষ অৰ্থনৈতিক মণ্ডলত অৱস্থিত উদ্যোগসমূহে আৰ্ন্তজাতিক মানদণ্ডৰ আন্তঃগাঠনিৰ সুবিধা লাভ কৰাৰ উপৰিও আন বহুতো আনুষ্ঠানিক আৰু কৰ,ৰেহাই আদিৰ লেখীয়া সা-সুবিধা আদি পায়। আমাৰ ৰাজ্যতো মই দুটা বিশেষ অৰ্থনৈতিক মণ্ডল খোলাৰ বাবে পদক্ষেপ লৈছো। ইয়াৰে এটা হ'ব উজনি অসমত আৰু আনটো হ'ব নামনি অসমত। উল্লেখযোগ্য যে অসমত স্থাপিত হবলগীয়া বিশেষ অৰ্থনৈতিক মণ্ডলত অৱস্থিত উদ্যোগসমূহে "SEZ"ত

পাবলগীয়া সকলোবোৰ সুবিধাৰ উপৰিও কেন্দ্রীয় চৰকাৰৰ দ্বাৰা ঘোষিত উত্তৰ-পূব উদ্যোগ নীতিৰ আধাৰত পাবলগীয়া সুবিধা আৰু সাহায্যবোৰ লাভ কৰিব পাৰিব।

বিশেষ অৰ্থনৈতিক অঞ্চল "Special Economic Region (SER)" স্থাপনৰ ওপৰতো একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত ভাৰত চৰকাৰে গুৰুত্ব দিছে। "SER" আৰু "SEZ"ৰ পাৰ্থক্য হ'ল এইটো যে "SEZ"ত পোৱাৰ নিচিনা ৰপ্তানী কৰ ৰেহাই "SER"ত উপলব্ধ নহয়। ওপৰত উল্লেখ কৰা "SEZ" দুখনৰ উপৰিও অসমত একাধিক "SER" স্থাপনৰো প্রাসংগিকতা আছে। এই বিষয়ে আমাৰ চৰকাৰে যাৱতীয় ব্যৱস্থা লব।

৫২) মাননীয় সদস্যসকল, আপোনালোক নিশ্চয় অৱগত যে অসম গেছ ক্রেকাৰ প্রকল্প স্থাপনৰ বাবে ভাৰত চৰকাৰে চূড়ান্ত সিদ্ধান্ত লৈছে আৰু অনুমোদন জনাইছে। ইয়াৰে বাবে ডিব্রুগড়ৰ ওচৰত লেপেটকাটাত ১১০৮ একৰ মাটি চিনাক্ত কৰা হৈছে। এই মাটি অধিগ্রহণৰ কাম বৰ্ত্তমান চলি আছে। ভাৰতীয় গেছ প্রাধিকৰণে এই প্রকল্পটো স্থাপনত অগ্রণী ভূমিকা লব। এই উদ্যোগটো স্থাপনৰ বাবে প্রয়োজনীয় ইকুইটিৰ ৭০ শতাংশ থাকিব ভাৰতীয় গেছ প্রাধিকৰণৰ হাতত। বাকী ৩০ শতাংশ ইকুইটি গাইপতি ১০ শতাংশকৈ অসম চৰকাৰৰ অইল ইণ্ডিয়া লিমিটেড আৰু নুমলীগড় ৰিফাইনেৰীৰ হাতত ৰব। এই প্রকল্প স্থাপনৰ প্রাৰম্ভিক কাম ইতিমধ্যে আগবাঢ়িছে। সকলো ঠিকে ঠাকে গ'লে ২০১১ চনত এই প্রকল্পটো উৎপাদনক্ষম হৈ উঠিব। ইয়াত ৮৫০০ প্রত্যক্ষ নিযুক্তিৰ সুযোগ ওলাব। তাৰোপৰি এই গেছ ক্রেকাৰক ভিত্তি কৰি ভালেসংখ্যক (Down Stream) উদ্যোগ গঢ়ি উঠিব। এইবোৰৰ ফলত আন

বহুতো আনুসংগিক সেৱা আৰু উদ্যোগ বিকাশৰ বাটো মুকলি হব। যাৰ ফলত প্ৰায় এক লাখ নিযুক্তিৰ সম্ভাৱনীয়তা দেখা যায়। গেছ ক্ৰেকাৰ প্ৰকল্পৰ উৎপাদিত হবলগীয়া (LLDPE, HDPE) আৰু PP আদিৰ দৰে Polyee Ethylenes দ্ৰব্যৰ উপৰিও কৃষি, জলসম্পদ পৰিচালনা, পেকেজিং, অট'মবাইলচ, টেলিট্ৰনিক্স টেলি কমিউনিকেশ্যন, চিকিৎসা সেৱা আৰু শিক্ষা আদি বিভিন্ন ক্ষেত্ৰত ব্যৱহৃত হব।

৫৩) তিনিচুকীয়াৰ ওচৰত এখন প্লাষ্টিক পার্ক নির্মাণৰ সিদ্ধান্ত অসম চৰকাৰে গ্ৰহণ কৰিছে। ইয়াৰ বাবে ৩০০ বিঘা মাটি অধিগ্ৰহণ কৰিবলৈ বিচৰা হৈছে। গেছ ক্ৰেকাৰ প্ৰকল্পৰ ডাউন ষ্ট্ৰিম উদ্যোগ হিচাপে এই প্লাষ্টিক পার্কত ৫০ টা প্লাষ্টিক আৰু পলিমাৰ ভিত্তিক উদ্যোগ স্থাপন কৰা হব। গেছ ক্ৰেকাৰ প্ৰকল্পটোৰ পৰা উদ্ভৱ হবলগীয়া বিশাল উদ্যোগীকৰণৰ সুযোগ যাতে আমাৰ যুৱক-যুৱতীসকলে লব পাৰে তাৰ বাবে আগতীয়া ব্যৱস্থা হাতত লোৱা হৈছে। প্ৰয়োজনীয় মানৱ সম্পদ গঢ়ি তোলাৰ বাবে CIPET (Central Institute of Plastic Engineering and Technology Centre)ৰ সহযোগত এক যুটীয়া আঁচনি প্ৰস্তুত কৰা হৈ আছে। গেছ ক্ৰেকাৰ প্ৰকল্প নির্মাণৰ লগে লগে এই আঁচনি ৰূপায়ণৰ কামো চলাই যোৱা হ'ব।

৫৪) ৰাজ্যৰ উদ্যোগিক বিকাশৰ গতি তৰান্বিত কৰাৰ উদ্দেশ্যে ভোমোৰাগুৰি, দলগাওঁ, মালিনীবিল, ডিমৌ, ৰঙিয়া, তিতাবৰ, নলবাৰী আৰু বান্দৰদোৱাত ৭ খন Integrated Infrastructure Development Project (IIDP) স্থাপন কৰাৰ কাম চলি আছে। অসমৰ যিবোৰ জিলাত এনে ধৰণৰ (IIDP) বা আন কোনো উদ্যোগ বিকাশ কেন্দ্ৰ নাই, সেই জিলাসমূহতো একোটাকৈ (IIDP) স্থাপনৰ

আন খণ্ডৰ তুলনাত ইয়াৰ বিকাশৰ হাৰ সৰ্বাধিক। এই খণ্ডত বিনিয়োগ কৰা পুঁজিৰ বিপৰীতে নিয়োগ সৃষ্টিৰ হাৰো আন আন উদ্যোগৰ তুলনাত বহুত বেছি। নিবনুৱা সমস্যা অসমৰ বাবে এটি জটিল সমস্যা। আনহাতে আকৌ পর্য্যটন খণ্ডৰ বিকাশৰ বাবে আমাৰ ৰাজ্যত প্ৰচুৰ সম্ভাৱনীয়তা আছে। সেয়েহে পর্য্যটন খণ্ডৰ বিকাশৰ জড়িয়তে নিবনুৱা সমস্যাটো বহুলাংশে সমাধান কৰিব পৰা যাব বুলি মই ভাবো। ইয়াৰ ওপৰত আমি সৰ্বাধিক গুৰুত্ব দিম। স্বদেশীয় আভ্যন্তৰীণ পর্য্যটকক আকর্ষণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈ আছে। তীর্থ, সংস্কৃতি আৰু প্ৰাকৃতিক সৌন্দর্য্য আদি বিভিন্ন দিশৰ পৰা পর্য্যটকৰ বাবে আকর্ষণীয় স্থানসমূহৰ উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। ৰাজ্য চৰকাৰে "মুখ্যমন্ত্রীৰ আত্মসহায়ক পর্য্যটন আঁচনি ২০০৪" নামৰ এখন নতুন আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ দ্বাৰা শিক্ষিত নিবনুৱা যুৱকসকলক পর্য্যটন খণ্ডত আত্মসংস্থাপনৰ ব্যৱস্থা কৰা হ'ব। এই আঁচনিৰ অধীনত প্ৰকল্প ব্যয়ৰ ২০ শতাংশ ৰাজ সাহায্য হিচাবে দিয়াৰ ব্যৱস্থা কৰা হৈছে। এইআঁচনিখনৰ ৰূপায়ণত আমি আশানুৰূপ সাফল্য লাভ কৰিছো।

৬১) দেশ-বিদেশৰ চহকী পর্য্যটকসকলে পঞ্চতাৰকাযুক্ত হোটেলৰ সা-সুবিধা বিচাৰে। সেইদৰে চহকী ব্যৱসায়ী আমাৰ উদ্যোগপতি, কুটনীতিবিদসকলেও পঞ্চতাৰকাযুক্ত হোটেলৰ সুবিধা বিচাৰে। গুৱাহাটীকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে আজিলৈ এখনো পঞ্চতাৰকাযুক্ত হোটেল নাই। ভাৰত চৰকাৰে ঘোষণা কৰা "Look East Policy"ৰ পৰিপ্ৰেক্ষিতত যদি আমি গুৱাহাটীক ভাৰতৰ পূৰ্বাঞ্চল আৰু চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ যোগাযোগ আৰু বাণিজ্যিক কেন্দ্ৰ হিচাবে গঢ় দিবলৈ বিচাৰো তেনেহ'লে ইয়াত শীঘ্ৰে এখন

বাবে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

৫৫) উদ্যোগীক বিকাশৰ ক্ষেত্রত আমি ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ ওপৰত বিশেষ গুৰুত্ব দিম, তাৰ বাবে প্রয়োজনীয় আন্তঃগাঠনিকে ধৰি সকলো সহায়-সুবিধা আগবঢ়োৱা হ'ব। অসম ৰাজ্যিক উদ্যোগ নীতিৰ অধীনত দিবলগীয়া ৰাজ সাহায্যৰ বাবে প্রয়োজনীয় পুঁজি যোগান ধৰা হ'ব। কেন্দ্রীয় চৰকাৰে ঘোষণা কৰা উত্তৰ-পূব উদ্যোগ নীতিখন আৰু অধিক আকর্ষণীয় কৰি লৈ কেৱল উত্তৰ-পূর্বাঞ্চলত প্রযোজ্য হোৱাকৈ ইয়াৰ ম্যাদ ২০০৭ চনৰ পিছলৈকো সম্প্রসাৰিত কৰাৰ বাবে চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

৫৬) আন্তঃর্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য অভূতপূর্বভাবে বৃদ্ধি পাইছে। ইয়াৰ ফলত খাৰুৱা তেলৰ আভ্যন্তৰীণ উৎপাদন বৃদ্ধি কৰাটো আমাৰ দেশৰ বাবে অতি প্রয়োজনীয় হৈ পৰিছে। অইল ইণ্ডিয়া লিমিটেড আৰু অ' এন জি. চি লিমিটেড, খাৰুৱা তেল উৎপাদনৰ দুয়োটা বৃহৎ কেন্দ্রীয় ৰাজহুৱা প্রতিষ্ঠানে অসমৰ তৈল ক্ষেত্রৰ পৰা তেওঁলোকৰ উৎপাদন বৃদ্ধি কৰিবলৈ উঠিপৰি লাগিছে। তাৰ বাবে তেওঁলোকে অত্যাধুনিক শেহতীয়া প্রযুক্তিবিদ্যা আৰু যন্ত্রপাতি নিয়োগ কৰিছে। New Exploration Licensing Policyৰ অধীনত কেন্দ্রীয় চৰকাৰে ব্যক্তিগত খণ্ডৰ স্বদেশী আৰু বহুজাতিক কোম্পানীক অসমত তেলৰ অনুসন্ধান আৰু উৎপাদনৰ অনুমতি প্রদান কৰিছে। অসমৰ প্রাকৃতিক তেল আৰু গেছৰ উৎপাদন বৃদ্ধি পালে কেৱল উদ্যোগিক বিকাশতেই তাৰ ইতিবাচক প্রভাৱ নপৰিব। ইয়াৰ ফলত বিক্রী কৰ আৰু ৰয়েলিটিৰ জড়িয়তে অসম চৰকাৰৰ ৰাজকোষো টনকিয়াল হ'ব। আমাৰ ৰাজ্যৰ প্রাকৃতিক তেল আৰু গেছৰ সন্দর্ভত আমাৰ চৰকাৰৰ নীতি হৈছে থলুৱা

পঞ্চতকাৰকাযুক্ত হোটেল স্থাপন কৰাটো অতীব প্ৰয়োজনীয় হৈ পৰিছে। ইয়াৰ বাবে গুৱাহাটী মহানগৰীত প্ৰয়াজনীয় মাটি চিনাক্তকৰণ কৰিবলৈ ইতিমধ্যে মই ৰাজহ বিভাগক নিৰ্দ্দেশ দিছো। ইয়াৰ বাবে ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পঞ্চতাৰকাযুক্ত হোটেল গোষ্ঠীসমূহক মই অসমলৈ আহি ব্যৱসায় আৰম্ভ কৰিবলৈ মই আমন্ত্ৰণ জনাওঁ।

৬২) গুৱাহাটী মহানগৰী সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ দুৱাৰমুখ তথা প্ৰাণকেন্দ্ৰ স্বৰূপ। বাহিৰৰ পৰা অহা কোনো পৰ্য্যটক বা উদ্যোগপতিয়ে প্ৰথমে গুৱাহাটীত ভৰি দিয়েই সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিষয়ে এটি ধাৰণা কৰি লয়। সেয়েহে গুৱাহাটী মহানগৰীখন চাপ-চিকুণ কৰি ৰখাটো আৰু নগৰীয়া সা-সুবিধাসমূহৰ মানদণ্ড উন্নতি কৰাৰ ওপৰত আমাৰ চৰকাৰে বিশেষ গুৰুত্ব দিছে। ভাৰত চৰকাৰে "জৱাহৰলাল নেহেৰু ৰাষ্ট্ৰীয় নগৰ উন্নয়ন অভিযান" নামেৰে এখন বৃহৎ আঁচনি ঘোষণা কৰিছে। এই আঁচনিৰ তালিকাত গুৱাহাটী মহানগৰীক উচ্চ স্থান দিয়া হৈছে। ইয়াৰ অধীনত মহানগৰীত বাট-পদুলি, নলা-নৰ্দ্দমা উন্নতিকৰণ, জাবৰ জোখৰ নিষ্কাষণ, বিশুদ্ধ খোৱাঁ পানীৰ যোগান আদি বিভিন্ন প্ৰয়োজনীয় কাৰ্য্য ব্যৱস্থা অন্তৰ্ভূক্ত কৰা হৈছে। চলিত বিত্তীয় বৰ্ষৰ পৰাই গুৱাহাটী মহানগৰীত এই আঁচনি ৰূপায়ণৰ কাম আমি হাতত লৈছো। এই আঁচনিৰ অধীনত গুৱাহাটী মহানগৰীৰ বাবে প্ৰায় ৩ হাজাৰ কোটি টকা আৱন্টন পাম বুলি আশা কৰিছো। ইয়াৰোপৰি গুৱাহাটীৰ পৰা উমানন্দ হৈ উত্তৰ গুৱাহাটীলৈ এক ৰজ্জু পথ নিৰ্মাণৰ কাম আৰু মহানগৰীৰ বিভিন্ন স্থানত বহু মহলীয়া গাড়ীৰ আস্থান আৰু ফুট্ অ'ভাৰ ব্ৰিজ নিৰ্মাণৰ বাবেও আমি সক্ৰিয়ভাবে ব্যৱস্থা লৈ আছো।

৬৩) মাননীয় সদস্যসকলে নিশ্চয় মন কৰিছে যে আজি কিছু মাহৰ পৰা

গুৱাহাটী মহানগৰীৰ বাট পথ বহলোৱাকে ধৰি বিভিন্ন উন্নয়নমূলক কাম-কাজ চলি আছে। অনতিপলমে ভাৰতীয় অলিম্পিক সন্থাই নির্দ্ধাৰণ কৰা সময় আৰু কার্য্যসূচী অনুসৰি তেত্রিশতম্ ৰাষ্ট্রীয় ক্রীড়া গুৱাহাটীত অনুষ্ঠিত হ'ব। আপোনালোকে শুনি নিশ্চয় আনন্দিত হ'ব যে ৰাষ্ট্রীয় ক্রীড়াৰ বাবে প্রয়োজনীয় আন্তঃগাঠনি কামৰ ৯০ শতাংশ ইতিমধ্যে সম্পূর্ণ হৈছে। বাকী থকা ১০ শতাংশ কাম এই মাহৰ ভিতৰতে সম্পূর্ণ কৰা হ'ব। ৰাষ্ট্রীয় ক্রীড়া প্রতিযোগিতাত যাতে আমাৰ খেলুৱৈসকলে উচ্চমানৰ পাৰদর্শিতা প্রদর্শন কৰিব পাৰে তাৰ বাবে আমি যাৱতীয় ব্যৱস্থা হাতত লৈছো। ৰাষ্ট্রীয় ক্রীড়া আৰু আন্তঃৰাষ্ট্রীয় পর্য্যায়ৰ প্রশিক্ষক নিয়োগ কৰি আমাৰ খেলুৱৈসকলক প্রশিক্ষণ দিবৰ বাবে বিভিন্ন কেন্দ্র স্থাপন কৰা হৈছে।

৬৪) আজি কেইবছৰ মানৰ পৰা গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন চহৰত ঘৰ-দুৱাৰ আৰু ব্যৱসায়ীক প্রতিষ্ঠান নির্মাণৰ জোৱাৰ উঠিছে। গুৱাহাটী মহানগৰীত বহুতো ফ্লেট ভিত্তিত বহু মহলীয়া আৱাসিক অট্টালিকা গঢ় লৈ উঠিছে। অসমত ই এটা নতুন ধাৰা। এই দিশটো নিয়ন্ত্রণৰ বাবে আমাৰ ৰাজ্যত আজিলৈকে কোনো আইন প্রণয়ন হোৱা নাই। ফলত ৰাজ্য চৰকাৰৰ বহুতো ৰাজহ লোকচান হৈছে, কিয়নো ফ্লেটৰ গৰাকীসকলে নিজাকৈ একোখন চ'ছাইটি গঠন কৰি লয় আৰু চৰকাৰে কোনো পঞ্জীয়ন মাচুল নাপায়। বর্ত্তমান চলিত পৰিস্থিতিৰ সংশোধন কৰাৰ অর্থে অসম বিধান সভাত এই বাজেট অধিবেশনতে মই "Assam Apartments Construction and Transfer of Wonership Bill, 2006" উত্থাপন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লৈছো।

৬৫) মাননীয় সদস্যসকল, আমি গুৱাহাটীৰ উন্নয়নৰ বাবে লোৱা বিভিন্ন কার্য্যসূচী ৰূপায়ণ কৰাৰ লগে লগে অসমৰ জিলাসমূহৰ সদৰ স্থান, মহকুমা সদৰ আৰু অন্যান্য নগৰ-চহৰবোৰৰ উন্নয়নৰ কথাও চিন্তা কৰিছো। এই চহৰসমূহৰ আন্তঃগাঠনি আৰু নগৰীয়া ব্যৱস্থাৰ সা-সুবিধাৰ মানদণ্ড উন্নীতকৰণৰ বাবে শীঘ্রে আমি বিশেষ আঁচনি হাতত লম। এই আঁচনিৰ অধীনত অহা পাঁচ বছৰত ৰাজ্যৰ আটাইবোৰ নগৰ-চহৰ সামৰি লোৱা হ'ব। ৰাজ্যৰ প্রতিটো উন্নয়ন খণ্ডৰ কেন্দ্রস্থলক একোখিনি সু-পৰিকল্পিত চহৰ হিচাবে গঢ় দিয়াৰ কথাও আমাৰ চৰকাৰৰ বিবেচনাধীন। অসমৰ নগৰ-চহৰবোৰত বিশুদ্ধ খোৱা-পানী যোগানৰ ওপৰত আমি বিশেষ গুৰুত্ব দিম। ক্ষুদ্র আৰু মজলীয়া চহৰসমূহৰ সংহত উন্নয়ন (IDMST)ৰ অধীনত ২০০৫-০৬ চনত অসমৰ ৩৩ খন চহৰ সামৰি লোৱা হৈছে আৰু পথ, বজাৰ, বাছ আস্থান, নর্দ্দমা, সমূহীয়া কেন্দ্র আৰু ৰিক্সা আস্থান নির্মাণ তথা ষ্ট্রিট লাইট স্থাপনৰ বাবে ১২ কোটি টকা মোকলাই দিয়া হৈছে।

৬৬) কৃষি আৰু আনুসংগিক খণ্ডৰ বিকাশ, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ পর্য্যটন খণ্ডৰ বিকাশ আৰু আত্মসহায়ক গোটসমূহৰ জড়িয়তে অসমৰ নিবনুৱা সমস্যাটো সমাধানৰ ওপৰত আমি গুৰুত্ব দিছো। অসমৰ নিবনুৱাসকলৰ ওপৰত এটি বিতং সমীক্ষা কৰি মোৰ প্রাক্তন অর্থনৈতিক আৰু বিত্তীয় উপদেষ্টাই এখন তথ্য সম্বলিত প্রতিবেদন দাখিল কৰিছে। এই প্রতিবেদনৰ ওপৰত ভিত্তি কৰি নির্দ্দিষ্ট সময়ৰ ভিতৰত ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলৰ আত্ম সংস্থাপনৰ ব্যৱস্থা কৰাৰ বাবে এটি নিয়োগ সৃষ্টি অভিযান (Employment Generation Mission) সমগ্র অসমতে প্রৱর্ত্তন কৰাৰ কথা চিন্তা কৰা হৈছে।

৬৭) অসমৰ গুৱাহাটী, কোকৰাঝাৰ, যোৰহাট আৰু ডিব্ৰুগড়ত অৱস্থিত উদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ চাৰিটা উন্নীতকৰণ কৰি এই কেন্দ্ৰ চাৰিটাক "Centre of excellance" অৰ্থাৎ উৎকৰ্ষ সাধন কেন্দ্ৰ হিচাবে স্বীকৃতি দিবলৈ ভাৰত চৰকাৰৰ পৰা অনুমোদন পোৱা গৈছে। এই উৎকৰ্ষ সাধন কেন্দ্ৰ চাৰিটাক প্ৰযুক্তি বিদ্যাৰ লগত জড়িত নতুন পাঠ্যক্ৰমেৰে প্ৰশিক্ষাৰ্থীসকলক আধুনিক উদ্যোগ আৰু ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় কাৰিকৰী আৰু অৰ্হতা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। এই নতুন পাঠ্যক্ৰম অহা মাহৰ পৰা আৰম্ভ হব। প্ৰতিটো কেন্দ্ৰৰ বাবে ১.৬০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰে ১.২০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিব।

৬৮) ৰাজ্য চৰকাৰৰ অধীনত নতুন পথ সৃষ্টি কৰি অসমৰ নিবনুৱা সমস্যা সমাধান কৰা নাযায়। আমাৰ চৰকাৰৰ অধীনত প্ৰত্যক্ষ নিয়োগৰ সুযোগ সীমিত তথাপিও চলিত বিত্তীয় বৰ্ষত আমি ১২,০০০ নতুন পুৰণি চৰকাৰী পদ পূৰণ কৰাৰ সিদ্ধান্ত লৈছো। ইয়াৰ ভিতৰত অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা জাতি আৰু শাৰীৰিকভাবে বাধাগ্ৰস্ত লোকসকলৰ বাবে প্ৰযোজ্য "Backlog" পদসমূহো যথাবিহিত পূৰণ কৰা হ'ব। এই নিযুক্তি প্ৰক্ৰিয়াত যাতে কোনো খেলি-মেলিৰ সৃষ্টি নহয় তাৰ বাবে সুপৰিকল্পিত আৰু স্বচ্ছপন্থা অৱলম্বন কৰা হ'ব। এই সংক্ৰান্তত বিত্ত বিভাগে আন আন বিভাগৰ পৰা পূৰণ কৰিবলগীয়া পদসমূহৰ বিষয়ে প্ৰয়োজনীয় তথ্য বিচাৰিছে। এই নিযুক্তিৰ সংখ্যা আৰু প্ৰক্ৰিয়া অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০৫ত নিৰ্দ্ধাৰিত সীমা ৰেখাৰ ভিতৰত কৰা হ'ব। লগতে দীৰ্ঘকালীন বিত্তীয় ভাৰসাম্যতাৰ ওপৰতো নজৰ ৰখা হব। সমাজ আৰু অৰ্থনীতিৰ গাঠনিৰ পৰিৱৰ্ত্তনৰ লগে লগে চৰকাৰী কাম-কাজৰ

জটিলতাও বৃদ্ধি পাইছে। ৰাজ্যৰ প্ৰশাসনিক যন্ত্ৰটো শক্তিশালী আৰু কাৰ্য্যক্ষম কৰি ৰখাটো আমাৰ সকলোৰে বাঞ্ছনীয়। তাৰ বাবে আধুনিক আৰু বিশেষ অৰ্হতাসম্পন্ন নৱ প্ৰজন্মৰ চৰকাৰী চাকৰিত যোগদান কৰাটো চৰকাৰৰ বাবেও প্ৰয়োজন।

৬৯) বহুবছৰ বিৰতিৰ মূৰত অসমৰ অৰ্থনীতিৰ আকৌ গা কৰি উঠা পৰিলক্ষিত হৈছে। এই অৰ্থনৈতিক বিকাশৰ পথ সুগম কৰাৰ বাবে ৰাজ্যত এক সুস্থ বাতাবৰণ সৃষ্টি কৰি তাক বাহাল ৰখাটো ৰাজ্য চৰকাৰৰ প্ৰধান কৰ্ত্তব্য। ইয়াৰ বাবে আমাৰ প্ৰয়োজন এক দায়িত্বশীল আৰু কাৰ্য্যক্ষম প্ৰশাসনিক যন্ত্ৰ। প্ৰশাসনে ভৱিষ্যতে কি কৰিব বা কি কৰিব লাগে সেইটো বিভিন্ন আঁচনি আৰু পৰিকল্পনাৰ জড়িয়তে বিশদভাৱে আলোচনা কৰা হয়। আজি কিছু বছৰ আগলৈকে ৰাজ্য চৰকাৰৰ প্ৰত্যেক বিভাগে পাৰ হৈ যোৱা বছৰটোত তেওঁলোকে কি কৰিলে, কি নকৰিলে তাৰ প্ৰশাসনিক প্ৰতিবেদন দাখিল কৰাৰ প্ৰথা এটা আছিল। এই প্ৰক্ৰিয়াটো মই এই বছৰৰ পৰা পুনৰ আৰম্ভ কৰিব বিচাৰিছো। এতিয়াৰ পৰা প্ৰতি বছৰে ৩০ জুনৰ ভিতৰত প্ৰত্যেক বিভাগে পাৰ হৈ যোৱা বিত্তীয় বছৰটোত তেওঁলোকে কৰা কাম-কাজৰ খতিয়ান সম্বলিত এখন বছৰেকীয়া প্ৰশাসনিক প্ৰতিবেদন (Annual Administrative Report) দাখিল কৰিব লাগিব। এই প্ৰতিবেদনৰ আৰ্হি প্ৰশাসনিক সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগে বিত্ত পৰিকল্পনা ও উন্নয়ন বিভাগৰ লগত আলোচনা কৰি নিৰ্দ্ধাৰিত কৰি দিব। প্ৰতি বিভাগৰ বছৰেকীয়া প্ৰশাসনিক প্ৰতিবেদন সদনত দাখিল কৰা হ'ব। ২০০৫-০৬ চনৰ প্ৰতিবেদন দাখিল কৰাৰ সময় চলিত বছৰৰ ৩১ ডিচেম্বৰত ধাৰ্য্য কৰা হৈছে যাতে সেই প্ৰতিবেদনসমূহ পৰৱৰ্ত্তী বাজেট অধিবেশনত দাখিল কৰিব পৰা যাব।

মই আশা কৰোঁ যে এই ব্যৱস্থাৰ দ্বাৰা প্ৰশাসনিক যন্ত্ৰটোৰ স্বচ্ছতা আৰু দায়বদ্ধতা বৃদ্ধি পাব।

৭০) আমাৰ বিত্তীয় অৱস্থাৰ উন্নতি নিশ্চয় হৈছে। বিভিন্ন শিতানত ৰাজ্য চৰকাৰে খৰছ কৰা পুঁজিৰ পৰিমাণো যথেষ্ট বাঢ়িছে। কিন্তু চৰকাৰী খৰছ বাঢ়িলে ৰাজহ সোঁৱাৰ মানদণ্ড উন্নত হোৱা বা জনকল্যাণৰ মাত্ৰা বৃদ্ধি পাবই বুলি কব নোৱাৰি। সেই কথা নিৰ্ভৰ কৰে, চৰকাৰে ৰাজহুৱা ধন খৰছ কৰাৰ সময়ত কি কি বিষয়ৰ ওপৰত অগ্ৰাধিকাৰ দিছে আৰু চৰকাৰী ব্যয়ৰ গুণগত মান কি ধৰণৰ তাৰ ওপৰত। এই দিশটোৰ ওপৰত মই সদায় সতৰ্ক দৃষ্টি ৰাখিছো। চৰকাৰে কৰিব লগা খৰছৰ পূৰ্ব্ব পৰিকল্পনাৰ ব্যৱস্থা (Expenditure Planning) আৰু ৰাজ্যৰ তদাৰকী প্ৰশাসন (Vigillance Administration) ব্যৱস্থাটো আৰু অধিক কটকটীয়া কৰাৰ কথা চিন্তা কৰিছো। দশম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন ২০০৫ৰ পৰা ইতিমধ্যে বহুতো সুফল পোৱা গৈছে। এই আইনৰ অধীনত প্ৰণয়ন কৰিবলগীয়া বিধি নিয়মসমূহ চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে চূড়ান্ত কৰি অধিসূচনা জাৰি কৰাৰ লক্ষ্য ধাৰ্য্য কৰা হৈছে। ইয়াৰ ফলত ৰাজহ বিত্তীয় পৰিচালনা ব্যৱস্থা আৰু অধিক শৃঙ্খলাবদ্ধ হব বুলি আশা কৰা যায়। কেন্দ্ৰীয় চৰকাৰে এখন তদাৰকী আইন (Central Vigillance Act) প্ৰণয়ন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছে। কেন্দ্ৰীয় বিধেয়কখন গ্ৰহণ হোৱাৰ পিছত তাৰ আৰ্হিত আমাৰ ৰাজ্যতো মুখ্য তদাৰকী আয়ুক্তৰ ভূমিকাটো হৈছে মন্ত্ৰণাদায়ীৰ (Advisory)। উপৰোক্ত বিধেয়ক গ্ৰহণৰ পিছত এইঅ ভূমিকা হৈ পৰিব পৰিনিয়ত (Statutory)। আমাৰ ৰাজ্যত বৰ্ত্তমান প্ৰচলিত ব্যৱস্থা অনুসৰি ৰাজ্যৰ মুখ্য সচিব হৈছে ৰাজ্যিক তদাৰকী

আয়ুক্ত। প্রশাসনিক বিভাগৰ মুৰব্বীজন হৈছে সংশ্লিষ্ট বিভাগৰ তদাৰকী বিষয়া। বিভিন্ন বিভাগৰ অধীনৰ সঞ্চালক সমূহ হৈছে সংশ্লিষ্ট সঞ্চালকালয়ৰ তদাৰকী বিষয়া আৰু তাৰ তলৰ প্ৰত্যেক চৰকাৰী কার্য্যালয়ৰ মুৰব্বীজন হৈছে সেই কার্য্যালয়ৰ তদাৰকী বিষয়া। মই এই গোটেই ব্যৱস্থাটোকে প্ৰস্তাৱিত তদাৰকী আইনৰ গণ্ডীৰ ভিতৰত একত্ৰিত আৰু সু-সংহত তদাৰকী ব্যৱস্থা হিচাবে গঢ় দিব বিচাৰিছো।

৭১) ৰাজ্যৰ প্ৰশাসনীয় ব্যৱস্থাক দূৰ্নীতিমুক্ত কৰাৰ আন এক পদক্ষেপ হিচাবে মই কেন্দ্ৰীয় বেনামী লেন-দেন (নিবাৰণ) আইন ১৯৮৮ খন অসমতো প্ৰৱৰ্ত্তন কৰাৰ কথা বিবেচনা কৰি আছো।

৭২) অসম চৰকাৰৰ অধীনত মুঠ ৫৪টা কোষাগাৰ আৰু উপ-কোষাগাৰ আছে। চৰকাৰৰ সমগ্ৰ বিত্তীয় ব্যৱস্থাটো পৰিচালনা কৰাত কোষাগাৰ সমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কোষাগাৰসমূহৰ কাম-কাজ অধিক স্বচ্ছ আৰু কার্য্যক্ষম কৰি তোলাৰ উদ্দেশ্যে আধুনিক তথ্য প্ৰযুক্তি প্ৰয়োগ কৰি Comprehensive Treasury Management Information System (CTMIS) নামেৰে এটি প্ৰকল্পৰ কাম ৰূপায়ণ কৰি থকা হৈছে। "Central Server Based Network System"ৰ ওপৰত ভিত্তি কৰি ৰাজ্যৰ আটাইবোৰ কোষাগাৰৰ কাম-কাজ কম্পিউটাৰৰ জড়িয়তে সম্পাদন কৰাৰ ব্যৱস্থা কৰা হৈছে। চলিত বিত্তীয় বর্ষৰ ভিতৰতে এই কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰিত কৰা হৈছে। এতিয়ালৈকে ৪০ টা কোষাগাৰত কম্পিউটাৰৰ জড়িয়তে কাম-কাজ আৰম্ভ কৰা হৈছে। বাকী ১৪টা কোষাগাৰতো চলিত জুলাই মাহৰ ৩১ তাৰিখৰ ভিতৰত কম্পিউটাৰৰ স্থাপনৰ কাম সম্পূৰ্ণ কৰা হ'ব। এই নতুন ব্যৱস্থাৰ ফলত কোষাগাৰৰ হিচাব পত্ৰ

প্রস্তুতকৰণ মহাগাণনিকৰ হিচাবৰ লগত কোষাগাৰৰ হিচাবৰ তুলনামূলক পুনৰীক্ষণ, বাজেট প্রস্তুতকৰণ, বিভিন্ন শিতানত হোৱা আৰু ব্যয়ৰ সঠিক মূল্যায়ন আদিৰ দৰে গুৰুত্বপূর্ণ বিভিন্ন বিত্তীয় ব্যৱস্থাৱলী ত্রুটিমুক্ত আৰু খৰতকীয়াভাবে সম্পাদন কৰিব পৰা যাব। এই নতুন ব্যৱস্থাই চৰকাৰৰ বিত্তীয় শৃঙ্খলাৰ মান বহুগুণে উন্নত কৰিব বুলি আশা কৰা যায়। তথ্য প্রযুক্তিৰ ভিত্তিত এনে আধুনিক বিত্তীয় পৰিচালনা ব্যৱস্থা প্রৱর্ত্তন কৰা ৰাজ্য সমগ্র দেশৰ ভিতৰতে অসমকে ধৰি কেৱল দুখন।

৭৩) ২০০৫ চনৰ ১ জুন তাৰিখৰ পৰা কেন্দ্রীয় চৰকাৰে "Banking Cash Transaction Tax" (BCTT) নামেৰে এক নতুন কৰ প্রৱর্ত্তন কৰিছে। এদিনৰ ভিতৰতে যদি কোনো এটা বেংক একাউন্টৰ পৰা এক লাখ বা ততোধিক নগদ ধন উঠোৱা হয় তেনেহ'লে তাৰ ওপৰত ০.১ শতাংশ কৰ ধার্য্য কৰা হৈছে। চৰকাৰী ধনৰ লেনদেনো এই নতুন কৰৰ পৰা মুক্ত নহয়। ফলত কর্মচাৰীৰ দৰমহা, মজুৰী আৰু পেঞ্চনৰ ধন নগদ আদায় দিবলৈ হলেও এই কৰ প্রযোজ্য হয়। তাত এৰি চলাৰ উদ্দেশ্যে যোৱা ডিচেম্বৰ মাহৰ পৰা আমি কর্মচাৰীৰ বেতন আৰু অৱসৰপ্রাপ্ত কর্মচাৰীসকলৰ পেঞ্চনৰ ধন কর্মচাৰীৰ নিজস্ব বেংক একাউন্ট যোগে দিয়াৰ ব্যৱস্থা কৰিছো। এই নতুন ব্যৱস্থা প্রৱর্ত্তনৰ প্রথম অৱস্থাতেই স্বাভাৱিকতে কিছু অসুবিধা আৰু খেলিমেলিৰ সৃষ্টি নোহোৱা নহয়। এতিয়া পিছে এই নতুন ব্যৱস্থাই সৃষ্টিৰ ৰূপ লৈছে আৰু ইনিয়াৰিকৈ চলি আছে। ইয়াৰ পৰা কর্মচাৰীসকলে দৰমহাৰ ধনৰ ওপৰত (BCTT)ৰ কৰ দিয়াৰ পৰা ৰেহাই পাইছে। তাৰোপৰি ৰাজ্য চৰকাৰৰ প্রায় ৫ লক্ষ্যাধিক কর্মচাৰীৰ আধুনিক বেংকিং পদ্ধতিৰ লগত পৰিচিত হৈছে। ভিতৰুৱা ঠাইসমূহতো এ.টি.এম কার্ড, ডেবিট কার্ড আৰু ক্রেডিট

কার্ডৰ প্ৰচলন বৃদ্ধি পাইছে। নিজস্ব বেংক একাউন্টৰ জড়িয়তে দৰমহা আদায় লোৱাৰ বাবে তেওঁলোকৰ মাজত সঞ্চয়ৰ অভ্যাসো গঢ়ি উঠিছে। এনে নিজস্ব বেংক একাউন্টৰ ভিত্তিত তেওঁলোকে ল'ৰা-ছোৱালীৰ বাবে শিক্ষামূলক ঋণ আৰু নিজৰ বাবে গৃহ নিৰ্মাণৰ ঋণ আদি লোৱাও সহজ হৈ পৰিছে। একে কাৰণতে তেওঁলোকে গেৰেন্টাৰ (Guarenter) হিচাবে নিজৰ বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনক বেংকৰ পৰা কৃষি ঋণ আৰু ক্ষুদ্ৰ উদ্যোগ আদি স্থাপনৰ বাবে ঋণ লোৱাতো সহায় কৰিব পাৰিব।

৭৪) আমাৰ চৰকাৰে কৰ্মচাৰী আৰু পেঞ্চনাৰসকলক মৰগীয়া বানচ আৰু মৰগীয়া সকাহ কেন্দ্ৰীয় চৰকাৰৰ হাতত দি আহিছে। কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰণ কৰা নতুন নিৰিখ অনুসৰি ময়ো আমাৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলক বৰ্দ্ধিত হাৰত মৰগীয়া বানচ আৰু মৰগীয়া সকাহ দিয়াৰ ব্যৱস্থা কৰিছো। এই হাৰ ১৯০৫ চনৰ ১ জুলাইৰ পৰা লাভ হোৱাকৈ বৰ্ত্তমানৰ ৬৭ শতাংশৰ পৰা বৃদ্ধি কৰি ৭১ শতাংশ কৰা হ'ব আৰু ২০০৬ চনৰ ১ জানুৱাৰীৰ পৰা এই মৰগীয়া বানচ আৰু মৰগীয়া সকাহৰ হাৰ ৭৪ শতাংশলৈ বৃদ্ধি কৰা হ'ব। ইয়াৰ বাবদ দিবলগীয়া বকেয়া ধনকে ধৰি নতুন হাৰত মৰগীয়া বানচ আৰু মৰগীয়া সকাহ আগন্তুক দূৰ্গা পুজাৰ আগতে মুকলি কৰি দিয়া হ'ব। ইয়াৰ ফলত চলিত বিত্তীয় বৰ্ষত ৫৫১.৩২ কোটি টকা অতিৰিক্ত ব্যয় হ'ব। এই অতিৰিক্ত ব্যয়ৰ প্ৰস্তাৱ ২০০৬-২০০৭ চনৰ বাজেটত অন্তৰ্ভূক্ত কৰা হৈছে।

৭৫) বৰ্ত্তমান প্ৰচলিত ব্যৱস্থা অনুযায়ী কোনো চৰকাৰী কৰ্মচাৰীৰ চাকৰি কৰি থকা কালত মৃত্যু হ'লে আৰু যদি তেওঁৰ পাবলগীয়া ডি.চি.আৰ. জি. Provident Fund আৰু Group Insuranceৰ সন্মিলিত

ধনৰ পৰিমাণ এক লাখ টকা বা তাতোকৈ কম হয় তেনেহ'লে তেওঁৰ পৰিয়ালক তেওঁৰ চৰকাৰৰ পৰা লোৱা বিভিন্ন ঋণ আৰু অগ্রিম ধনৰ অনাদায় হৈ থকা অংশ পৰিশোধ কৰাৰ পৰা ৰেহাই দিয়া হয়। যোৱা দৰমহা আয়োগৰ প্রতিবেদনৰ ভিত্তিত চৰকাৰী কর্মচাৰীসকলৰ দৰমহাৰ নিৰিখ বৃদ্ধি কৰাৰ ফলত কর্মচাৰীয়েই ডি. চি.আৰ.জি. Provident Fund আৰু Group Insuranceৰ পৰা ১লাখতকৈ অধিক টকা পায়। সেয়েহে আমাৰ চাকৰি কালত মৃত্যু হোৱা কর্মচাৰীসকলৰ পৰিয়ালক সকাহ দিয়াৰ যি প্রচলিত ব্যৱস্থা আছে তাৰ প্রয়োগ প্রায় লুপ্ত হৈছে। এই কথালৈ লক্ষ্য ৰাখি চাকৰি কালত মৃত্যু হোৱা কর্মচাৰীসকলৰ পৰিয়াল বর্গৰ কল্যাণার্থে উক্ত ৰেহাই নিৰিখ মই ১ লাখৰ পৰা ২ লাখলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছো।

৭৬) উগ্রপন্থীৰ কার্য্যকলাপৰ ফলত চৰকাৰী কর্মচাৰীকে ধৰি বহুতো লোকে অসমত যোৱা কেইবছৰত প্রাণ হেৰুৱাইছে। তেওঁলোকৰ ,পৰিয়ালবর্গক এককালীন সাহায্য দিয়াৰ ব্যৱস্থা চৰকাৰে কৰি আহিছে। এনে চৰকাৰী কর্মচাৰীৰ ক্ষেত্রত এই সাহায্যৰ নিৰিখ মই বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছো। এতিয়াৰে পৰা সেনা বাহিনী, কেন্দ্রীয় অর্দ্ধ-সামৰিক বাহিনী আৰু ৰাজ্য চৰকাৰৰ অ-সামৰিক কর্মচাৰীৰ যদি কর্ত্তব্যৰত অৱস্থাত উগ্রপন্থীৰ হিংসাৰ ফলস্বৰূপে মৃত্যু হয় তেতিয়া তেওঁলোকৰ পৰিয়ালবর্গলৈ ৫ লাখ টকাৰ এককালীন সাহায্য দিয়া হ'ব। উগ্রপন্থীৰ কার্য্যকলাপ প্রতিহত কৰা অভিযানৰ বাবে অধিগ্রহণ কৰা বে-চৰকাৰী গাড়ীৰ কর্মচাৰীৰো যদি একে পৰিস্থিতিত মৃত্যু হয় তেতিয়া তেওঁলোকৰ পৰিয়ালবর্গলৈকো একেই নিৰিখত এককালীন সাহায্য দিয়া হ'ব। এইসকল কর্মচাৰী যদি একে পৰিস্থিতিত গুৰুতৰভাবে আহত হৈ অক্ষম হৈ পৰে তেতিয়া

তেওঁলোকক ২ লাখ টকাৰ এককালীন সাহায্য দিয়া হ'ব। সাধাৰণভাৱে আঘাতপ্ৰাপ্ত হ'লে এই সাহায্যৰ পৰিমাণ হ'ব ২৫ হাজাৰ টকা। ৰাজ্যিক অগ্নি নিৰ্বাপক বাহিনীৰ কোনো লোক যদি কৰ্ত্তব্যৰত অৱস্থাত দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যুৰ মুখত পৰে বা আঘাতপ্ৰাপ্ত হয় তেতিয়া তেওঁলোকৰ বাবেও একেই নিৰিখত এককালীন সাহায্য দিয়া হ'ব। বান নিয়ন্ত্ৰণ, বান বিভাগ আৰু অ-সামৰিক প্ৰতিৰক্ষা বিভাগৰ কোনো কৰ্মচাৰী যদি কৰ্ত্তব্যৰত অৱস্থাত বিপদ্‌জনক পৰিস্থিতিত কৰ্ত্তব্যজনিত কাৰণত মৃত্যুৰ মুখত পৰে বা আঘাতপ্ৰাপ্ত হয় তেতিয়া তেওঁলোককো এককালীন সাহয্য দিয়া হ'ব। এই সাহায্যৰ নিৰিখ হ'ব- মৃত্যুৰ ক্ষেত্ৰত ২ লাখ টকা, গুৰুতৰভাবে আহত হৈ অক্ষম হ'লে ২ লাখ টকা। সাধাৰণভাবে আঘাতপ্ৰাপ্ত হ'লে ১০ হাজাৰ টকা ৰাজ্য চৰকাৰৰ কোনো চাকৰিয়াল যদি ডকাইত বা তেনে জাতীয় দুস্কৃতিকাৰীৰ হিংসাৰ কাৰ্য্যৰ বলি হৈ মৃত্যুৰ মুখত পৰে বা আঘাতপ্ৰাপ্ত হয় তেতিয়া তেওঁলোকৰ বাবেও একে নিৰিখত এককালীন সাহায্য দিয়া হব। উগ্ৰপন্থীৰ কাৰ্য্যকলাপ প্ৰতিহত কৰা অভিযানৰ বাহিৰে অন্য কোনো আইন শৃঙ্খলাজনিত কাৰণত অধিগ্ৰহণ কৰা বে-চৰকাৰী গাড়ীৰ কৰ্মচাৰীয়ো যদি একে পৰিস্থিতিত মুত্যুৰ মুখত পৰে বা আঘাত প্ৰাপ্ত হয় তেতিয়া তেওঁলোককো একেই নিৰিখত সাহায্য দিয়া হব।

৭৭) পবিত্ৰ সদনক অৱগত কৰিব বিচাৰো যে, আমাৰ চৰকাৰৰ কাৰ্য্যকালত কৰ সংগ্ৰহৰ ক্ষেত্ৰত আমি যথেষ্ট সফলতা লাভ কৰিছো। বিগত পাঁচ বছৰীয়া কাৰ্য্যকালত কৰ সংগ্ৰহৰ গড় বৃদ্ধিৰ হাৰ ২৪ শতাংশ। ২০০০-২০০১ চনত আমাৰ চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ আগৰ বিত্তীয় বৰ্ষত কৰ সংগ্ৰহৰ পৰিমাণ আছিল ১১৩৮ কোটি টকা আৰু ২০০৫-০৬

চনত মুঠ কৰ সংগ্রহৰ পৰিমাণ হয়গৈ ২৭৭০ কোটি টকা (সাময়িক)। চলিত বিত্তীয় বর্ষৰ বাবে কৰ সংগ্রহৰ লক্ষ্য ৩৩৩৫ কোটি টকা ধার্য্য কৰা হৈছে। মই নিশ্চিত যে উক্ত লক্ষ্যত আমি উপনীত হব পাৰিম। এইখিনিতে মই কব বিচাৰো যে কৰনীতিয়ে ৰাজ্যৰ অর্থনৈতিক বিকাশত বিশেষ ভাবে প্রভাৱ পেলায়। সেয়েহে আমাৰ চৰকাৰৰ কৰনীতি আৰু আর্থ-সামাজিক প্রাথমিক প্রয়োজনীয়তাৰ মাজত এটা সামঞ্জস্য বজাই ৰখা হৈছে।

স্বাস্থ্যৰ শিতানৰ প্রতি লক্ষ্য ৰাখি বর্ত্তমানে ঔষধৰ ওপৰত থকা কৰ ৬ শতাংশৰ পৰা ৪ শতাংশলৈ হ্রাস কৰাৰ প্রস্তাৱ ৰখা হৈছে। এই কৰ হ্রাসে জনসাধাৰণৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্রত হোৱা ব্যয়ত ভালেখিনি সকাহ দিব। মই সকলো ঔষধ প্রস্তুতকাৰী আৰু ব্যৱসায়ীক অনুৰোধ কৰিব বিচাৰো যে তেওঁলোকে যেন উক্ত কৰ হ্রাসৰ প্রকৃত লাভ জনসাধাৰণক উপভোগ কৰাত সহায় কৰে।

এইকথাটো সত্য যে চৰকাৰৰ অশেষ প্রচেষ্টা স্বত্তেও আমি আমাৰ ৰাজ্যখনক মেলেৰিয়াৰ কবলৰ পৰা মুক্ত কৰিব পৰা নাই। সেইউদ্বিগ্নতাৰ প্রতি লক্ষ্য ৰাখি মই আঠুৰা আৰু মেলেৰিয়াৰ ঔষধৰ ওপৰত থকা কৰ সম্পূর্ণ ৰেহাইৰ বাবে প্রস্তাৱ আগবঢ়াইছো। এইটো সন্তোষজনক কথা যে আমাৰ ৰাজ্যত উন্নতনমানৰ চিকিৎসাৰ ক্ষেত্রত যথেষ্ট অগ্রগতি হৈ আহিছে আৰু অধিক উন্নতমানৰ চিকিৎসা প্রদানৰ বাবে বিভিন্ন চিকিৎসালয় আদিত পর্য্যটন-স্বাস্থ্যসেৱাৰ বাবে প্রয়োজনীয় কিছুমান নির্দ্দিষ্ট চিকিৎসাৰ সা-সজুলিৰ ওপৰত প্রৱেশকৰ ৰেহাই দিয়াৰ প্রস্তাৱ কৰিছো।

ঔদ্যোগিক খণ্ডৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি যিবিলাক ৰাজ্যিক নিগম নিকায়ে ৰাজ্যৰ অৰ্থনীতি আৰু নিবনুৱা সমস্যা সমাধানত অৰিহণা যোগাইআহিছে, সেইনিগম নিকায়বোৰক আৰু অধিক টনকিয়াল কৰিবৰ বাবে বিশেষ কৰ ৰেহাই আঁচনি ঘোষণা কৰা হব।

ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠানৰ বাবে প্ৰয়োজনীয় যন্ত্ৰপাতিৰ ওপৰত বৰ্ত্তমানে আৰোপিত প্ৰৰেশ কৰৰ নিৰিখ ১ শতাংশৰ পৰা ০.২৫ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ লৈছো। উক্ত প্ৰস্তাৱে ক্ষুদ্ৰ উদ্যোগত হোৱা ধনৰ বিনিয়োগৰ ওপৰত চকু ৰখাত সহায়ক হব।

বাঁহজাত সামগ্ৰীৰ উৎপাদনৰ বাবে প্ৰতিষ্ঠিত ক্ষুদ্ৰ আৰু মধ্যম বৰ্গৰ উদ্যোগসমূহক উৎসাহিত কৰাৰ বাবে প্ৰৰেশ কৰ আৰু মূল্য সংযোজিত কৰ (ভেট) ৰেহাইৰ প্ৰস্তাৱ লোৱা হৈছে।

তথ্য প্ৰযুক্তিৰ উদ্যোগ (I.T. Sector) বিকাশৰ বাবে আমাৰ চৰকাৰে এক বিশেষ কৰ ৰেহাইৰ আঁচনি ঘোষণা কৰিব।

চাহ উদ্যোগৰ ক্ষেত্ৰত সম্প্ৰতি এইটো পৰিলক্ষিত হৈছে যে গুৱাহাটী চাহ নীলাম কেন্দ্ৰত নিজাববীয়াকৈ চাহ বিক্ৰীৰ ব্যৱস্থাই গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ নীলামৰ যোগেদি হোৱা চাহ বিক্ৰীৰ সুস্থ প্ৰক্ৰিয়াত ব্যাঘাত জন্মাইছে। সেয়েহে নীলাম কেন্দ্ৰত মধ্যভোগী লোকৰ জড়িয়তে নিজাববীয়াকৈ বিক্ৰী হোৱা চাহৰ ওপৰত থকা বৰ্ত্তমানৰ কৰৰ নিৰিখ ১ শতাংশৰ পৰা ২ শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে। অৱশ্যে নীলামৰ যোগেদি হোৱা চাহৰ বিক্ৰীৰ ওপৰত বৰ্ত্তমানে থকা ১ শতাংশ কৰ বাহাল ৰখা হৈছে।

আমিনগাওঁত থকা ইনলেণ্ড কণ্টেইনাৰ ডিপো (Inland Container Depot)ৰ জড়িয়তে চাহৰ ৰপ্তানী বৃদ্ধি কৰাৰ

অর্থে অসম কৃষি আইনৰ অধীনত আৰোপিত হোৱা কৃষি আয়কৰ নির্দ্ধাৰণ হোৱাৰ সময়ত উক্ত ডিপোৰ জড়িয়তে ৰপ্তানী কৰা প্রতি কিলোগ্রাম চাহপাতৰ ওপৰত ৫০ (পঞ্চাশ) পইচা হিচাবে কৃষি আয় কমোৱাৰ প্রস্তাৱ কৰা হৈছে।

চাহপাতৰ ওপৰত থকা বর্ত্তমান কৰৰ নিৰিখৰ লগত সংগতি ৰাখি "Tea Waste"ৰ ওপৰত বর্ত্তমানে আৰোপিত মূল্য সংযোজিত কৰৰ হাৰ ১২.৫ শতাংশৰ পৰা ৪ শতাংশলৈ হ্রাস কৰাৰ প্রস্তাৱ কৰা হৈছে। আমাৰ চৰকাৰৰ ৰাজ্যখনত পর্য্যটন উদ্যোগৰ বিকাশৰ বাবে সংকল্পৱদ্ধ। বিশ্বৰ দৰবাৰত অসমত অতিথিপৰায়ণতাৰ প্রচাৰ কৰিবৰ বাবে আৰু বিদেশী পর্য্যটকক অধিক আকর্ষণ কৰাৰ উদ্দেশ্যে বিদেশী পর্য্যটকৰ ক্ষেত্রত থকা বিলাসীতা কৰ ৰেহাইৰ প্রস্তাৱ লোৱা হৈছে। তাৰকাযুক্ত হোটেল স্থাপনত অৰিহণা যোগোৱাৰ উদ্দেশ্যে আমি হোটেল স্থাপনৰ বাবে প্রয়োজনীয় কিছুমান নির্দ্দিষ্ট সামগ্রীৰ ওপৰত কৰ ৰেহাইৰ প্রস্তাৱ আগবঢ়াইছো।

আমোদ-প্রমোদৰ ক্ষেত্রত মই ক্ষুদ্র চিনেমা হ'ল, মাল্টিপ্লেক্স আৰু প্রমোদ উদ্যানৰ ক্ষেত্রত প্রযোজ্য আমোদ কৰ পাঁচ বছৰৰ বাবে চর্ত্ত সাপেক্ষে সম্পূর্ণ ৰেহাই কৰাৰ প্রস্তাৱ আগবঢ়াইছো।

কথাছবিৰ প্রযোজনা তথা দর্শক আৰু চিনেমা হ'লৰ মালিকসকলৰ স্বার্থত অসমৰ চিনেমা হ'লসমূহ আধুনিকীকৰণ কৰাৰ বিশেষ প্রয়োজন হৈ পৰিছে। এনে আধুনিকীকৰণৰ কাৰণে যিবিলাক চিনেমা হ'লত শীত-তাপ নিয়ন্ত্রণ, আধুনিক শব্দ যন্ত্রৰ প্রয়োগ, আৰামদায়ক আসন আৰু অন্যানন্য আধুনিক সা-সুবিধাৰ ব্যৱস্থা কৰা হ'ব। তেনে আধুনিকীকৃত চিনেমা হ'লসমূহৰ মালিসকসকলক অনতিপলমে অধিক হাৰত চার্ভিচ

চার্জ সংগ্রহ কৰাৰ সুবিধা দিয়া হব।

সমাজৰ ৬০ (ষাঠি) বছৰৰ ওপৰৰ জ্যেষ্ঠ নাগৰিকসকলৰ ভিতৰত যিবিলাকৰ বছৰেকীয়া আয় ৫ লাখ টকাতকৈ কম সেইসকলক আর্থিক সকাহ দিয়াৰ উদ্দেশ্যে অসম বৃত্তি কৰৰ পৰা সম্পূর্ণ ৰেহাই দিয়াৰ বাবে মই প্রস্তাৱ আগবঢ়াইছো।

আবাসিক খণ্ডত ব্যৱহৃত জেনেৰেটৰৰ যোগেদি উৎপাদিত বিদ্যুতৰ ওপৰত বিদ্যুত কৰ ৰেহাইৰ প্রস্তাৱ আগবঢ়াইছো।

মোৰ বাজেট প্রস্তাৱখন অসম্পূর্ণ হৈৰব যদিহে মই মহিলাসকলৰ মুখত হাঁহি বিৰিঙাব নোৱাৰো। সেই উদ্দেশ্যে বস্ত্র আৰু হস্ততাঁত শিল্পৰ শিপিনীৰ সাহায্যার্থে উৰণীয়া মাকোৰ তাঁতশালৰ ওপৰত থকা বর্ত্তমানৰ কৰ সম্পূর্ণভাবে উঠাই দিয়াৰ প্রস্তাৱ লোৱা হৈছে।

গ্রাহকৰ সজাগতা কৰ ব্যৱস্থাপনাৰ এক অবিচ্ছেদ্য অংগ। সেয়ে গ্রাহকৰ কল্যাণ আৰু সজাগতাৰ বাবে বাজেয়াপ্ত হোৱা কৰসমূহৰ পৰা এটা কল্যাণ পুঁজি গঠনৰ প্রস্তাৱ আগবঢ়াইছো। উক্ত পুঁজিৰ পৰা ধন ব্যয় কৰাৰ এখন আঁচনি প্রস্তুত কৰা হব।

মই এই পবিত্র সদনক অৱগত কৰিব বিচাৰো যে, ওপৰোক্ত কৰ ৰেহাইৰ প্রস্তাৱে ব্যয় বস্তুৰ মূল্য স্থিতিশীল কৰিব। এই সন্দর্ভত মই ইতিমধ্যে চাউলত থকা কৰ ২ শতাংশৰ পৰা ১ শতাংশলৈ আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অন্তর্গত কেৰাচিন তেলৰ ওপৰত থকা কৰ ৪ শতাংশৰ পৰা ২ শতাংশলৈ হ্রাস কৰিছো। ইয়াৰ উপৰিও কেৰাচিন, লেম্প, মমবাতি, চাইকেল আৰু ৰিক্সাৰ টায়াৰ আৰু টিউব ইত্যাদিৰ ওপৰত থকা কৰ সম্পূর্ণকৈ ৰেহাই দিয়া হৈছে। অলপতে হোৱা পেট্র'ল আৰু ডিজেলৰ মূল্য বৃদ্ধিৰ ওপৰত আৰোপিত হবলগা কৰৰ বোজাৰ পৰাও

জনসাধাৰণক ৰেহাই দিয়াৰ উদ্দেশ্যে পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত থকা কৰ হ্ৰাস কৰা হৈছে।

মই ভাবো যে কৰ বিভাগটো আন্তঃর্জাতিক মানদণ্ডৰ সতে ফেৰ মাৰিব পৰা হব লাগিব। সেই উদ্দেশ্য আগত ৰাখি মই কৰ বিভাগটোৰ আন্তঃগাঠনিৰ কিছু সংস্কাৰৰ প্ৰচেষ্টা হাতত লৈছো।

ইতিমধ্যে কৰ ব্যৱস্থাৰ সংস্কাৰৰ কাৰণে এটি আয়োগ গঠন কৰিছো। এই কৰ সংস্কাৰ আয়োগৰ পৰিসৰ বৃদ্ধি কৰাৰ বাবে বিভিন্ন ৰাজহ সংগ্ৰহকাৰী বিভাগসমূহক এই আয়োগৰ অধীনলৈ অনাৰ প্ৰস্তাৱ কৰিছো।

চলিত বিত্তীয় বর্ষতে বক্সিৰহাট আৰু শ্ৰীৰামপুৰত কম্পোজিট চেক গেট কার্য্যক্ষম কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। দিগৰখালতো কম্পোজিট চেক গেট স্থাপন কৰাৰ প্ৰস্তাৱ ৰখা হৈছে।

উদ্যোগ আৰু বাণিজ্যক সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে কৰ বিভাগৰ এটি উন্নত মানৰ ৱেবছাইট উদ্বোধন কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। উক্ত ৱেবছাইটৰ যোগেদি কৰ বিভাগৰ বিভিন্ন আইন বিধি প্ৰপত্ৰ, অনুসূচী ইত্যাদিৰ বিষয়ে জানিব পৰা যাব।

ব্যৱসায়ত সততা অৱলম্বন কৰা ব্যৱসায়ীসকলক 'সোণালী কার্ড' আৰু 'ৰূপালী কার্ড'ৰ জড়িয়তে অগ্ৰাধিকাৰ ভিত্তিত বিভিন্ন সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰা হব। যিসকল ব্যৱসায়ীয়ে সময়মতে বুজন পৰিমাণৰ কৰ আদায় দিয়ে সেইসকল ব্যৱসায়ীক বিভাগীয় প্ৰপত্ৰ (Forms) অগ্ৰাধিকাৰ ভিত্তিত দিয়া হব আৰু তেখেতসকলৰ সামগ্ৰী কঢ়িওৱা গাড়ীসমূহ চেক গেটৰ পৰা সংশ্লিষ্ট বিভাগবোৰৰ লগত পৰামর্শ কৰি খৰতকীয়া ব্যৱস্থাৰে মুকলি কৰা হব।

কম্পিউটাৰ প্ৰয়োগৰ ক্ষেত্ৰত বিভাগে ভালেখিনি অগ্ৰগতি লাভ কৰিছে। এই ব্যৱস্থাটো আৰু অধিক টনকিয়াল কৰিবলৈ কৰৰ ৰিটাৰ্ণ ব্যৱস্থা আৰু কৰ পৰিশোধ ইলেক্ট্ৰনিক মাধ্যমেৰে কৰৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

যোৱা বিত্তীয় বছৰটোত আমাৰ চৰকাৰলৈ কৰ বিভাগৰ দক্ষ বিষয়াসকলক সপৰিয়ালে বিদেশ ভ্ৰমণৰ সুবিধা দিছে। তাৰ দ্বাৰা যথেষ্ট সুফল পোৱা গৈছে। মই চলিত বছৰটোত এই সুবিধা জাৰি ৰখাৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

সংক্ষেপতে মই পবিত্ৰ সদনক আশ্বাস দিব বিচাৰো যে কৰ বিভাগটো সময় অনুযায়ী অধিক কাৰ্য্যক্ষম আৰু গতিশীল কৰিবলৈ আমি চেষ্টাৰ ত্ৰুটি নকৰো।

মাননীয় অধ্যক্ষ ঃ এতিয়া দেৰ বাজিছে। সদন ১৫ মিনিট বঢ়াই দিয়া হ'ল।

শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ বাজেট প্ৰাক্‌কলন ২০০৬-০৭ ঃ

৭৮) এতিয়া মই আগন্তুক বিত্তীয় বছৰটোত পূৰ্ণাঙ্গ বাজেট প্ৰাক্‌কলন উত্থাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছোঁ। দ্বাদশ বিত্তীয় আয়োগৰ পৰামৰ্শ তথা অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন ২০০৫ৰ নিৰ্দ্দিষ্ট বিধি অনুসৰি ২০০৬-০৭ চনৰ পৰা ২০১০-১১ চনলৈ অসম চৰকাৰৰ পাঁচ বছৰীয়া বিত্তীয় বিৱৰণ প্ৰস্তুত কৰি উলিওৱা হৈছে। ২০০৬-০৭ চনৰ বাজেট এই পাঁচ বছৰীয়া বিত্তীয় বিৱৰণৰ লগত সামঞ্জস্য ৰাখি প্ৰস্তুত কৰা হৈছে। এই পাঁচ বছৰীয়া বিত্তীয় বিৱৰণ আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন ২০০৫ৰ অধীনত দাখিল কৰিবলগীয়া আন দুখন প্ৰবিৱৰণো পবিত্ৰ সদনত বাজেট নথিৰ

লগত এখন সুকীয়া 'পুস্তিকা'ৰ ৰূপত দাখিল কৰা হ'ল।

৭৯) ২০০৬-০৭ চনৰ বাজেটত ৰাজ্যৰ একত্রিকৃত নিধিৰ মুঠ ১৮,৪৮৫.০৮ কোটি টকা ৰাজহ আদায় দেখুওৱা হৈছে। তাৰে ১৫,৬৬১.৪৫ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ২,৮২৩.৬৩ কোটি টকা মূলধন শিতানত। একত্রিকৃত নিধিৰ মুঠ ৰাজহ আদায়ৰ সমীক্ষাটো ৩ নম্বৰ তালিকাত দেখুওৱা হৈছে। ৰাজস্বৰা খণ্ডৰ অধীনত ১৮,০৫৯.৭৫ কোটি টকা আদায়ৰ সংযোজনত পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হব ৩৬,৫৪৪.৮৩ কোটি টকা। ৰাজহ শিতানত ধৰা ১৬,০৯৬.২৩ কোটি টকাৰ খৰছকে ধৰি একত্রিকৃত নিধিৰ ২০০৬-০৭ চনৰ সৰ্বমুঠ ব্যয়ৰ পৰিমাণ হব ২০,৭৩৪.০৮ কোটি টকা। ইয়াৰে ৰাজহ শিতানত ১৬,০৯৬.২৩ কোটি টকা আৰু মূলধন শিতানত ৪,৬৩৭.৮৫ কোটি টকা। ৪ নং তালিকাত ২০০৬-০৭ চনৰ একত্রিকৃত নিধিৰ শীৰ্ষব্যয়সমূহে বিতংভাবে দেখুওৱা হৈছে। এতেকে ৰাজস্বৰা খণ্ডত হোৱা ব্যয়ৰ ১৭,৬৪৫.২১ কোটি টকাকে ধৰি বছৰটোত সৰ্বমুঠ ব্যয়ৰ পৰিমাণ হব ৩৮,৩৭৯.২৯ কোটি টকা। বছৰটোত ১,৮৩৪.৪৬ কোটি টকা ঘাটিৰে সামৰণি কৰিব। আৰম্ভণি ঘাটি ১৬১.০২ কোটি টকাকে ধৰি ২০০৬-০৭ চনৰ বছৰটোত মুঠ ঘাটিৰ পৰিমাণ ১,৯৯৫.৪৮ কোটি টকা হব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাষণ ইমানতে সামৰি এই বাজেটখন মই পবিত্র সদনত বিবেচনাৰ বাবে আগবঢ়ালোঁ।

Table-1

Expenditure on Salaries, Wages and Pension

	(Rupees in Crores)
1997-1998	2436
1998-1999	2962
1999-2000	4264
2000-2001	4319
2001-2002	4799
2002-2003	4913
2003-2004	5903
2004-2005	6188
2005-2006	6144
2006-2007	6336

Table-2

Indicative percentage shares of major items of expenditure from Consolidated Fund in 2006-2007

(Rupees in Crores)

	2005-06	2006-07	Difference
Salary, Wages and Pension	30%	37%	(+) 70%
Debt Servicing	29%	19%	(-) 10%
Development Expenditure	36%	35%	(-) 10%
Non-Development Expenditure	3%	7%	(+) 4%
Other Administrative Expenditure	2%	2%	0%

Table-3

Estimates of Inflows into the Consolidated Fund of the State in 2006-2007

(Rupees in Crores)

	2005-06	2006-07	Difference	
State Tax	3199	3827	(+)	628
Non-Tax Revenue	1064	1470	(+)	406
Share of Central Taxes	3074	3675	(+)	601
State Plan Grants	3442	3714	(+)	272
Non-Plan Grants from Centre	757	1042	(+)	285
Grants from the Centre (CSS)	1779	1934	(+)	155
Loans from the centre	1544	760	(-)	784
Other Capital Receipts	3779	2063	(-)	1716

Table-4

Estimates of Outflows from the Consolidated Fund of the State in 2006-2007

(Rupees in Crores)

	2005-06	2006-07	Difference
Power (ASEB)	1149	768	(–) 381
Irrigation & Flood Control	489	590	(+) 101
Crop Husbandry	248	257	(+) 9
Industries & Minerals	220	254	(+) 34
Social Welfare & Nutrition	543	832	(+) 289
Health & Family Welfare	628	976	(+) 348
Roads and Bridges & Transport	974	994	(+) 20
Police	869	974	(+) 105
Repayment of Ways and Means Advance	3050	1050	(–) 2000
Debt Servicing	2687	2974	(+) 287
Education, Sports & Culture	3554	3783	(+) 229
Others	5676	7282	(+) 1606

পৰিশিষ্ট-১

২০০৬-০৭ বৰ্ষত ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দিয়া আঁচনিসমূহ

বিভাগৰ নাম/খণ্ড	আঁচনিসমূহৰ নাম/প্ৰকল্প
কৃষি	(i) কিষাণ ক্ৰেডিট্ থকা কৃষকলৈ কৃষি সা-সৰঞ্জাম আৰু সাৰ বীজ ইত্যাদি যোগান ধৰা। (ii) কৃষকলৈ ট্ৰেক্টৰ ইত্যাদিৰ যোগান ধৰি কৃষিখণ্ডক যান্ত্ৰিকীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ।
কৃষি গৱেষণা আৰু শিক্ষা	(i) অসম কৃষি বিশ্ববিদ্যালয়ত বায়'টেক্-ন'ল'জি প্ৰতিষ্ঠান স্থাপন।
সদৰ অঞ্চলসমূহৰ বিশেষ সমস্যা	(i) কল্পতৰু। (ii) জ্ঞানজ্যোতি। (iii) ধৰমজ্যোতি। (iv) কামাখ্যা আৰু হাজোৰ পঞ্চতীৰ্থৰ আন্তঃগাঠনি উন্নয়ন। (v) যুটীয়া পুঁজি। (vi) জিলা উন্নয়ন পৰিকল্পনা।
সচিবালয় অৰ্থনৈতিক সেৱা	(i) ৰাজীৱ গান্ধী কম্পিউটাৰ শিক্ষা আঁচনি। (ii) শুৱালকুছিৰ বোৱনী সকলৰ উদ্গনি।

বিভাগৰ নাম/খণ্ড	আঁচনিসমূহৰ নাম/প্রকল্প
	(iii) মুখ্যমন্ত্রীৰ জীৱন জ্যোতি বীমা আঁচনি।
	(iv) আনন্দৰাম বৰুৱা বঁটা প্রদান।
	(v) সর্ৱেৰীৰ কাঁহ শিল্পী সকললৈ উদ্‌গনি।
জৰীপ আৰু পৰিসংখ্যা	অর্থনীতি আৰু পৰিসংখ্যা অধিকর্ত্তাৰ কার্য্যালয় নির্মাণ।
খাদ্য আৰু অসামৰিক যোগান	ৰন্ধন জ্যোতি।
সাংস্কৃতিক পৰিক্রমা	(i) নিম্নোলিখিত সকলৰ নামেৰে সাংস্কৃতিক ক্ষেত্র নির্মাণ।
	(ক) অণিৰুদ্ধদেৱ।
	(খ) সতী সাধিনী।
	(গ) সতী ৰাধিকা।
	(ঘ) আজান ফকিৰৰ দৰগাহ উন্নয়ন।
	(ঙ) শৰৎ সিংহ সোঁৱৰণী প্রকল্প আৰু প্রদর্শনী কেন্দ্র।
	(চ) অসমৰ সত্রসমূহৰ উন্নয়ন।
ক্রীড়া আৰু যুৱ কল্যাণ	(i) ৰাষ্ট্রীয় ক্রীড়াৰ আন্তঃগাঠনি উন্নয়ন।
	(ii) নিম্নোলিখিতসকলৰ নামত ক্রীড়া প্রকল্প স্থাপন।
	(ক) ভীমবৰ দেউৰী।
	(খ) যোগেন হাজৰিকা।

বিভাগৰ নাম/খণ্ড	আঁচনিসমূহৰ নাম/প্ৰকল্প
